অৰুণা
মেম'ৰিয়েল হস্পিতেল
১৯৯৪ চনৰ পৰা গুণগত
স্বাস্থ্য সেৱা আগবঢ়াই আহিছে
মাল্টি স্পেচিয়েলিটী
হস্পিতেল ২৪ × ৭ জৰুৰীকালীন
সেৱা সফলতাৰে ৩০ বছৰ সেৱা
কল/এছ এম এছ ৯৮৬৪৯৮৩৩৪৫
০৩৬১-৩৫৫১৬০৫/৪০৫২১৫২



গুৱাহাটী আৰু শিলচৰৰ পৰা প্ৰকাশিত

গৌৰৱোজ্জ্বল যাত্ৰাৰ ত্ৰিশতম বৰ্ষ

দৈনিক
# গণ অধিকাৰ
মূক জনতাৰ মুক্ত কণ্ঠ



MEDICITY GUWAHATI
ARUNA MEMORIAL HOSPITAL
সাৱধান
চিকিৎসাজনিত জৰুৰীকালীন অৱস্থা



যিকোনো স্থানত, যিকোনো সময়তে হ'ব পাৰে
বিনামূলীয়া এম্বুলেন্স সেৱাৰ বাবে
এতিয়াই ফোন কৰক
7002067082
Rajgarh Rd, SATSANG VIHAR,
Bhangagarh, Guwahati, Assam-781005
চৰ্তাৱলী প্ৰযোজ্য*




■ বছৰ ৩০ ■ সংখ্যা ৩১৮ ■ গুৱাহাটী, বুধবাৰ, ২৬ জুন, ২০২৪ ■ ১১ আহাৰ, ১৯৪৬ শক ■ GUWAHATI, VOL. XXX, NO. 318, WEDNESDAY, 26 JUNE, 2024 ■ RNI No. 63550/95 ■ মূল্য ঃ ১০ টকা


## অসমৰ এনআৰচি কেলেংকাৰী প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰাক্তন বিষয়াৰ

**চন্দ্ৰ কুমাৰ শইকীয়া**

**তৃতীয়টো** কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱা নৰেন্দ্ৰ দামোদৰ দাস মোদী চৰকাৰক অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ বাবে তেওঁৰ ব্যক্তিগত হস্তক্ষেপ বিচাৰি পিএমঅ'লৈ এখন পত্ৰ প্ৰেৰণ কৰা হৈছে। এন আৰ চি (অসম)ৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক প্ৰেৰকজনে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াত বৃহৎ বিজুতিৰ অভিযোগ উত্থাপন কৰি পূৰ্বৰ প্ৰতীক হাজেলা, আই এ এছ (অৱসৰপ্ৰাপ্ত)লৈ আঙুলিয়াই দিয়ে। একেৰাহে তৃতীয়বাৰৰ বাবে জয়লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীক অভিনন্দন জনাই আই এ এছ (অৱসৰপ্ৰাপ্ত) হিতেশ্বৰ দেৱশৰ্মাই এই কথা প্ৰকাশ কৰে যে অসমৰ ৰাইজে ■ ৭ পৃষ্ঠাত

## চন্দ্ৰৰ পৃষ্ঠভূমিৰ পৰা নমুনা সংগ্ৰহ কৰি উভতিল চীনৰ মহাকাশযান



### নতুন সম্ভেদ লাভৰ আশা চীনা বিজ্ঞানীৰ

**বেইজিং, ২৫ জুন ঃ** প্ৰায় দুমাহৰ পিছত চীনে চন্দ্ৰলৈ প্ৰেৰণ কৰা মানৱবিহীন মহাকাশযান পৃথিৱীলৈ উভতি আহিল। দুমাহৰ পূৰ্বে চাংই-৬ মহাকাশযানখন চন্দ্ৰৰ অজ্ঞাত প্ৰান্তলৈ নমুনা সংগ্ৰহ কৰিবলৈ চীনৰ বিজ্ঞানীসকলে প্ৰেৰণ কৰিছিল। আজি সেই মহাকাশযানখনে চন্দ্ৰৰ পৃষ্ঠভূমিৰ পৰা নমুনা সংগ্ৰহ কৰি সুকলমে পৃথিৱীলৈ ওভতে। আজি চীনৰ ইনাৰ মংগোলীয়া মৰুভূমিত মহাকাশযানখনে অৱতৰণ কৰে। এই মহাকাশযানখনক লৈ বিজ্ঞানীসকলৰ উৎকণ্ঠাৰ অন্ত নাছিল। সকলোৰে মহাকাশযানখন পৃথিৱীলৈ সুকলমে উভতি অহাৰ বাবে বাট চাই ৰৈছিল। কিয়নো ইয়াৰ পৰা চন্দ্ৰৰ বহু ■ ৭ পৃষ্ঠাত

## মাজবাটৰ ধৰ্ষণকাণ্ডৰ অন্যতম অভিযুক্ত হাফিজুল আলীক এনকাউণ্টাৰ

### আৰক্ষীৰ অভিযান অব্যাহত

**গণ বাৰ্তা, ওৰাং, ২৫ জুন ঃ** মাজবাটৰ এগৰাকী কিশোৰী পাঁচ নৰপিশাচৰ জঘন্য কামনাৰ বলি হ'বলগীয়া হোৱা ঘটনাই এতিয়া সমগ্ৰ দেশতে তোলপাৰ লগাইছে। এই ঘটনাৰ সৈতে জড়িত নৰপিশাচকেইটাৰ উচিত শাস্তিৰ দাবীৰে স্থানীয় বিভিন্ন দল-সংগঠনে ২৩ তাৰিখ দেওবাৰ আৰু ২৪ তাৰিখ সোমবাৰে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে। উক্ত ঘটনাৰ সৈতে জড়িত পাঁচ নৰপিশাচক মাজবাট আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। পাঁচজন অভিযুক্তক পৃথকে পৃথকে জেৰা ■ ৭ পৃষ্ঠাত



### নজিৰবিহীন ঃ লোকসভাৰ অধ্যক্ষ পদক লৈ আজি নিৰ্বাচনী মহাৰণ

# ওম বিৰলা বনাম কে সুৰেশ





**বিশেষ প্ৰতিবেদক, গুৱাহাটী, ২৫ জুন ঃ** লোকসভাৰ অধ্যক্ষ পদৰ বাবে সম্ভৱতঃ ভাৰতৰ সংসদীয় ইতিহাসত প্ৰথমবাৰৰ বাবে অধ্যক্ষ নিৰ্বাচনৰ বাবে ভোট অনুষ্ঠিত হ'ব। ২৬ জুনৰ দিনা লোকসভাৰ অধ্যক্ষ নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অধ্যক্ষ পদৰ বাবেই এন ডি এই মনোনীত কৰিছে ওম বিৰলাক। আনহাতে উপাধ্যক্ষ পদ বিচাৰিও বিমুখ হৈ 'ইণ্ডিয়া মিত্ৰজোঁট'-এ নিজাকৈ প্ৰাৰ্থী মনোনীত কৰিছে। 'ইণ্ডিয়া মিত্ৰজোঁট'ৰ প্ৰাৰ্থী হ'ব কে সুৰেশ। অধ্যক্ষ পদত শাসক-বিৰোধী উভয়ে প্ৰাৰ্থী দিয়াক লৈ এতিয়া উত্তেজনাৰ সৃষ্টি হৈছে। ■ ৭ পৃষ্ঠাত

## ড্ৰাগ্‌ছ ক্ৰয় কৰিবলৈ ধন নিদিয়াৰ বাবেই মাতৃক হত্যা

### কোকৰাঝাৰত লোমহৰ্ষক হত্যাকাণ্ড

**গণ বাৰ্তা, কোকৰাঝাৰ, ২৫ জুন ঃ** কোকৰাঝাৰ চহৰত সংঘটিত হৈছে এক মৰ্মান্তিক ঘটনা। নিচাসক্ত পুত্ৰৰ হাতত প্ৰাণ হেৰুৱাইছে মাতৃয়ে। কোকৰাঝাৰৰ ৮ নং ৱাৰ্ড মাইদাৰখোৰো (হাতিমাথা)ত ঘটিছে এই শোকাৱহ ঘটনাটো। পাদোপানী ব্ৰহ্ম (৩৫) নামৰ ড্ৰাগ্‌ছ আসক্ত যুৱকজনে ৮০ বছৰীয়া মাতৃ পাৰ্বতী ব্ৰহ্মক হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযুক্ত ব্ৰহ্ম কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নগেন ব্ৰহ্মৰ পুত্ৰ বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, পাদোপানী ব্ৰহ্মই ড্ৰাগ্‌ছ ক্ৰয় কৰিবলৈ মাতৃ পাৰ্বতী ব্ৰহ্মৰ পৰা ধন বিচাৰিছিল। মাতৃয়ে ধন দিবলৈ অস্বীকাৰ কৰাৰ ■ ৭ পৃষ্ঠাত

## বান-খহনীয়া সমস্যাৰ সমাধানৰ পদক্ষেপ



### বিশেষজ্ঞৰ সৈতে বৈঠক মন্ত্ৰী পীযূষ হাজৰিকাৰ

**বিশেষ প্ৰতিনিধি, গুৱাহাটী, ২৫ জুন ঃ** অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি জনতা ভৱনস্থিত নিজা কাৰ্যালয়ৰ সভাকক্ষত বিভাগীয় এখন গুৰুত্বপূৰ্ণ বৈঠকত অধ্যক্ষতা কৰে। আইআইটি গুৱাহাটীৰ অধ্যাপক ৰাজীৱ ভট্টাচাৰ্য আৰু অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যাপক বিভাস শৰ্মাৰ উপস্থিতিত মন্ত্ৰীগৰাকীয়ে জলসম্পদ ■ ২ পৃষ্ঠাত

## ৰেচন কাৰ্ড হ'লেই পাব বিনামূলীয়া নামভৰ্তিৰ সুবিধা

**বিশেষ প্ৰতিবেদক, গুৱাহাটী, ২৫ জুন ঃ** এতিয়াৰে পৰা আয়ৰ প্ৰমাণপত্ৰ অবিহনেও মহাবিদ্যালয়ত কৰিব পাৰিব নামভৰ্তি। ৰেচন কাৰ্ড জমা দি ল'ব পাৰিব বিনামূলীয়া নামভৰ্তি। ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত। অসম চৰকাৰৰ মাচুল ৰেহাই আঁচনি অনুসৰি শিক্ষাৰ্থীৰ নামভৰ্তিৰ বিষয়টো কৰিছে পৰ্যালোচনা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সোমবাৰে জনতা ভৱনত এখন বৈঠকত মিলিত ■ ৭ পৃষ্ঠাত

## কাছাৰৰ শিলচৰ-কালাইন পথে লৈছে ভয়ংকৰ ৰূপ

**গণ বাৰ্তা, শিলচৰ, ২৫ জুন ঃ** কাটিগড়া আৰু বৰখলাৰ জীৱনৰেখা হিচাপে চিনাক্ত হোৱা শিলচৰ-কালাইন পথৰ ভয়ংকৰ ৰূপ। বিভিন্ন স্থানত পথ পুখুৰীলৈ পৰিণত হোৱাৰ ফলত পথ সংস্কাৰৰ নামত বিভাগীয় কৰ্তৃপক্ষ কুম্ভনিদ্ৰাৰ ৰূপত বহু সময়ত সাধাৰণ ৰাইজে আন্দোলনৰ সন্মুখীন হ'বলগীয়া হৈছিল যদিও আজিলৈকে পথটোৰ কোনো কাম হোৱা নাই। প্ৰতিদিনে ৰাস্তাত জীৱনকো তুচ্ছ কৰি চলাচল কৰিছে হাজাৰ হাজাৰ বাহন। বিশেষকৈ অসুস্থ আৰু গৰ্ভৱতী মহিলাসকলে সময়মতে শিলচৰ চিকিৎসা মহাবিদ্যালয়লৈ যাবলৈ পৰা নাই। তাৰাপুৰ-শিৱবাৰী বৰাক নদীত ভাঙি যোৱাৰ বিপৰীতে ভাংগাৰপাৰত হাৰাং নদীৰ ওপৰত ■ ৭ পৃষ্ঠাত

## আনৰ পট্টাভুক্ত ভূমি গৰাকীৰ অজ্ঞাতে জালিয়াতিৰে পঞ্জীয়ন কৰা দালাল আনোৱাৰৰ ভগ্নীক গ্ৰেপ্তাৰ

## যোগীঘোপাত ভূ-সম্পত্তি মাফিয়াগিৰিত নমা এটা পৰিয়ালৰ কু-কীৰ্তি ফাদিল

### ৰহস্যৰ আৱৰ্তত ছাব-ৰেজিষ্ট্ৰাৰ কাৰ্যালয়

**গণ বাৰ্তা, যোগীঘোপা, ২৫ জুন ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত কৰেয়াপাহাৰ গাঁৱত ভুৱা নথিপত্ৰ ব্যৱহাৰ কৰি ভূমি জালিয়াতি ঘটনাৰ ন ন তথ্য পোহৰলৈ আহিছে। আজি যোগীঘোপা থানাৰ অধীনস্থ মাজেৰ আলগা নদী আৰক্ষীয়ে কুখ্যাত ভূ-মাফিয়া আনোৱাৰ হুছেইনৰ জ্যেষ্ঠ ভগ্নী খোদেজা খাতুনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষী সূত্ৰে জনা মতে, ভূ-মাফিয়া আনোৱাৰ হুছেইনে ভূমিৰ গৰাকীৰ অজ্ঞাতে ■ ৭ পৃষ্ঠাত

## চান্দপুৰত দলঙৰ পৰা পৰি শিশুৰ মৃত্যু

**গণ বাৰ্তা, শিলচৰ, ২৫ জুন ঃ** ঘৰৰ সন্মুখত দলং পাৰ হৈ গৈ থকা অৱস্থাত মৃত্যু হয় এগৰাকী চাৰি বছৰীয়া কিশোৰীৰ। কাছাৰৰ বৰখলা গোটৰ চান্দপুৰ ৩য় খণ্ডত সংঘটিত হৈছে এই ঘটনা। ঘটনাৰ সবিশেষ তথ্য অনুসৰি চান্দপুৰ ৩ত খণ্ডৰ ■ ৭ পৃষ্ঠাত

## উপ-নিৰ্বাচন-পঞ্চায়ত নিৰ্বাচনত বিৰোধী ঐক্যমঞ্চৰ লগত নাথাকে আপ



### অকলেই নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** লোকসভা নিৰ্বাচনৰ পিছতেই বিৰোধী ঐক্যত মেলিছে ফাট। বিৰোধী ঐক্যৰ পৰা আঁতৰি অহাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আম আদমী পাৰ্টী, চমুকৈ আপ। উপ-নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনত বিৰোধী ঐক্যৰ ■ ৭ পৃষ্ঠাত

## বিলাসীপাৰাত মৌলবীৰ অপকাণ্ড

### উত্তম-মধ্যম দি গতালে থানাত

**গণ বাৰ্তা, বিলাসীপাৰা, ২৫ জুন ঃ** এজন লম্পট মৌলবীৰ অপকাণ্ডৰ বাবে বিলাসীপাৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইতিমধ্যে সামাজিক মাধ্যমত ঘটনাটো ভাইৰেল হৈ পৰিছে। স্থানীয় বাসিন্দাসকলৰ মতে, সূৰ্যখাতা দ্বিতীয় খণ্ড গাঁৱত আজি পুৱতি নিশা গাঁওখনৰে ইছলাম উপাধিৰ মৌলবীয়ে এগৰাকী তিৰোতাৰ ঘৰত প্ৰৱেশ কৰে। ঘৰৰ পৰিয়ালে ■ ৭ পৃষ্ঠাত

## মাজুলীত বিষাক্ত কাঠফুলা খাই এজনৰ মৃত্যু

**গণ বাৰ্তা, ফুলনি, ২৫ জুন ঃ** মাজুলীত বিষাক্ত কাঠফুলা খাই এজন লোকৰ মৃত্যুৰ লগতে কেইবাগৰাকীও লোক অসুস্থ হোৱাৰ দৰে ঘটনা সংঘটিত হৈছে। জানিব পৰা মতে যোৱানিশা জেংৰাইমুখৰ বালি বৰপমুৱাত নিশাৰ আহাৰত কাঠফুলা খোৱাৰ পিছতেই গাঁওখনৰ কেইবাগৰাকীও লোক অসুস্থ হৈ পৰে। ■ ৭ পৃষ্ঠাত

## কৰিমগঞ্জত কংগ্ৰেছক ভোট দিয়াৰ বাবেই বান সাহায্যৰ পৰা বঞ্চিত সংখ্যালঘু

### জিলা কংগ্ৰেছৰ সভাপতি ৰজত চক্ৰৱৰ্তীৰ গুৰুতৰ অভিযোগ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** কৰিমগঞ্জত বান সাহায্য বিতৰণৰ নামত পক্ষপাতিত্বৰ আশ্ৰয় লোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। কংগ্ৰেছক ভোট দিয়াৰ বাবেই একাংশ সংখ্যালঘু লোকক বান সাহায্যৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। বিজেপিক ভোট নিদিয়াৰ বাবেই বাছি বাছি বান সাহায্য বিতৰণ কৰা হৈছে। এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কৰিমগঞ্জ জিলা কংগ্ৰেছৰ সভাপতি ৰজত চক্ৰৱৰ্তীয়ে। আজি ইন্দিৰা ভৱনত আয়োজিত এক সংবাদমেলত ■ ৭ পৃষ্ঠাত

## মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড



**গণ বাৰ্তা, মৈৰাবাৰী, মৰিগাঁও, ২৫ জুন ঃ** মৰিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ২ নং নাৰমাৰী গাঁৱৰ টুটু ডেকা নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক্‌ছো আদালতে আজি যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি বিশ হাজাৰ টকাৰ জৰিমনা বিহিছে। প্ৰাপ্ত তথ্য মতে টুটু ডেকা নামৰ ■ ৭ পৃষ্ঠাত

## দেৰগাঁৱত জৰাজীৰ্ণ পথে প্ৰাণ কাঢ়িলে যুৱকৰ

**গণ বাৰ্তা, দেৰগাঁও, ২৫ জুন ঃ** দেৰগাঁৱত সংঘটিত হয় এক অঘটন। সোমবাৰে নিশা হাঁহচোৰা গাঁও নিবাসী ধীৰেন দাস নামৰ ২৮ এজন যুৱক গেলাবিল নদীৰ কাষৰীয়া পূৰ্ব মিছামৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত দক্ষিণ দলিজলীয়া (২ নং ৱাৰ্ড) নদীয়ে খহাই নিয়া এটা জৰাজীৰ্ণ পথেৰে কৰ্মস্থলী পৰা নিজা ঘৰলৈ আহি থকা অৱস্থাত পথৰ ■ ৭ পৃষ্ঠাত

## নগাঁৱত বজ্ৰপাতত একে পৰিয়ালৰ দুজনৰ নিহত

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৫ জুন ঃ** আজি বিয়লি নগাঁৱত বজ্ৰপাতৰ ফলত দুজন লোক নিহত হোৱাৰ লগতে আন দুজন আহত হয়। নিহত লোক দুজন সম্পৰ্কত ভাতৃ। জানিব পৰা মতে নগাঁৱৰ ৰণথলী ৰজাভেটি গাঁৱত আজি বজ্ৰপাতৰ ফলত যুগল বৰা আৰু নৱদ্বীপ বৰা নামৰ দুই ভাতৃৰ মৃত্যু হয়। সেই সময়ত তেওঁলোকে কুঁহিয়াৰ খেতিত কাম কৰি আছিল। দুই ভাতৃক নগাঁও চিকিৎসা মহাবিদ্যালয়লৈ ■ ৭ পৃষ্ঠাত

## সুৰামত্ত আৰক্ষীয়ে হাত ভাঙিলে যুৱকৰ

### মহানগৰীত খাকী পোছাকত লাগিল ক'লা দাগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** ৰক্ষকেই যেন এতিয়া ভক্ষকত পৰিণত হৈছে। খাকী পোছাকত পুনৰ লাগিল ক'লা দাগ। সুৰামত্ত আৰক্ষীয়ে নিৰ্মমভাৱে প্ৰহাৰ কৰি ভাঙিলে যুৱকৰ হাত। ঘটনাটো সংঘটিত হৈছে মহানগৰীৰ মাজমজিয়াত। বশিষ্ঠ আৰক্ষী থানাৰ আৰক্ষী বিষয়া পৰাগজ্যোতি বৰ্মন, তীৰ্থ ডেকা আৰু ধ্যানজ্যোতি তামুলীৰ বিৰুদ্ধে উত্থাপিত হৈছে এই গুৰুতৰ অভিযোগ। ভুক্তভোগীৰ আত্মীয়ই উল্লেখ কৰা অনুসৰি, সোমবাৰে ■ ৭ পৃষ্ঠাত

## অসম আন্দোলনৰ সক্ৰিয় কৰ্মী অনিল তালুকদাৰৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২৫ জুন ঃ** ৰাজ্যৰ পৰা অবৈধ বিদেশী বহিষ্কাৰৰ দাবীত হোৱা অসম আন্দোলনত স্থানীয়ভাৱে অগ্ৰণী ভূমিকা পালন কৰা তথা শোণিতপুৰৰ চাৰিদুৱাৰ নিবাসী অনিল তালুকদাৰ (৬৮) আজি পুৱতি নিশা বিয়োগ ঘটাত বৃহত্তৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। ■ ৭ পৃষ্ঠাত

## শক্তিপীঠ কামাখ্যা ধামত ধ্যান এৰি প্ৰতিবাদত বহিল সাধু-সন্ন্যাসী

### আজি খোল খাব কামাখ্যা মন্দিৰৰ মূল দুৱাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ জুন ঃ** অম্বুবাচী মেলাৰ অন্তিমটো দিনত প্ৰতিবাদমুখৰ হৈ পৰিছে নীলাচল ধাম। ধ্যান এৰি প্ৰতিবাদত বহিছে সহস্ৰাধিক সাধু-সন্ত। আৰক্ষীয়ে সাধু-সন্তক হাৰাশাস্তি কৰাৰ অভিযোগৰ লগতে পৰ্যাপ্ত সুবিধা নোপোৱাৰ অভিযোগত কামাখ্যাৰ মূল প্ৰৱেশ পথত প্ৰতিবাদত বহে সহস্ৰাধিক সাধু-সন্ত। আনহাতে সমগ্ৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে সাধু-সন্তসকলে। আনহাতে সাধু-সন্তৰ প্ৰতিবাদৰ পিছতে অভাৱনীয় পৰিৱেশৰ সৃষ্টি হয় কামাখ্যা ধামত। সাধু-সন্ন্যাসীসকলৰ প্ৰতিবাদৰ বাবে কামাখ্যালৈ অম্বুবাচী মেলা উপলক্ষে অহা ভক্তসকলে প্ৰৱেশ কৰিব ■ ৭ পৃষ্ঠাত



CLASSIFIED
ADVERTISEMENT
Phone: 9401114444
বিঃ দ্ৰঃ— কাকতত প্ৰকাশিত বিজ্ঞাপনৰ বক্তব্যৰ বাবে কাকত কৰ্তৃপক্ষ দায়বদ্ধ নহয়।

হেৰাইছে

মোৰ নিজৰ নামত থকা ১৯৯৯ চনৰ ১৫৩ নং দলিলৰ ৰচিদখন হেৰাইছে।

**যোগেন মল্ল বৰুৱা**
পিতাঃ পবিন মল্ল বৰুৱা
গাঁওঃ চত্ৰা
ডাক+থানাঃ ঘগ্ৰাপাৰ
জিলাঃ নলবাৰী

হেৰাইছে

মোৰ নামত থকা ১৯৯৭ চনৰ১৭৯ নং আৰু ২০০৬ চনৰ ১৩৮৮ নং দলিলৰ দুখন ৰচিদ হেৰাইছে।

**গোলক তালুকদাৰ**
পিতা ঃ শুক্ৰা
গাঁও ঃ কঞাজানী
ডাক + থানা ঃ ঘগ্ৰাপাৰ
জিলা ঃ নলবাৰী

LOST

I have lost my HSLC & AHSEC original documents. My HSLC Marksheet SL NO-M014124 Roll - B17 040 NO-0054 and AHSEC Marksheet SL NO-015965 Roll - 0149 No - 20105

Name : Nakibur Ahmed
S/o : Kadam Ali Ahmed
Vill : Kuriha
PO : Kayakuchi
PS : Barpeta
Pin : 781352

NAME CHANGE

I have Changed my name form Farhina Begum to Sneha Baishya by an affidavit notary public at Kamrup(M) On Dt -24/06/24. From today i Shall be known as Sneha Baishya for all official Purpose.

**Sneha Baishya**
W/o- Dhanjit Baishya.
Kamrup (M)

# সোণাক্ষীক বিহাৰত প্ৰৱেশত বাধা দিয়াৰ হুংকাৰ !

**বিশেষ প্ৰতিবেদক, গুৱাহাটী, ২৫ জুন ঃ** বলীউড তাৰকা সোণাক্ষী সিনহাৰ বিবাহৰ পিছতেই আহি পৰিছে জটিলতা। পিতৃৰ গৃহৰাজ্য বিহাৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি হুংকাৰ একাংশ সংগঠনৰ। আনকি সোণাক্ষীৰ পিতৃ শত্ৰুঘ্ন সিনহাইও পাইছে এই ভাবুকি। উল্লেখ্য যে ২৩ জুনত মুম্বাইত সোণাক্ষী সিনহা আৰু জাহিৰ ইকবালৰ বিবাহ সম্পন্ন হৈছিল। ইয়াৰ পাছত এই দম্পতীয়ে মুম্বাইতে এক বৃহৎ অভ্যৰ্থনা অনুষ্ঠান আয়োজন কৰে। য'ত দেখা গ'ল বলীউডৰ বহুতো বিখ্যাত তাৰকা। সোণাক্ষী আৰু জাহিৰৰ বিবাহৰ খবৰ আহিছিল চলিত মাহৰ আৰম্ভণিতে। সোণাক্ষী সিনহা আৰু জাহিৰ ইকবালে দীৰ্ঘদিন ধৰি ডেটিং কৰি আছিল। সাত বছৰ ডেটিং কৰি দুয়োৰে বিয়া হৈছিল। অৱশ্যে এই সিদ্ধান্ত দুয়োৰে বাবে সহজ নাছিল ইয়াৰ আটাইতকৈ ডাঙৰ কাৰণ আছিল দুয়োজনেই বেলেগ বেলেগ ধৰ্মৰ। সোণাক্ষী সিনহা হিন্দু, জাহিৰ মুছলমান। বিয়াৰ পূৰ্বে সোণাক্ষী আৰু জাহিৰে ভিন্ন ধৰ্মৰ হোৱাৰ বাবে মানুহৰ পৰা ট্ৰলিঙৰ সন্মুখীন হ'বলগীয়া হৈছিল। অৱশ্যে দুয়োজনে নিজৰ ধৰ্মক প্ৰেমৰ বাটত বাধা আহিবলৈ নিদিলে। বিশেষ বিবাহ আইনৰ অধীনত দুয়োজনে ২৩ জুনত আদালতত বিবাহপাশত আবদ্ধ হয়। কিন্তু এতিয়া সোণাক্ষী সিনহাই পাইছে বিভিন্ন পক্ষৰ ভাবুকি। সোণাক্ষী আৰু জাহিৰৰ বিবাহৰ পাছতে সোণাক্ষী আৰু তেওঁৰ পিতৃ শত্ৰুঘ্ন সিনহাই ভাবুকি লাভ কৰিছে। অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে ভাবুকিমূলক পোষ্ট দিয়া হৈছে। হিন্দু শিৱ ভৱানী সেনাই পাটনাত পোষ্টাৰ লগাই প্ৰতিবাদ ব্যক্ত কৰিছে। তাত লিখা আছে — শত্ৰুঘ্ন সিনহাৰ কন্যাক বিহাৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে এখন পোষ্টাৰ য'ত অভিনেত্ৰীগৰাকীক ভাবুকি দিয়া হৈছে। তাত লিখা আছে যে সোণাক্ষীক বিহাৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। হিন্দু শিৱভৱনী সেনাই সোণাক্ষী আৰু জাহিৰৰ বিবাহক লাভ জেহাদক প্ৰচাৰ কৰা বুলি অভিহিত কৰিছে। পোষ্টাৰখনত লিখা আছে, "সোণাক্ষী সিনহা আৰু জাহিৰ ইকবালৰ বিবাহে লাভ জেহাদক প্ৰসাৰিত কৰিছে সমগ্ৰ দেশক ইছলামকৰণ কৰাৰ প্ৰয়াস।শত্ৰুঘ্ন সিনহাই নিজৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰক অন্যথা পুত্ৰ লৱ আৰু কুশৰ নাম সলনি কৰক, ঘৰৰ নাম ৰামায়ণ সলনি কৰক। এয়া হিন্দু ধৰ্মক অপমান কৰা হৈছে। ইয়াত আৰু লিখা আছে, "সোণাক্ষীৰ বিবাহ হিন্দু ধৰ্মক দুৰ্বল আৰু ক্ষতি কৰাৰ লক্ষ্যৰে ধৰ্মৰ নামত অবৈধ ধৰ্মান্তৰকৰণ। ইয়াৰ দ্বাৰা লাভ জেহাদক প্ৰসাৰিত কৰা হৈছে।

# ৪ জুলাইৰ পৰা শিৱসাগৰ চৰাইদেউত আন্তঃ বিদ্যালয় ফুটবল প্ৰতিযোগিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৫ জুন ঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ উদ্যোগত তথা শিৱসাগৰ/চৰাইদেউ জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ সহযোগত ২০১৪ বৰ্ষৰ ল'ৰাৰ ১৫ বছৰ অনূৰ্ধ্ব পিলিক চৌধুৰী ফুটবল, ১৭ বছৰ অনূৰ্ধ্বৰ দেউকণ মেম'ৰিয়েল ফুটবল, ছোৱালীৰ ১৭ বছৰ অনূৰ্ধ্বৰ নৃপেন্দ্ৰ নাৰায়ণ সিংহ ফুটবল প্ৰতিযোগিতাৰ বাবে এলানি ফুটবল প্ৰতিযোগিতা আয়োজন কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে। তদুপলক্ষে শিৱসাগৰ জিলাত ৪ জুলাইৰ পৰা ৬ জুলাইলৈ দুৰ্লভ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। সমান্তৰালভাৱে চৰাইদেউ জিলাটো ৪ জুলাইৰ পৰা ৫ জুলাই লৈকে চৰাইদেউ জিলাৰ জুটুলনিৰ হাতীপুখুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। সেয়েহে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ইচ্ছুক বিদ্যালয়সমূহে ১ জুলাইৰ ভিতৰত যোগদান নিশ্চিত কৰিব লাগিব। শিৱসাগৰ বাবে জিলা কাৰ্যালয়ৰ শাৰীৰিক নিৰ্দেশক অনন্যা নাওশলীয়া ফোন নং ৯১০১১০৬৬২৫, মানস বৰা ফোন নং ৯১০১৪ ৩৬৮৬১ৰ নম্বৰৰ লগত আগতীয়াকৈ যোগাযোগ কৰিব পাৰিব। চৰাইদেউ জিলাৰ বাবে দুলাল বৰ্মন ফোন নং ৯৭০৬৮৩২৪৫২ নম্বৰৰ লগত আগতীয়াকৈ যোগাযোগ কৰিব পাৰিব। বয়সৰ মাপকাঠি হিচাপে পিলিক চৌধুৰীৰ বাবে ১-১-২০১০ তাৰিখ বা পাছৰ, দেউকণ মেম'ৰিয়েলৰ বাবে ১-১-২০০৮ তাৰিখ বা পাছৰ আৰু নৃপেন্দ্ৰ নাৰায়ণ সিংহ মেম'ৰিয়েলৰ বাবে ১-১-২০০৮ তাৰিখ বা পাছত জন্ম হ'ব লাগিব বুলি শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায়ে বাতৰি কাকতৰ এক বিবৃতিযোগে জনাইছে।

# মাজুলীৰ শ্ৰেষ্ঠ স্নাতক মাধুৰ্য মেধিক মাজুলী মহাবিদ্যালয়ৰ সম্বৰ্ধনা



**গণ বাৰ্তা, ফুলনি, ২৫ জুন ঃ** সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মাজুলী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰ মাধুৰ্য মেধিয়ে মাজুলী জিলাৰ ভিতৰতেই সৰ্বোচ্চ নম্বৰ লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। এনে সাফল্যত আনন্দিত হৈ আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ তৎপৰতাত ছাত্ৰজনৰ লগতে তেওঁৰ পিতৃক মহাবিদ্যালয়ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষ্যে আজি মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত আয়োজিত এক গাম্ভীৰ্য্যপূৰ্ণ সভাত বক্তব্য আগবঢ়াই অধ্যক্ষ ডঃ শইকীয়াই ছাত্ৰজনৰ এনে সফলতাই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ কৰিব বুলি মত পোষণ কৰে। লগতে ছাত্ৰজনৰ ভৱিষ্যতৰ উন্নতি কামনা কৰি তেওঁৰ পিতৃ-মাতৃক এনে সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সভাত উপস্থিত থাকি ছাত্ৰজনৰ পিতৃ তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক প্ৰেমকান্ত মেধিয়ে পুত্ৰৰ এনে সফলতাৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিয়ালে সৰ্বতোপ্ৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। নিজৰ বক্তব্যত কৃতী ছাত্ৰ মাধুৰ্য মেধিয়ে শিক্ষকসকলৰ পৰা লাভ কৰা উৎসাহে তেওঁৰ সফলতাত বিশেষভাৱে অৰিহনা যোগালে বুলি উল্লেখ কৰি পৰৱৰ্তী পৰ্যায়ৰ উচ্চশিক্ষা গ্ৰহণৰ ক্ষেত্ৰতো তেওঁলোকৰ পৰামৰ্শ কামনা কৰে। মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক তথা ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক অজিত কুমাৰ শইকীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, জ্যেষ্ঠ অধ্যাপক ডঃ ৰাজেন চন্দ্ৰ বৰা, ডঃ ৰূপজ্যোতি বৰা, বিপুল ৰাজখোৱা, বসন্ত বৰা, ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ দেৱজ্যোতি ভট্টাচাৰ্য্য, ডঃ লীমা দত্ত, ডঃ বিশাল ভূঞা, দীনেশ পেগু, আচাৰ্য মোহন দাস, ডঃ মহম্মদ আমিনুল ইছলাম আদিয়ে ছাত্ৰজনক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে সদ্যঘোষিত স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মাজুলী মহাবিদ্যালয়ৰ পৰা কলা শাখাত চাৰিজনে আৰু বিজ্ঞান শাখাত তিনিজন ছাত্ৰ-ছাত্ৰীয়ে এ-পছ গ্ৰেড লাভ কৰি উত্তীৰ্ণ হৈছে। আনহাতে ভূগোল বিভাগৰ ছাত্ৰ ৰাহুল চৰকাৰে বিশ্ববিদ্যালয়ৰ ভিতৰত পঞ্চম স্থান লাভ কৰাৰ লগতে মাজুলী জিলাৰ ভিতৰত দ্বিতীয় শ্ৰেষ্ঠ স্নাতকৰ খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ এনে ফলাফলত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

# বান-খহনীয়া সমস্যাৰ সমাধানৰ পদক্ষেপ

*প্ৰথম পৃষ্ঠাৰ পৰা...* বিভাগৰ মুখ্য অভিযন্তা আৰু আন অভিযন্তাসকলৰ সৈতে কমলপুৰ সমষ্টিৰ ক'লাজল নৈৰ বান নিয়ন্ত্ৰণৰ উপায় সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। বিশেষজ্ঞ দুগৰাকীৰ পৰা মন্ত্ৰী হাজৰিকাই ক'লাজল নৈৰ বান নিয়ন্ত্ৰণৰ উপায়ৰ বিষয়ে জানিব বিচৰাত প্ৰাথমিক অধ্যয়নৰ ফলস্বৰূপে তেওঁলোকে ক'লাজলত মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত কাৰিকৰী সমস্যা থকাৰ কথা উল্লেখ কৰে। কিন্তু নৈপৰীয়া ৰাইজে সন্মুখীন হৈ অহা সমস্যাৰ পৰা তেওঁলোকক সকাহ দিব পৰাকৈ বিভাগে কৰিব পৰা কামৰ বিষয়ে মন্ত্ৰী হাজৰিকাই তেওঁলোকক জনাবলৈ আহ্বান জনায়। আনহাতে এই বিষয়ে এক বিস্তৃত অধ্যয়ন কৰিবলৈ আইআইটি গুৱাহাটীক কৰ্তৃত্ব প্ৰদান কৰাৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে আজিৰ আলোচনাতে ব্যক্ত কৰে। তেওঁলোকৰ অধ্যয়নৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ক'লাজলৰ বান নিয়ন্ত্ৰণৰ বিষয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰী হাজৰিকাই মন্তব্য কৰে। আনহাতে দৰং জিলাই সঘনে সন্মুখীন হৈ থকা বান সমস্যা সমাধানৰ ক্ষেত্ৰত কেনেধৰণে কাম কৰিব পৰা যায় সেই বিষয়েও আজি আলোচনা কৰা হয়। জিলাখনত নৈৰ উন্মুক্ত তথা মথাউৰি বনাব পৰা স্থানসমূহত মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই এইক্ষেত্ৰত বিভাগক প্ৰয়োজনীয় পদক্ষেপ হাতত ল'বলৈ আহ্বান জনায়। আনহাতে আজিৰ সভাতে মন্ত্ৰী হাজৰিকাই অসমৰ বান সমস্যাৰ সুদূৰপ্ৰসাৰী সমাধানৰ বিষয়ে বিস্তৃত অধ্যয়নৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ যি পদ্ধতিৰে বিভাগে বান নিয়ন্ত্ৰণ কৰিবলৈ প্ৰয়াস কৰি আছে তাৰ সমান্তৰালভাৱে ৰাজ্যখনৰ বান সমস্যাৰ দীৰ্ঘম্যাদী আৰু সুদূৰপ্ৰসাৰী সমাধানৰ বাবে এক বিস্তৃত অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। প্ৰয়োজন হ'লে কিছু সময় হাতত লৈ আইআইটি গুৱাহাটী অথবা কোনো নিৰ্ভৰযোগ্য প্ৰতিষ্ঠানৰ জৰিয়তে ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যাৰ সুদূৰপ্ৰসাৰী সমাধানসূত্ৰ বিচাৰি অধ্যয়ন কৰোৱা অতিকৈ জৰুৰী হৈছে বুলি উল্লেখ কৰি জলসম্পদ বিভাগে এইক্ষেত্ৰত বিভাগক প্ৰয়োজনীয় ব্যৱস্থা হাতত ল'বলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে চৰকাৰে বিগত ৫০ৰ পৰা ৬০ বছৰৰ পৰা বান নিয়ন্ত্ৰণৰ বাবে মথাউৰি, শ্লুইচ গে'ট নিৰ্মাণ আদি পৰম্পৰাগতভাৱে পদ্ধতিৰে বান নিয়ন্ত্ৰণৰ ব্যৱস্থা লৈ আহিছে। তেওঁ আৰু কয় যে পৰিৱৰ্তিত সময়ত আধুনিক প্ৰযুক্তিবিদ্যাৰ সহায়েৰে কেনেদৰে বান আৰু খহনীয়া নিয়ন্ত্ৰণ কৰিব পাৰি সেই বিষয়ে বিস্তৃত অধ্যয়ন কৰি ক্ৰমান্বয়ে তাক কাৰ্যকৰী কৰাৰ সময় এতিয়া আহি পৰিছে। জনতা ভৱনতে আজিৰ আন এখন বৈঠকত মন্ত্ৰী পীযূষ হাজৰিকাই বিভাগৰ মুখ্য অভিযন্তা আৰু জ্যেষ্ঠ অভিযন্তাসকলৰ উপস্থিতিত অহা বৰ্ষত ৰাজ্যখনৰ বিভিন্ন জিলাত নিৰ্মাণ হ'ব লগা মথাউৰিসমূহৰ বিষয়েও বুজ লয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে অহা বছৰ ৰাজ্যখনত প্ৰায় ১৫০ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব। এই মথাউৰিসমূহ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰাথমিকতা অনুসৰি কাম কৰিবলৈও আহ্বান জনায় মন্ত্ৰীগৰাকীয়ে।

# ৰঙাপৰাৰ বিভিন্ন চাহ বাগিচাত চিকিৎসা পৰিদৰ্শকৰ আকস্মিক পৰিদৰ্শন



**গণ বাৰ্তা, ৰঙাপৰা, ২৫ জুন ঃ** ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত বিভিন্ন চাহ বাগিচাত আজি চাহ বাগিচা চিকিৎসা পৰিদৰ্শক ডঃ প্ৰদীপ লহকৰে আকস্মিক পৰিদৰ্শন কৰে আৰু স্থায়ী ভাৱে চিকিৎসকৰ ব্যৱস্থা আৰু বিছনাৰ সংখ্যা বৃদ্ধি,পৰিষ্কাৰ নলা নৰ্দমা,পৰ্যাপ্ত অনাময় আঁচনিৰ সুবিধা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ বাগিচা কৰ্তৃপক্ষক আহ্বান জনায়। বৰজুলি,ঘৈৰালী আৰু তাৰাজুলি চাহ বাগিচাত তেওঁ ডায়েৰীয়া, কলেৰা আদি ভয়ংকৰ মহামাৰী ৰোগৰ প্ৰতিৰোধৰ বিষয়ে বাগিচা সমূহৰ পৰিচালক তথা শ্ৰমিক সংগঠনৰ সদস্য সৈতে আলোচনাত মিলিত হয় আৰু স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচন্নতা বিষয়ক সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বাগিচা চিকিৎসা পৰিদৰ্শক ডঃ প্ৰদীপ লহকৰৰ এনেধৰণৰ পদক্ষেপ বাগিচাৰ ৰাইজৰ বাবে বৃহৎ সহায়ক হ'ব পাৰে। যাৰ দ্বাৰা লোকসকল অধিক সচেতন হোৱাৰ লগতে বেমাৰৰ বিষয়ে অৱগত হৈ আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিব পাৰে বুলি ৰাইজে মত পোষণ কৰে।

# কামপুৰ এফ আৰ ইউত নাই পৰ্যাপ্ত ঔষধ




**আমিনুল হক, কামপুৰ, ২৫ জুন ঃ** নগাঁও জিলাৰ বৃহত্তৰ কামপুৰ অঞ্চলৰ একমাত্ৰ এফ আৰ ইউ ত পৰ্যাপ্ত পৰিমাণৰ ঔষধ নথকাৰ অভিযোগ তুলিছে স্থানীয় সচেতন ৰাইজে। বানে জুৰুলা কৰা কামপুৰ এফ আৰ ইউত এতিয়া চিকিৎসাৰ বাবে অহা প্ৰয়োজনীয় ঔষধ নাপায়। প্ৰাপ্ত বাতৰি মতে, চিকিৎসালয়খনত এন্টিভেনম আছে,কিন্তু নাই এন্টিভেনম দিব পৰা চিকিৎসক ।চিকিৎসালয়খনত আল্ট্ৰাচাউণ্ড মেচিন আছে যদিও চলাব পৰা টেকনিচিয়ান নাই। চিকিৎসালয়খনত সামান্য ঔষধ কেইটাও ৰোগীয়ে বাহিৰৰ পৰা ক্ৰয় কৰিব লগা হয়। যাৰ ফলত বান বিধস্ত কামপুৰ অঞ্চলৰ ৰাইজে সু চিকিৎসাৰ পৰা বঞ্চিত হব লগা হৈছে। চিকিৎসালয় খনৰ শেষতীয়া এই পয়ালগা অৱস্থাক তীব্ৰ ভাষাৰে গৰিহনা দিয়ে কামপুৰৰ কেবাটাও জাতীয় সংগঠনে। এফ আৰ ইউত উপস্থিত হৈ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি ৰাজু বৰাই অসমৰ প্ৰত্যেকখন চিকিৎসালয়ত উপযুক্ত চিকিৎসক,নাৰ্চ আদি ব্যৱস্থা কৰি মানুহক মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ প্ৰদান কৰিবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনাইছে। ইফালে কামপুৰ প্ৰাক্তন ছাত্ৰ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি অমিয় বৰাই চিকিৎসালয়খনৰ দুৰবস্থাক ধিক্কাৰ জনাইছে আৰু বানপীড়িত এলেকাটোত শীঘ্ৰে প্ৰয়োজনীয় ঔষধ আদি যোগান ধৰিবলৈ স্বাস্থ্য বিভাগক অনুৰুধ জনাইছে।

# অ'প্প' এ৩ প্ৰ' মুকলি

**নতুন দিল্লী, ২৫ জুন ঃ** সৰ্বতোপ্ৰকাৰৰ প্ৰদৰ্শন আৰু আকৰ্ষণীয় প্ৰিমিয়াম ডিজাইনসহ অ'প্প' ইণ্ডিয়াই অ'প্প' এ৩ প্ৰ' মুকলিৰ বিষয়ে ঘোষণা কৰিছে। নতুন এ ছিৰিজৰ স্মাৰ্টফোনটোত হাতৰ পৰা পৰি যোৱা আৰু দাগ লগাৰ পৰা প্ৰতিৰোধৰ বাবে ডেমেজ-প্ৰুফ অল-ৰাউণ্ড আৰ্মৰ বডী, পানী অথবা ধূলি প্ৰতিৰোধৰ বাবে আই পি৫৪ প্ৰমাণপত্ৰ আছে। লগতে আছে ভিজা হাতৰ সৈতে ব্যৱহাৰৰ বাবে স্প্লেছ টাচ প্ৰযুক্তিৰ বৈশিষ্ট। অতিৰিক্ত বৈশিষ্ট ক্ৰমে ১২০ হাৰ্টজৰ আল্ট্ৰা ব্ৰাইট ডিছপে', এ আই লিংকবুষ্ট, এ আই ইৰেজাৰ আৰু চাৰি বছৰৰ ঊৰ্ধ্বৰ ম্যাদৰ সৈতে বৃহৎ ৫,১০০ এম এ এইচৰ হাইপাৰ এনাৰ্জি বেটাৰী আছে। লগতে আছে ৪৫ ৱাটৰ ছুপাৰৱক ফ্লেছ চাৰ্জ। অ'প্প' এ৩ প্ৰ'ৰ ডেমেজ-প্ৰুফ অলৰাউণ্ড আৰ্মৰ বডীত শক্তিশালী অভ্যন্তৰীণ গঠন আৰু স্ক্ৰীন ক'ভাৰৰ বাবে ব্লু গছ ডাবল টেম্পাৰড গছৰ দৰে ড্ৰপ-প্ৰতিৰোধী ধাতু আছে। যি ফোনটো পৰি গ'লেও ক্ষতি নোহোৱাটো নিশ্চিত কৰে। ফোনটোৰ ভিতৰৰ মূল উপাদানসমূহো আঘাত সহিবলৈ বায়'মিমেটিক স্পঞ্জৰ সৈতে সংযুক্ত কৰা হৈছে। উত্তম কাঠিন্যৰ স্বীকৃতিস্বৰূপে এ৩ প্ৰ'ই এছ জি এছ ড্ৰপ-প্ৰতিৰোধী প্ৰমাণপত্ৰ (ষ্টেণ্ডাৰ্ড) আৰু এছ জি এছ মিলিটাৰী ষ্টেণ্ডাৰ্ড প্ৰমাণপত্ৰ লাভ কৰিছে। আকস্মিকভাৱে পৰি যাওতে অধিক সুৰক্ষাৰ বাবে অ'প্প' এ৩ প্ৰ'ৰ সৈতে নতুনকৈ ডিজাইন কৰা ড্ৰপ-প্ৰতিৰোধী কৰচৰ ক'ভাৰ আছে। অ'প্প' লেবত কৰা পৰীক্ষাত এই যন্ত্ৰ টাম্বল ড্ৰামত ৪৫০টা ঘূৰ্ণনৰ সময়তো সুৰক্ষিত হৈ থাকিল। কেছ থাকিলে এই সুৰক্ষা ২০০ক্ষ বৃদ্ধি পোৱাটো নিশ্চিত। তদুপৰি অ'প্প' দাগ প্ৰতিৰোধী টাচ্চ বৈশিষ্টই তিতা হাতেৰে ফোনটো ব্যৱহাৰ সম্ভৱ কৰি তোলে। এই প্ৰযুক্তি টাচ্চ চিপৰ ভিতৰৰ উন্নত টাচ্চ-ডিটেকশ্যন এলগ'ৰিডমৰ ভিত্তিত তৈয়াৰ কৰা হৈছে, যাতে স্ক্ৰীন তিতি থাকিলে টাচ্চৰ মান আৰু প্ৰতিক্ৰিয়া উন্নত হয়। ইয়াৰ দ্বাৰা উপভোক্তাই ৰন্ধা-বঢ়া কৰা, শ্বাৱাৰৰ পৰা ওলাই অহাৰ লগে লগে বা আন যিকোনো হাত তিতি থকা পৰিস্থিতিত ফোনটো চলাই থাকিব পাৰে। অ'প্প' এ৩ প্ৰ'ৰ পানী আৰু ধূলি প্ৰতিৰোধৰ বাবে আই পি৫৪ ৰেটিং দিয়া হৈছে, অৰ্থাৎ সঁজুলিবিধ দৈনন্দিন পৰি যোৱাৰ পৰা সুৰক্ষিত হৈ থাকে আৰু ধূলি সহ্য কৰিব পাৰে। অ'প্প' লেবত পৰীক্ষাত পোৱা ফলাফল অনুসৰি ১০ মিনিট বৰষুণত তিতাৰ পিছতো ফোনটোৱে নিখুঁতভাৱে কাম কৰে।

# তিতাবৰত সাতদিনীয়া ভাওনা সমাৰোহ, পাণ্ডুলিপি আহ্বান

**গণ বাৰ্তা বিশেষ, তিতাবৰ, ২৫ জুন ঃ** তিতাবৰত সপ্তৰথী শিল্পী সমাজৰ উদ্যোগত সাতদিনীয়া ভাওনা সমাৰোহৰ বিশাল প্ৰস্তুতি চলি আছে। অহা ৫ নৱেম্বৰৰ পৰা ১১ নৱেম্বৰলৈ অনুষ্ঠিত হব লগা ভাওনা সমাৰোহৰ বাবে ইতিমধ্যেই এখনি শক্তিশালী সমিতি গঠন কৰা হৈছে ।অঞ্চলটোৰ বিশিষ্ট ব্যক্তি নৰেন দত্তক সভাপতি,জগত বৰাক সম্পাদক, ৰাতুল হাজৰিকাক কাৰ্যকৰী সভাপতি, সপ্তৰথী শিল্পী সমাজৰ সভাপতি অনিমেশ শইকীয়া, উপ সভাপতি দীপক কছাৰী, সম্পাদক অনন্ত বৰা আৰু মুখ্য আহ্বায়ক ধ্ৰুৱ জ্যোতি কলিতাৰ লগতে অন্যান্য দায়িত্বত স্থানীয় যুৱক সকলক দায়িত্ব অৰ্পণ কৰা হয় ।আজি বিশেষ ভাৱে অনুষ্ঠিত এখনি ৰাজহুৱা সভাত তিতাবৰৰ বিভিন্ন অঞ্চলৰ শতাধিক ৰাইজ উপস্থিত থাকি সমাৰোহখনি সাফল্যমণ্ডিত কৰাৰ স্বাৰ্থত কেইবাখনো উপ সমিতি গঠন কৰি কাম সমূহৰ ভাগ কৰি দায়িত্ব অৰ্পণ কৰে। সমিতিয়ে সমাৰোহৰ বাবে প্ৰয়োজনীয় নীতি নিৰ্দেশনা প্ৰস্তুত কৰিছে। সমাৰোহৰ স্থানৰ নামাকৰণ কৰা হৈছে "শংকৰ আজান" সমন্বয় ক্ষেত্ৰ। সমিতিয়ে ভাওনাৰ পাণ্ডুলিপি আহ্বান কৰি অহা ১ জুলাইৰ পৰা ১০ জুলাইৰ ভিতৰত জমা দিবলৈ ইচ্ছুক নাট্য দল সমূহক আহ্বান জনাইছে। ।যি সমূহ পাণ্ডুলিপি বিচাৰ সকলে বিবেচনা কৰিব সেই দল সমূহে সমিতিৰ লগত যোগাযোগ কৰি নিশ্চিত কৰিব পাৰিব। সমাৰোহৰ শ্ৰেষ্ঠ দলক ৬০ হেজাৰ, দ্বিতীয় শ্ৰেষ্ঠ দলক ৫০ হেজাৰ, তৃতীয় শ্ৰেষ্ঠ দলক ৪০ হেজাৰ, চতুৰ্থ শ্ৰেষ্ঠ দলক ৩০ হাজাৰ, পঞ্চম শ্ৰেষ্ঠ দলক ২০ হাজাৰ, শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলক ১০ হেজাৰ আৰু ব্যক্তিগত ভাৱে অন্যান্য পুৰস্কাৰ প্ৰদান কৰা হব। প্ৰতিটো নাট্যদলে পাণ্ডুলিপি বিবেচনা হোৱাৰ পাছত ৪ হেজাৰকৈ যোগদানৰ মাচুল প্ৰদান কৰিব লাগিব। সভাই এই সমাৰোহখনি সাফল্যমণ্ডিত কৰিবলৈ তিতাবৰীয়া ৰাইজৰ সহযোগিতা কামনা কৰিছে। যোগাযোগ নম্বৰ ৬০০২২১৯৮০৭, ৯৩৬৫৩০৬৬০৭।

# ধৰ্ষণকাৰীক শাস্তি প্ৰদানৰ দাবী গোৰ্খা সন্মিলনৰ

**গণ বাৰ্তা, মুছলপুৰ, ২৫ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাটত যোৱা ২২ জুনত সংঘটিত দলবদ্ধঞ্জ ধৰ্ষণৰ ঘটনাক অসম গোৰ্খা সন্মিলনৰ বিটিআৰ ক্ষেত্ৰীয় সমিতিয়ে তীব্ৰঞ্জঞ্জ ভাষাৰে গৰিহণা দিছে ।আজি সংগঠনটোৰ সভাপতি-সম্পাদক ক্ৰমে পিতাম্বৰ পাঠক আৰু ভূৱন ধমলাই এক প্ৰেছ বিজ্ঞপ্তিযোগে নৱম শ্ৰেণীত অধ্যয়নৰতঞ্জ নাবালিকা ছাত্ৰীগৰাকীৰ ওপৰত কৰা অমানৱীয় কাণ্ডই মানৱ সমাজক লজ্জানত কৰাৰ কথা উল্লেখ কৰি অসম চৰকাৰঞ্জ তথা প্ৰশাসনৰ ওচৰত উক্ত ঘটনাৰ উচিত তদন্তৰ দাবী জনায়। বিবৃতিটোত এই বুলিও মন্তব্য কৰে যে সাম্প্ৰতিক সময়ত একাংশ মানৱৰূপী দানৱে মহিলাৰ ওপৰত ধৰ্ষণৰ দৰে অমানৱীয় কাৰ্যত লিপ্ত হৈ পৈশাচিক তৃপ্তি লাভ কৰি সমাজখন কলুষিত কৰিছে । ফলত কিছুমান অঞ্চল ভেদে মহিলাসকল নিৰাপত্তাহীনতাত ভূগিছে । অনাগত দিনত যাতে এনেকুৱা অমানৱীয় ঘটনাৰ পুনৰাবৃত্তি নহয়ঞ্জ তাৰঞ্জ বাবে ধৰ্ষণকাৰী পাষণ্ডসকলক ফাষ্টট্ৰেক আদালতৰ দ্বাৰাঞ্জ ক্ষিপ্ৰতাৰে বিচাৰ কৰি কঠোৰৰ পৰা কঠোৰতম দৃষ্টান্তমূলকঞ্জঞ্জ শাস্তি প্ৰদানৰঞ্জ ব্যৱস্থা কৰিবলৈ চৰকাৰক সংগঠনটোৰ ফালৰ পৰা আহ্বান জনাইছে।

# যোৰহাটত শিশু শ্ৰমিকৰ নিয়োগৰ বিৰুদ্ধে অভিযান

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ২৫ জুন ঃ** যোৰহাটৰ শ্ৰমিক সুৰক্ষা বিভাগ, সমাজ কল্যান বিভাগ আৰু চি ডব্লিউ চি আদি কেইবাটাও বিভাগে আজি নগৰখনৰ বিভিন্ন ব্যৱসায়ী প্ৰতিষ্ঠানত শিশু শ্ৰমিক নিয়োগৰ বিৰুদ্ধে অভিযান চলাই। অভিযান কালত বিভিন্ন কামত নিয়োজিত ৮ জন শিশু আৰু কিশোৰ শ্ৰমিক উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা শিশু আৰু কিশোৰ সকলৰ পুনৰ সংস্থাপন আৰু পৰৱৰ্তী ব্যৱস্থা গ্ৰহণৰ বাবে চি ডব্লিউ চি ক গতাই দিয়া হব। ইয়াৰ বিপৰীতে শিশু আৰু কিশোৰ শ্ৰমিক নিয়োগ কৰা লোকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হব। তেওঁলোকৰ বিৰুদ্ধে ২০ হেজাৰ টকা জৰিমনা অন্যথা ছয় মাহ কাৰদণ্ড হব বুলি শ্ৰম বিষয়াই উল্লেখ কৰে।

# কাকজান বাল্য নিকেতন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত শিক্ষক প্ৰশিক্ষণ কৰ্মশালা আয়োজন

**গণ বাৰ্তা, কাকজান, ২৫ জুন ঃ** সদৌ অসম ব্যক্তিগত বিদ্যালয় ঐক্যমঞ্চৰ যোৰহাট জিলা সমিতিৰ উদ্যোগতঞ্জ আৰু বাল্যনিকেতন ছিনিয়ৰ চেকেণ্ডেৰী স্কুল, কাকজানৰ সহযোগত অহা ২৭ আৰু ২৮ জুলাই ২০২৪ তাৰিখ (শনিবাৰ আৰু দেওবাৰে)দুদিনীয়াকৈ এটি শিক্ষক প্ৰশিক্ষণৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে।অসমীয়া, ইংৰাজী, গণিত আৰু বিজ্ঞান বিষয়ৰ পাঠদান পদ্ধতি সম্পৰ্কীয় কৰ্মশালা পাতিবলৈ সিদ্ধান্তগ্ৰহণ কৰিছে। পুৱা ১০-৩০ বজাৰ পৰা অনুষ্ঠিত হবলগীয়া প্ৰশিক্ষণটিত প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব ডঃ লুটন চৰকাৰ,এম. এ., এম. এছ. চি, বি.এড (অধ্যক্ষ ও সঞ্চালক কে.জি.বি. জাতীয় বিদ্যালয় আৰু কে. জি.বি. স্নাতক মহাবিদ্যালয়,ওদালগুৰি,অসম)অসম সাহিত্য সভাৰ দ্বাৰা পৰিচালিত "অসম আদৰ্শ শিক্ষা সংসদ"ৰ গণিত বিভাগৰ সম্বন্বয়ৰক্ষী বিষয়া সকল ইয়াৰ উপৰিও আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি তথা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক -অধ্যাপিকা সহ শিক্ষক -প্ৰশিক্ষক উপস্থিত থাকিব।উল্লেখ যে ঐক্যমঞ্চৰ অন্তৰ্গত প্ৰতিখন বিদ্যালয়ৰ পৰা ন্যূনতম ৫ জন শিক্ষক প্ৰতিনিধিয়ে যোগদান কৰিব পাৰিব লগতে কৰ্মশালাত অংশগ্ৰহণৰ বাবে আগতীয়াকৈ নাম পঞ্জীয়ন কৰিব লাগিব।সকলো অংশ গ্ৰহণকাৰীকে একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।ইচ্ছুক অংশ গ্ৰহণকাৰী শিক্ষক, শিক্ষয়িত্ৰী সকলক ২৮ জুন,২০২৪ তাৰিখৰ ভিতৰত নাম পঞ্জীয়ন কৰিবলৈ জনাইছে।সবিশেষ জানিবৰ বাবে নিতুল কলিতা, সভাপতি ৯৪৩৫৬১৫৯৫৪ বিন্তী গগৈ, সম্পাদিকা, ৬০০১৬৫৭৩৯৬সদৌ অসম ব্যক্তিগত বিদ্যালয় ঐক্যমঞ্চ, যোৰহাট জিলা সমিতি লগত যোগাযোগ কৰিব পাৰিব।

দৈনিক গণ অধিকাৰ
গুৱাহাটী, বুধবাৰ, ২৬ জুন, ২০২৪, ১১ আহাৰ, ১৯৪৬ শক
Dainik Gana Adhikar, Guwahati, Wednesday, 26 June, 2024



## হোজাইৰ পীৰবজাৰত ঔষধ পৰিদৰ্শকৰ অভিযান

**গণ বাৰ্তা, মোৰাঝাৰ, ২৫ জুন ঃ** হোজাইৰ মোৰাঝাৰৰ পীৰবজাৰত আজি ঔষধ পৰিদৰ্শকে অভিযান চলায়। এই অভিযানত বজাৰখনত থকা সঞ্জীৱনী মেডিক'জ, চক্ৰৱৰ্তী ফাৰ্মাচী আদিকে ধৰি কেইবাখনো ফাৰ্মাচীত অভিযান চলাই। তাৰ বিপৰীতে ঔষধ পৰিদৰ্শক বিপুল বিশ্বাসৰ উপস্থিতিৰ উমান পাই আন কেইবাখনো অনুজ্ঞাপত্ৰ নথকা ফাৰ্মাচীৰ গৰাকীয়ে দোকান বন্ধ কৰি পলায়। উল্লেখ যোগ্য যে অবৈধ ফাৰ্মাচীৰ গৰাকী স্বপন দাস, বিদান চক্ৰৱৰ্তী, বিমল দাস আব্দুল শ্বহিদ, মইনুল ইছলামে পলাই যোৱা বুলি ৰাইজে জানিব দিয়ে। এনেদৰে দীৰ্ঘদিনৰ পৰা পৰা ৰাইজক জীৱনদায়িনী ঔষধৰ নামত বৰবিহ খুৱাইছে। ফাৰ্মাচিষ্ট নোহোৱাকৈ কেৱলমাত্ৰ অৰ্ধশিক্ষিত লোকে চলাই গৈছে ৰমৰমীয়া ব্যৱসায়। ইপিনে চৌধুৰীবজাৰস্থিত এখন ডিষ্ট্ৰিবিউটৰে বিভিন্ন প্ৰান্তত অবৈধ ফাৰ্মাচী খুলি ঔষধ যোগান দি আহিছে। এইখনৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজে দাবী জনাইছে।

# শুৱালকুছিৰ একাধিক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ হাবি-জংঘলেৰে ভৰপূৰ

## উদ্বোধন নৌহওঁতেই ভাঙিল শিশুৰ খেলৰ সামগ্ৰী

**গণ বাৰ্তা, শুৱালকুছি, ২৫ জুন ঃ** সমগ্ৰ ৰাজ্যতে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে শিশু সকলক শৈক্ষিক শাৰীৰিক আৰু বৌদ্ধিক দিশ বিকাশৰ বাবে পূৰ্বৰ অংগনৱাড়ী কেন্দ্ৰ সমূহৰ সলনি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰলৈ উন্নীত কৰিছে। পিছ পৰি থকা নাই কামৰূপ জিলাৰ অন্তৰ্গত শুৱালকুছিও। বৃহত্তৰ শুৱালকুছিত সমাজ কল্যাণ বিভাগে ৰাজকোষৰ বুজন পৰিমানৰ ধন খৰচ কৰি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছে। কেন্দ্ৰ সমূহত শিশু সকলৰ শৈক্ষিক দিশৰ লগতে শাৰীৰিক দিশ সুস্থ সৱল কৰাৰ উদ্দেশ্যত শিশুৰ বাবে ওমলা বিভিন্ন সামগ্ৰী সংলগ্ন কৰিছে। তদুপৰি শৌচাগাৰ প্ৰস্ৰাৱাগাৰ পানীৰ ব্যৱস্থা আদিও উপলব্ধ। কিন্তু পৰিতাপৰ কথা যে আটক ধুনীয়াকৈ সজোৱা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ ভালেমান কেন্দ্ৰ ১২/১৪ মাহে ধৰি উদ্বোধন নকৰাত হাবি জংঘলে আৱৰি ধৰিছে। উদাহৰণ স্বৰূপে শুৱালকুছি কলিতা মন্দিৰ বালিচৰত নিৰ্মাণ কৰা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰলৈ প্ৰত্যক্ষ কৰিলেই সমাজ কল্যাণ বিভাগৰ জলঙাৰ মেকুৰী ওলাই পৰিব। উক্ত কেন্দ্ৰ আজিও উদ্বোধন কৰা নাই অথচ শিশুৰ বাবে স্থাপন কৰা ওমলা সামগ্ৰী সমূহ ভাগি যাবলৈ ধৰিছে। ফলত ৰাজহুৱা ধনৰ শৰাধ পতা বুলি ৰাইজে ব্যক্ত কৰে। অকল এই কেন্দ্ৰটোৱে নহয় বৃহত্তৰ শুৱালকুছিৰ পূবৰ পৰা পশ্চিমলৈ ক্ষেত্ৰ অধ্যয়ন কৰিলে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ সমূহৰ স্বৰূপ প্ৰত্যক্ষ কৰিব পাৰিব। এই ক্ষেত্ৰত কামৰূপ জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা এক তদন্তৰ জৰিয়তে ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰিছে স্থানীয় ৰাইজে।



## ৰাজ্য চৰকাৰে বন্দুক-বাৰুদৰ শোষণ আৰু দমন নীতি চলাইছে ঃ অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ

**গণ বাৰ্তা, হাউলী, ২৫ জুন ঃ** অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় কমিটিৰ সভাপতি মোকাদ্দেছ আলী মণ্ডল,কাৰ্যকৰী সভাপতি ছেকান্দৰ আলী আহমেদ,সাধাৰণ সম্পাদকদ্বয় মোৱাজ্জেম হুছেইন আৰু মোজ্জাম্মিল হকে আজি এক প্ৰেছ বিবৃতি যোগে কওঁ যে যোৱা ২২ জুন তাৰিখত নগাঁও জিলাৰ অন্তৰ্গত জুৰীয়া ধিংবৰী চাপৰী গাৱঁৰ একেখন ঘৰৰ দুই ভাতৃ জলিল উদ্দিন আৰু ছমিৰ উদ্দিনক লাওঁখোৱা অভায়াৰণ্যৰ বনকৰ্মীয়ে গুলীয়াই হত্যা কৰা কাৰ্য্যক অসম সংখ্যালঘূ সংগ্ৰাম পৰিষদে নিন্দা আৰু তীব্ৰ ভাষাৰে গৰিহণা দিছে। চৰাইহাগী(ৰৌমাৰী) বিলত মাছ মাৰিবলৈ যোৱা সন্দেহ কৰি বনকৰ্মীয়ে দুৰৰ পৰা দুই ভাতৃ লক্ষ্য কৰি গুলীচালনা কৰে আৰু সেই গুলি পোনে পোনে দুই ভাতৃ গাত লগাত মৃত্যুক আকোঁৱালি লয়। এই চৰকাৰৰ দিনত মানুহৰ জীৱনতকৈ বিলৰ পুঠি মাছ - দৰিকণা মুল্য বেছি বুলি সংগ্ৰাম পৰিষদে মন্তব্য কৰিছে। এগৰাকী মাতৃৰ বুকু শুদা কৰি দুই সন্তানক মাছ ধৰাৰ বাবে হত্যা কৰা হল। অসমৰ মুখ্যমন্ত্ৰীয়ে তদন্ত ঘোষণা কৰিছে যদিও এতিয়ালৈকে বন বিষয়া আৰু বনকৰ্মীক চাকৰিৰ পৰা নিলম্বন কৰা নহল। চৰকাৰে বনকৰ্মীক আইনৰ আওতাত আনি উপযুক্ত শাস্তি প্ৰদান কৰি মৃত ব্যক্তিৰ পৰিয়ালক ন্যায় প্ৰদান কৰি আপাততঃ এককালীন ১০ লাখকৈ টকা ক্ষতি পূৰণ দিয়া ব্যৱস্থা কৰিব লাগে বুলি অসম সংখ্যালঘূ সংগ্ৰাম পৰিষদে বিবৃতি যোগে দাবী উত্থান কৰিছে। সংগঠনটোৰ এই দাবী যদি চৰকৰে মানি নলয় তেন্তে অহাদিনত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে তীব্ৰ গণতান্ত্ৰিকভাৱে আন্দোলন কাৰ্যসূচী লবলৈ বাধ্য হব বুলি অসম চৰকাৰক সকিয়াই দিয়ে বুলি বিবৃতিত প্ৰকাশ।


## যোৰহাটত চাইকেল চোৰৰ সন্ত্ৰাস, আটক এক

**গণ বাৰ্তা, যোৰহাট, ২৫ জুন ঃ** বিগত কেইবা মাহো ধৰি যোৰহাট মহানগৰখনত গাড়ী, বাইক, চাইকেলচোৰৰ সন্ত্ৰাসত ত্ৰাহি মধুসুধন দেখিছে যোৰহাটৰ সাধাৰণ নাগৰিকে। উল্লেখ্য যে বিগত তিনি বছৰ দুই মাহত যোৰহাট মহানগৰতে ৫১২ খনকৈ গাড়ী চুৰিৰ ঘটনাৰ পাছত পুনৰ সক্ৰীয় হৈ পৰিছে গাড়ী, বাইক আৰু চাইকেল চোৰৰ সন্ত্ৰাস। কালি যোৰহাট জিলাৰ লিচুবাৰী আৰক্ষী চকীৰ আৰক্ষী বিষয়া নিত্যানন্দ মিলিৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে যোৰহাটৰ ককিলামুখৰ এলেংমৰা অঞ্চলৰ পৰা এটা গভাইত চাইকেল চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যোৱা এক-দুই মাহ ধৰি সীমান্ত দাস নামৰ জানখনাৰ এই গভাইত চোৰটোৱে নগৰখনৰ বিভিন্ন অঞ্চলৰ পৰা দামী দামী চাইকেলসমূহ চোৰ কৰি ককিলামুখ, এলেংমৰা আদি ভিতৰুৱা গাঁও অঞ্চলসমূহত এক,ৰ পৰা দুহেজাৰ টকাৰ ভিতৰত বিক্ৰী কৰি আহিছে। কালি এক গোপন সূত্ৰৰ ভিত্তিত আৰক্ষী বিষয়া নিত্যানন্দ মিলিয়ে অভিযান চলাই সীমান্ত দাসক এলেংমৰাৰ এখন ভিতৰুৱা গাঁৱৰ এঘৰ লোকৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰাৰ লগতে চোৰটোৰ পৰা এখন ৪৫ হেজাৰ টকা, এখন ২৫ হেজাৰ টকা, এখন ১২ হেজাৰ টকা আৰু এখন ৮ হেজাৰ মূল্যা চাৰিখনকৈ দামী চাইকেল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ইতিমধ্যে এটা গোচৰ ৰজু কৰি আচামীক আদালতত হাজিৰ কৰোৱাত আদালতে জে'ললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৰহাটত বিগত কেইবামাহো ধৰি এই গাড়ী, বাইক আৰু চাইকেল চুৰিৰ ঘটনা সঘনে ঘটিবলৈ ধৰিছে।

## মাজবাটৰ ধৰ্ষণৰ ঘটনাক গৰিহণা গোৰ্খা সন্মিলন

**গণ বাৰ্তা, ওদালগুৰি, ২৫ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাটত যোৱা ২২ জুনত সংগঠিত দলবদ্ধ ধৰ্ষণৰ ঘটনাক অসম গোৰ্খা সন্মিলন বি টিঞ্জ আৰ ক্ষেত্ৰীয় সমিতিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিছে। এক বিবৃতিত বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সভাপতি পীতাম্বৰ পাঠক আৰু সাধাৰণ সম্পাদক ভূমন ধমলাই কয়- নৱম শ্ৰেনীত অধয়নৰতঞ্জ নাবালিকা ছাত্ৰীগৰাকীৰ ওপৰত কৰা অমানৱীয় কাণ্ডই মানৱ সমাজক লজ্জানত কৰিছে। সাম্প্ৰতিক সময়ত একাংশ মানৱ ৰূপী দানৱে মহিলাৰ ওপৰত ধৰ্ষণৰ দৰে অমানৱীয় কাৰ্যত লিপ্ত হৈ পৈশৱিক তৃপ্তি লাভ কৰি সমাজখন কলুষিত কৰিছে। ফলত কিছুমান অঞ্চল ভেদে মহিলা সকল নিৰাপত্তাহীনতাত ভূগিছে। অনাগত দিনত যাতে এনেকুৱা অমানৱীয় ঘটনাৰ যাতে পুনৰাবৃত্ত নহয় তাৰ বাৱে ধৰ্ষনকাৰী পাশণ্ড সকলক ফাষ্টট্ৰেক আদালতৰ দ্বাৰা ক্ষিপ্ৰতাৰে বিচাৰ কৰি কঠোৰৰ পৰা কঠোৰতম দৃষ্টান্ত মুলক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনাইছে। লগতে ছাত্ৰীগৰাকীক সু চিকিৎসা তথা যথোচিত কাউন্সেলিংৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিবৃতিটোত চৰকাৰ তথা প্ৰশাসনক দাবী জনাইছে।


## জিতেন্দ্ৰ জৈনৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ নলবাৰীত প্ৰতিক্ৰিয়া অব্যাহত



**ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী, ২৫ জুন ঃ** নলবাৰীৰ এগৰাকী শিক্ষাবিদ, সমাজকৰ্মী জিতেন্দ্ৰ কুমাৰ জৈনৰ বিৰুদ্ধে সহকৰ্মী শিক্ষয়িত্ৰীক হাৰাশাস্তি কৰা বুলি সামাজিক মাধ্যমত উত্থাপিত অভিযোগক লৈ এতিয়াও প্ৰতিক্ৰিয়া অব্যাহত আছে। নালন্দা পাব্লিক স্কুলৰ প্ৰাক্তন অধ্যক্ষ তথা বিদ্যাঞ্চল দ্য স্কুলৰ বৰ্তমানৰ অধ্যক্ষ জিতেন্দ্ৰ কুমাৰ জৈনৰ বিৰুদ্ধে উত্থাপিত হৈছে গুৰুতৰ অভিযোগ। বিদ্যালয়খনৰ এগৰাকী সহকৰ্মী শিক্ষয়িত্ৰীক হাৰাশাস্তি কৰাৰ লগতে অশীল ইংগিত দিয়াৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়ৰ পৰা প্ৰায় দুমাহ পূৰ্বে অব্যাহতি লোৱা শিক্ষয়িত্ৰী গৰাকীৰ অভিযোগে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে ।ইপিনে এই ঘটনা সন্দৰ্ভত ন্যায়িক তদন্তৰ বাবে আহ্বান জনাইছে জিতেন্দ্ৰ জৈনে সুদীৰ্ঘকাল অধ্যক্ষ হিচাপে শিক্ষকতা কৰা নালন্দা পাব্লিক স্কুলৰ শিক্ষক শিক্ষয়িত্ৰীয়ে। নালন্দা পাব্লিক স্কুলৰ শিক্ষক শিক্ষয়িত্ৰীৰ এটা দলে জিলা আৰক্ষী অধীক্ষকৰ হাতত এখন স্মাৰকপত্ৰ প্ৰদান কৰি ঘটনাটোৰ ন্যায়িক তদন্তৰ বাবে আহ্বান জনায়। স্মাৰকপত্ৰ খনত নালন্দা পাব্লিক স্কুলৰ প্ৰাক্তন অধ্যক্ষ জিতেন্দ্ৰ কুমাৰ জৈনৰ বিৰুদ্ধে এয়া ষড়যন্ত্ৰ বুলি উল্লেখ কৰে। ইপিনে একালৰ সহকৰ্মী শিক্ষয়িত্ৰীয়ে জিতেন্দ্ৰ কুমাৰ জৈনৰ পৰা কোনো দিনে অবাঞ্চিত ব্যৱহাৰ পোৱা নাছিল বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

### অসম দৰ্শন আঁচনিৰ অধীনত বিসংগতিপূৰ্ণভাৱে নিৰ্মাণৰ ফল

## এজাক বৰষুণতেই উত্তৰ কমলাবাৰী সত্ৰ সংযোগী পথত একাঁঠুলৈকে পানী



**গণ বাৰ্তা, ফুলনি, ২৫ জুন ঃ** মাজুলীৰ এন এল কে ৰোড-উত্তৰ কমলাবাৰী সত্ৰ সংযোগী পথৰ উত্তৰ কমলাবাৰী সত্ৰৰ একেবাৰে সন্মুখ ভাগতেই এজাক বৰষুণতেই এতিয়া একাঁঠুলৈকে পানী হোৱাত পথচাৰীৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। জানিব পৰা মতে অসম দৰ্শন আচনিৰ অধীনত ১ কোটিতকৈ অধিক টকাৰ ব্যয়ৰে নিৰ্মাণ হোৱা সত্ৰ সংযোগী প্ৰায় ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো নিৰ্মাণত যথেষ্ট বিসংগতি থাকি গৈছিল বাবেই বৰষুণ এজাকতেই পথটোত পানী ৰৈছে বুলি ৰাইজে অভিযোগ কৰিছে। পথটো নিৰ্মাণ কৰাৰ সময়ত পানী যাব পৰাকৈ তেনেধৰণৰ কোনো ব্যৱস্থা কৰা নাছিল বাবেও ৰাইজে এতিয়া অসুবিধাৰ সন্মুখীন হৈছে। পথটোৰ দুয়ো কাষে থকা লোক সকলেও নিজৰ নিজৰ ঘৰৰ চোতাল সমূহ ওখ কৰি দিয়াৰ ফলটো বৰষুণৰ পানী খিনি পথটোতেই জমা হৈছে আৰু পথটোৰ পৰা পানী ওলাই যাব পৰা কোনো ব্যৱস্থা নথকাত এতিয়া বৰষুণৰ পানী খিনি পথটোত জমা হৈ পথচাৰীক অসুবিধাত পেলাইছে। সত্ৰ খনলৈ দৈনিক দৰ্শনাৰ্থী উক্ত পথেৰেই অহা-যোৱা কৰাৰ লগতে বৃহত্তৰ মধ্য মাজুলীৰ ৰাইজো উক্ত পথেৰেই ব্যস্ত ব্যৱসায়িক অঞ্চল কমলাবাৰীলৈ নিতৌ যাতায়ত কৰে। গতিকে পথটোত জমা পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিবলৈ সচেতন মহলে লোক নিৰ্মাণ বিভাগক দাবী জনাইছে।

## গৌৰীপুৰত ৪টা ড্ৰাগ্‌ছ পেডলাৰ আটক

**গণ বাৰ্তা, গৌৰীপুৰ, ২৫ জুন ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰ থানাৰ অন্তৰ্গত বলদমাৰা অঞ্চলৰ পৰা আজি গৌৰীপুৰ আৰক্ষীয়ে এক অভিযান চলাই ৪ গৰাকীকৈ ড্ৰাগ্‌ছ পেডলাৰ আটক কৰিবলৈ সক্ষম হয় ।এই চাৰি গৰাকী যুৱকে উক্ত অঞ্চলত দীৰ্ঘ দিনৰ পৰা ড্ৰাগ্‌ছ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি অভিযোগ উত্থাপিত হৈ আহিছে ।সেয়ে গৌৰীপুৰ আৰক্ষীয়ে আজি দিনৰ ভাগত এক গোপন সুত্ৰৰ ভিত্তিত অভিযান চলাই উক্ত চাৰি গৰাকী ড্ৰাগ্‌ছ ব্যৱসায়ীৰ পৰা ২২টা কৈ ড্ৰাগ্‌ছৰ কণ্টিনাৰ এটা ছিৰিচ জব্দ কৰে। গৌৰীপুৰ আৰক্ষীয়ে আটক কৰা যুৱক কেইজন দলসিংঙেৰ আলগা দ্বিতীয় খণ্ড গাঁৱৰ ৰাহুল আমিন মণ্ডল ,গেৰামাৰী দ্বিতীয় খণ্ড গাওঁৰ জামিনুৰ ৰহমান, বজৰুল ৰহমান, জহিৰুল হক দীৰ্ঘ দিনৰ পৰা চলাইছিল ড্ৰাগ্‌ছৰ বেহা। গৌৰীপুৰ আৰক্ষী থানাৰ চহৰ উপ পৰিদৰ্শক বিকাশ প্ৰতিম মহন্তৰ নেতৃত্বত চলিছিল এই অভিযান। আৰক্ষীয়ে ড্ৰাগ্‌ছ পেডেলাৰ কেইজনক গ্ৰেপ্তুৰ কৰি। অধিক তথ্যৰ ববে থানালৈ আনে।

## পৰ্বতঝোৰাৰ বগৰীবাৰীত ইমন পাল কাণ্ডৰ ১৪ গৰাকী প্ৰতিবাদীক আটক

**গণ বাৰ্তা,পৰ্বতঝোৰা, ২৫ জুন ঃ** শেহতীয়াকৈ বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী আৰক্ষীয়ে প্ৰতিবাদ কাৰীক আটক কৰিবলৈ কুণ্ঠাবোধ নকৰি এক প্ৰকাৰ আক্ৰোস মূলকভাৱে থানাত এতিয়া ভৰি পৰিছে প্ৰতিবাদ কৰা আচামী ।ইতিমধ্যে আৰক্ষীয়ে অভিযান চলাই ৮ জনকৈ প্ৰতিবাদ কৰা আচামীক আটক কৰে ।উল্লেখ্য যে যোৱা ২৩ তাৰিখ দেওবাৰে ইছলাম ধৰ্মৰ বিৰুদ্ধে সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰা ইমণ পালৰ বিৰুদ্ধে শ-শ লোকে বগৰিবাৰী আৰক্ষী থানাৰ সন্মুখত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি ইমণ পালক গ্ৰেপ্তাৰ কৰাৰ দাবী কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ক্ৰমাৎ পৰিস্থিতি ইমানেই ভয়ংকৰ ৰূপ লয় যে আৰক্ষীক লক্ষ্য কৰি প্ৰতিবাদ কাৰীয়ে শিল গুটি নিক্ষেপ কৰাৰ ফলত কেইবাজনো আৰক্ষী আঘাতপ্ৰাপ্ত হোৱাৰ লগতে থানাৰ কেইবাখনো বাহন ভাঙি চুৰমাৰ কৰে। পিছত উপায়ন্তৰ হৈ আৰক্ষীয়ো প্ৰত্যুত্তৰত শূন্যলৈ গুলী চালনা কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে ।উক্ত ঘটনা সংক্ৰান্তত বগৰীবাৰী আৰক্ষীয়ে নিজাববীয়াকৈ BBR PS CASE NO-56û2024 ভাৰতীয় দণ্ড বিধি আইনৰ 147/148/149/353/307/427/333/336 IPC RW SEC-3 ৰাজহুৱা সম্প্ৰতি ক্ষতি প্ৰতিৰোধ আইনৰ ধাৰাত গোচৰ ৰুজু কৰি ৮ জনকৈ লোকক বগৰিবাৰী আৰক্ষীয়ে আজি কোকৰাঝাৰ জিলা সত্ৰ ন্যায়ালয় লৈ প্ৰেৰণ কৰে।

## ডবকাত ৰঙা লাওভৰ্তি ট্ৰাক হাইজেক কৰোঁতে দুৰ্ঘটনা

**গণ বাৰ্তা বিশেষ, ডবকা, ২৫ জুন ঃ** আজি পুৱাৰ ভাগত ডবকাৰ চাৰিলেনযুক্ত ৩৬ নংৰাষ্ট্ৰীয় ঘাইপথত চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বলপূৰ্বক ভাবে হাইজেক কৰি নিবলৈ লওঁতেই ডবকা ষ্টেটবেংক বাইপাছত দুৰ্ঘটনাগ্ৰস্ত হয় মালবাহীট্ৰাক। দুৰ্ঘটনা সংগঠিত হোৱাৰ পাছতেই গাড়ীৰ চালক আৰু হেণ্ডিমেনক এৰি থৈ ঘটনা স্থলিৰ পৰা পলায়ন কৰে ওাইজেককাৰী। দুৰ্ঘটনাত পতিত হোৱা মালবাহীট্ৰাকখনৰ নম্বৰ এএছ০১ আৰচি ১৬২৭। দুৰ্ঘটনাত পতিত হোৱা গাড়ীখন খাৰুপেটীয়াৰ পৰা আগৰতলালৈ ৰঙালাও লোড কৰি গৈ আছিল, শংকৰদেৱ নগৰৰ পৰা চিনেমাৰ ষ্টাইলত অনিল দাস নামৰ লোকজনে তেওঁৰ সহযোগী কেইজনমানে হাইজেক কৰা বুলি অভিযোগ কৰে ট্ৰাকৰ চালকৰ লগতে হেণ্ডিমেন। হাইজেক কৰি গাড়ীখন প্ৰথমে ডবকাৰ টোলগেটলৈ নিয়ে পাছত পুনৰ ওভতাই আনি ডবকা চহৰৰ ফালে আনোতেই পথৰ পৰা বাগৰি পৰি দুৰ্ঘটনাত পতিত হয়। আনহাতে খবৰ পোৱাৰ মাত্ৰকেই ঘটনা স্থলিত ডবকা আৰক্ষী উপস্থিত হয়, গাড়ীখন উঠাই আৰক্ষী থানালৈ নিয়ে আৰু ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

### ছিপাঝাৰত সৰ্প দংশনত কণমানি প্ৰিঞ্চিৰ মৃত্যুক লৈ প্ৰতিবাদ অব্যাহত

## মঙলদৈত স্বাস্থ্যমন্ত্ৰী-মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ যুৱ-ছাত্ৰ পৰিষদৰ



**ষ্টাফৰিপৰ্টাৰ, মঙলদৈ, ২৫ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰত কালি সৰ্প দংশনৰ বলি হোৱা প্ৰিঞ্চি চহৰীয়া (৯) নামৰ চতুৰ্থ শ্ৰেণীৰ এগৰাকী কণমানি ছাত্ৰী ছিপাঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কৰ্তব্যৰত চিকিৎসক নাৰ্ছৰ অৱহেলা আৰু উপযুক্ত চিকিৎসাৰ অভাৱত চকুৰ আগতে অকালতে মৃত্যুক আঁকোৱালী লোৱা মৰ্মান্তিক ঘটনাৰ প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। উক্ত হৃদয়বিদাৰক ঘটনাৰ প্ৰতিবাদত ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থা, সদৌ দৰং জিলা ছাত্ৰ সন্থা,অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ তীব্ৰ প্ৰতিবাদ অব্যাহত আছে। এই ঘটনাৰ উচিত তদন্তৰ দাবীত আজি মঙলদৈ অসামৰিক চিকিৎসালয়ৰ সন্মুখত অসমৰ স্বাস্থ্যমন্ত্ৰী তথা মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিয়ে। ইয়াৰ উপৰিও মঙলদৈ অসামৰিক চিকিৎসালয়ত আই চি ইউৰ ব্যৱস্থা উন্নত কৰাৰ লগতে শিশু আৰু প্ৰসূতি বিভাগৰ চিকিৎসকৰ উপস্থিতি নিয়মীয়া কৰিবলৈ দাবী জনায় সংগঠনটোৱে। সংগঠনটোৱে প্ৰিন্সিৰ মৃত্যুক চিকিৎসকৰ গাফিলতি বুলি অভিহিত কৰি সমগ্ৰ বিষয়টোৰ ওপৰত ন্যায়িক তদন্ত দাবী কৰে। উল্লেখ্য যে ছিপাঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সংকটজনক অৱস্থাত চিকিৎসাৰ বাবে প্ৰিঞ্চি চহৰীয়াক নিয়াৰ সময়ত চিকিৎসা কেন্দ্ৰটোত এন্টিভেনম পৰ্যাপ্ত ভাৱে মজুত থকাৰ পাছতো কৰ্তব্যৰত চিকিৎসকে প্ৰিঞ্চিক অকল টি টি ইনজেকচন দিয়েই কিয় দায়িত্ব সামৰিলে সেইকথা ছিপাঝাৰবাসীৰ বাবে এক অবুজ সাথঁৰ হৈ ৰল। সেয়েহে বিভিন্ন জাতীয়তাবাদী সংগঠন আৰু ছিপাঝাৰবাসী সচেতন ৰাইজে চিকিৎসকৰ গাফিলতিৰ উচিত তদন্তৰ দাবী জনাইছে উৰ্ধতন কৰ্তৃপক্ষক। উল্লেখ্য যে উক্ত মৰ্মান্তিক ঘটনাৰ পাছত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি খনীন্দ্ৰ ৰাজবংশীৰ নেতৃত্বত ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে কালি বিয়লি ছিপাঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি ঘটনাৰ বুজ লৈ স্বাস্থ্য কেন্দ্ৰটোত পৰ্যাপ্ত এন্টিভেনম মজুত থকা সত্বেও কিয় প্ৰিন্সিক প্ৰদান কৰা নহল তাৰ উচিত তদন্তৰ দাবী উত্থাপন কৰাৰ লগতে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায়। ইপিনে চিকিৎসক সকলক এন্টিভেনমৰ বিশেষ প্ৰশিক্ষণ প্ৰদান কৰিবলৈও সংশিষ্ট কৰ্তৃপক্ষক দাবী জনায় ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে।

**ছিপাঝাৰ সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰিঞ্চি চহৰীয়াৰ মৃত্যুৰ ন্যায়িক তদন্তৰ দাবীত আছুৰ বিক্ষোভ কাৰ্যসূচী**

**গণ বাৰ্তা, ছিপাঝাৰ ঃ** সৰ্প দংশনত চিকিৎসকৰ গাফিলতিৰ বাবে অকালতে জীৱন হেৰুৱাবলগীয়া হোৱা ছিপাঝাৰৰ ঘোৰোৱা সোনাপুৰৰ কণমানি প্ৰিঞ্চি চহৰীয়াৰ মৃত্যুৰ ন্যায়িক তদন্তৰ দাবীত আজি ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাই এক বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে। আজি ছিপাঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সন্মুখত আছুৰ প্ৰিঞ্চি চহৰীয়াৰ মৃত্যুৰ এক ন্যায়িক তদন্তৰ দাবীত গ্ৰহণ কৰা বিক্ষোভ কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক পৰাগ চহৰীয়াই প্ৰিঞ্চি চহৰীয়াৰ চিকিৎসাত গাফিলতি কৰা চিকিৎসকদ্বয়ক তৎকালীন ভাবে নিলম্বন কৰাৰ লগতে ছাত্ৰী গৰাকীৰ পৰিয়ালে উপযুক্ত সাহায্য লাভ কৰিব লাগিব বুলি দাবী কৰি কৰ্তব্যত গাফিলতি কৰা চিকিৎসকদ্বয়ক নিলম্বন কৰাৰো দাবী জনায়।

## বকলীয়াঘাটত হেৰ'ইনসহ বাহন জব্দ, আটক তিনি



**গণ বাৰ্তা বিশেষ, ডিফু, ২৫ জুন ঃ** কাৰ্বি আংলং জিলা আৰক্ষীয়ে ড্ৰাগ্‌ছ সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰখাৰ সময়তে আজি জিলাখনৰ বকলীয়াঘাটত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ হেৰ'ইন সহ এখন বিলাসী বাহন জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, এক নিৰ্ভৰযোগ্য সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত আজি জিলাখনৰ আৰক্ষীয়ে বকলীয়াঘাট থানাৰ অন্তৰ্গত ডিচ'বাইত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত তালাচী অভিযান চলায়। উক্ত অভিযানৰ সময়তে মাঞ্জাৰ দিশৰ পৰা নগাঁৱৰ দিশে আহি থকা এএছ-০২-এএম-৫২২৮ নম্বৰৰ চুইফট ডিজায়াৰ বাহনখনত তালাচী চলাই ১৩ টা চাবোনৰ বাকচত লুকুৱাই অনা অৱস্থাত ১৫৬ গ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত আৰক্ষীয়ে তিনিটা সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰীকেইটা ক্ৰমে তাফিজুল হুছেইন, নুৰ আলম হুছেইন আৰু ইক্ৰামুল হুছেইন বুলি চিনাক্ত কৰা হৈছে। ধৃত সৰবৰাহকাৰীকেইটা নগাঁও জিলাৰ ধিং আৰু বৰদোৱাৰ বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত আৰক্ষীয়ে এক গোচৰ পঞ্জীয়ন কৰি অধিক তদন্তৰ বাবে অনুসন্ধান অব্যাহত ৰাখিছে।

## কামপুৰত বানপীড়িতক সাহায্য বিতৰণ



**গণ বাৰ্তা, কামপুৰ, ২৫ জুন ঃ** স্বেচ্ছাসেৱী সংগঠন 'গুঞ্জ' আৰু স্থানীয় এনজিঅ' মিলিজুলি প্ৰগতি প্ৰতিশ্ৰুতি মঞ্চ (কামপুৰ)ৰ উদ্যোগত যোৱা ২৪ জুনত বানাক্ৰান্ত লোকৰ মাজত সাহাৰ্য বিতৰণ কৰা হয় ।উক্ত দিনা এই দুই সংগঠনৰ প্ৰচেষ্টাত ১০খন গাঁৱৰ প্ৰায় ৫০০ টা পৰিয়ালক কাপোৰ আৰু আন আৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হয়। কামপুৰ আৰু ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত দেৱনাৰিকলি,মূদৈ গাঁও,মুগাচুঙীয়া,পিপৰা, চেঙাজান,আদৰ্শ গাওঁ আদি গাঁওসমূহত প্ৰথম পৰ্যায়ৰ এই সাহাৰ্য বিতৰন কৰা হয় । সংগঠন দুটাই বানাক্ৰান্ত লোকক কাপোৰৰ লগতে দৰকাৰী অন্য সামগ্ৰীসমূহ বিতৰণ কৰে। স্বেচ্ছাসেৱী সংগঠন 'গুঞ্জ' আৰু 'মিলিজুলি প্ৰগতি প্ৰতিশ্ৰুতি মঞ্চ'ৰ সদস্যসকলে উক্ত দিনা এই বিতৰণ কাৰ্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বান সাহাৰ্য বিতৰণৰ দ্বিতীয় পৰ্যায় অতি সোনকালে আৰম্ভ হ'ব বুলি সংগঠনৰ বিষয়ববীয়াই জানিবলৈ দিয়ে।

দৈনিক গণ অধিকাৰ
মুক্ত জনতাৰ মুক্ত কণ্ঠ
গুৱাহাটী, বুধবাৰ, ২৬ জুন, ২০২৪

## কোন হ'ব লোকসভাৰ অধ্যক্ষ?

অষ্টাদশ লোকসভাৰ অধ্যক্ষ কোন হ'ব? এনডিএৰ প্ৰাৰ্থী নে 'ইণ্ডিয়া'ৰ? ইয়াকে লৈ তুমুল চৰ্চা চলি থকাৰ মাজতে বাতৰি ওলাইছে যে লোকসভাৰ অধ্যক্ষৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ বাবে উভয় মৰ্চাই ইতিমধ্যে নিজা নিজা প্ৰাৰ্থী ঘোষণা কৰিছে। কাইলৈ ইয়াৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। যদি এইটোৱেই হয়, তেন্তে স্বাধীন ভাৰতত এই ঘটনা প্ৰথমবাৰৰ বাবে ঘটিব হ'ব। ইয়াৰ পূৰ্বে লোকসভাৰ অধ্যক্ষৰ বাবে কেতিয়াও নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। বিজেপি নেতৃত্বাধীন মৰ্চা চৰকাৰৰ প্ৰাৰ্থী হ'ব পূৰ্বৰ লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মৰ্চাৰ প্ৰাৰ্থী হ'ব কুডিকুন্নিল সুৰেশ। ওম বিৰলা ৰাজস্থানৰ কোটাৰ পৰা তিনিবাৰৰ সাংসদৰ বিপৰীতে কেৰালাৰ কংগ্ৰেছৰ দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহ কৰা সাংসদ কুডিকুন্নিল সুৰেশ। এতিয়া প্ৰশ্ন হৈছে— কাৰ হাতত কিমান সংখ্যা আছে? প্ৰথমতে লোকসভাৰ অধ্যক্ষ সাধাৰণ উমৈহতীয়া সম্মতিৰে নিৰ্বাচন কৰা হয়। বৰ্তমান লোকসভাৰ ৫৪৩ সাংসদৰ আধাতকৈ বেছি ভোট লাভ কৰিব বিজেপিৰ প্ৰাৰ্থীয়ে। সংসদত ৫৪৩ৰ ভিতৰত এনডিএৰ ২৯৩ সাংসদ থকাৰ বিপৰীতে বিৰোধী মৰ্চাৰ ২৩৪ সাংসদ আছে। সংখ্যাৰ হিচাপত এনডিএৰ প্ৰাৰ্থী ওম বিৰলা দ্বিতীয়বাৰৰ বাবে লোকসভাৰ অধ্যক্ষ হ'ব। ওম বিৰলা ২০১৪ চনত প্ৰথমবাৰ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। দ্বিতীয়বাৰ সাংসদ হিচাপে নিৰ্বাচিত হৈ অহাৰ পিছত মোদী চৰকাৰত লোকসভাৰ অধ্যক্ষ নিৰ্বাচিত হৈছিল। সূত্ৰমতে এনডিএ আৰু ইণ্ডিয়াৰ বহু আলোচনাৰ অন্তত উভয়ে প্ৰাৰ্থী দিয়াৰ মন মেলিছে। কাৰণ প্ৰথা মতে লোকসভাৰ উপাধ্যক্ষৰ পদটো বিৰোধীক দিয়া হৈছিল। কিন্তু বিজেপিৰ কাৰ্যকালত এই প্ৰথা অনুযায়ী কাম হোৱা নাই। ৰাজনাথ সিঙৰ মল্লিকাৰ্জুন খৰ্গেৰ সৈতে হোৱা আলোচনাত কংগ্ৰেছে উপাধ্যক্ষৰ পদ দাবী কৰিছিল আৰু কৈছিল— যদি এনডিএই বিৰোধী দলক উপাধ্যক্ষৰ পদ দিয়ে, তেন্তে অধ্যক্ষৰ পদৰ বাবে সৰ্বসন্মতি প্ৰদান কৰিব। কিন্তু এইক্ষেত্ৰত চৰকাৰ অনিচ্ছুক যেন লাগিছে। তাৰে পৰিণতি হ'বগৈ লোকসভাৰ অধ্যক্ষ পদৰ নিৰ্বাচন।

# মৰুভূমিৰ বুকুত হেৰাই যোৱা সেই নৈখনি

**চফিকুল হক**

**ভাই** বোৱাৰী হ'লেও ফিৰোৱে আমাৰ নাম কাঢ়িয়েই থাকিল, মৰমৰ সময়লৈ। ঠিক সহপাঠী নহ'লেও দুয়ো প্ৰায় সমনীয়া আছিলোঁ। বয়সৰ ব্যৱধান বেছি নাছিল। ফিৰো মোৰ সম্পৰ্কীয় ভনীও। মাক মাহমুদা আছিল আমাৰ মাহী। মাহীৰ স্মৃতিশক্তি প্ৰখৰ আছিল। স্কুলীয়া দিনৰ অনেক কবিতা, কোৰানৰ বিভিন্ন শ্লোক, নবী প্ৰশস্তিমূলক পদ্য আদি খোকোজা নলগাকৈ এফালৰ পৰা গাই যাব পাৰিছিল। পাটীগাভঙ্ক নৌহওঁতেই ওৰবৰে লুটফুৰ ৰহমানৰ চকুত পৰিছিল। ঘৰ চকুৰ চাৱনি আৰু বয়স বৃদ্ধিয়ে ক্ৰমাৎ সিহঁতক ওচৰ চপাই আনিছিল। বাধা-বিঘিনিয়ে হাব মানিছিল। বিধিয়ে হাত বাউল দি মাতিছিল। সমাজ সমৃত হৈছিল। মাহীৰ সংসাৰ আগুৱাই গৈছিল। সুখ-দুখ, মান-অপমান, প্ৰাচুৰ্য-দাৰিদ্ৰ্য সকলোৰে সহযোগিতা আগবঢ়াইছিল। ৰবৰ্ধৰ কথিত বহি মাহীয়ে যেতিয়া মাইৰ আগত কথাবোৰ কৈ কৈ বেলাটো পাৰ কৰিছিল, কেইবাদশক আগতে আমাৰো তেতিয়া মনলৈ আহিছিল মেটাফিজিকেল যুগৰ আটাইতকৈ প্ৰতিভাবান কবি জন ডান (John Donne)ৰ কথা—

'Love all alike no season knows,
nor clime
Nor hours, days, months, which
are the rags of time.'

মুক্তিযোদ্ধা প্ৰয়াত জেহিৰুদ্দিন আহমেদ ওৰফে 'জামা দাঢ়িয়া' চাহাবৰ নাতিনী আছিল ফিৰো। জেহিৰুদ্দিন আহমেদ আছিল কুৰি শতিকাৰ বিশৰ দশকৰে কটনিয়ান। জন্ম হৈছিল অবিভক্ত দৰং জিলাৰ মুছলিমঘোপা গাঁৱত, ঊনৈশ শতিকাৰ শেষৰ দশকত। ১৯২১ চনত গান্ধীজীৰ আহ্বানত দেশজুৰি আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ সময়ত তেওঁ কটন কলেজৰ পৰা আই এ পাছ কৰি ঘৰতে বহি আছিল। আই এ পাছ কৰি বি এত নাম লগাইছিল যদিও ঘৰৰ পৰা খৰচ দিব নোৱাৰাত কলেজ এৰি দেউতাকৰ হালৰ মুঠি হাতত ল'ব লগাত পৰিছিল। ইচ্ছা কৰিলে হয়তো চৰকাৰী চাকৰি এটা যোগাৰ কৰি ল'ব পাৰিলেহেঁতেন। কিন্তু নকৰিলে। তাহাৰ মহাজন, অবিদা মোল্লা, ভোটোক সেখ আদিয়ে সাহ দিলে। স্বাধীন মন স্বাধীন হৈয়ে ৰ'ল। মাজতে কাঠৰ ব্যৱসায়ত ধৰিছিল। ব্যৱসায় সূত্ৰে কলকাতাৰ পৰা ঘূৰি আহি লগ পালে তেজপুৰ বেছেৰীয়া এম ই স্কুলৰ পৰা শিক্ষকতাৰ চাকৰি বাদ দি গাঁৱত অসহযোগ আন্দোলনৰ গুৰি ধৰোঁতা মাষ্টৰ ছিদ্দিক আলী চাহাবক। দুই বন্ধুৰ মণিকাঞ্চন সংযোগ ঘটিল। ছিদ্দিক আলিয়েও বিচাৰি আছিল, তেওঁৰ দৰে স্বাধীনমনা নিৰ্ভীক যুৱক এজন লাগে। জেহিৰুদ্দিন আহমেদক পায় তেওঁ যেন এতিয়া মনৰ মানুহটোকে বিচাৰি পালে।

ছিদ্দিক আলী আছিল একেখন গাঁৱৰে লোক, জেহিৰুদ্দিন আহমেদৰ কাণসমনীয়া। ১৮৮০ চনত জন্ম লাভ কৰা ছিদ্দিক আলীয়ে যেতিয়া মজলীয়া শিক্ষা সাং কৰি শিক্ষকতাৰে সেৱা আগবঢ়াই থকা সময়তে পাথৰিঘাট মাইনৰ স্কুলৰ পৰা পোনে পোনে যোৰহাটলৈ নৰ্মাল ট্ৰেইনিঙৰ বাবে যায়, জেহিৰুদ্দিন আহমেদ তেতিয়া গৈছিল কটন কলেজলৈ। আই এ পাছ কৰি বি এ আধৰুৱা কৰি জেহিৰুদ্দিন আহমেদে কৃষি আৰু ব্যৱসায়ত হাত দিলে, ছিদ্দিক আলী যোৰহাটৰ পৰা ঘূৰি আহি প্ৰথমে চাটগাড়ী এম ভি স্কুল আৰু পিছলৈ বৰ্তমানৰ শোণিতপুৰ জিলাৰ বেছেৰীয়া এম ভি স্কুলত প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিলে।

সেই সময়ত দৰং জিলা আজিৰ দৰে সাতভাগত বিভক্ত নাছিল, এখনেই আছিল, বৰ্তমানৰ দৰং, ওদালগুৰি, শোণিতপুৰ আৰু বিশ্বনাথ— এই চাৰিখন জিলাক সামৰি। অমিয় কুমাৰ দাস, চন্দ্ৰকান্ত দাস, লক্ষ্মীধৰ শৰ্মা, দীনেশ্বৰ শৰ্মা প্ৰমুখ্যে মুক্তিযোদ্ধা বৰণীয় ব্যক্তিসকল এইখন দৰঙৰে লোক। তেজপুৰত থাকোঁতে ছিদ্দিক আলী আহিছিল তেওঁলোকৰ সংস্পৰ্শলৈ আৰু তেওঁলোকৰ প্ৰভাৱতে গান্ধীজীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ আন্দোলনৰ দিশে ঢাপলি মেলিছিল। শ্ৰেণীকোঠাত এদিন ছাত্ৰ-ছাত্ৰীৰ সন্মুখত অসহযোগ আন্দোলনৰ বিষয়ে কৈ থকা অৱস্থাত বিলাতী বিদ্যালয় পৰিদৰ্শকৰ চকুত পৰি ককৰ্থনাৰ সন্মুখীন হয় আৰু সেইদিনাই বগা বঙালৰ তলত চাকৰি নকৰোঁ বুলি চহী দি ঘৰৰ ল'ৰা ঘৰলৈ উভতি আহে। ইতিমধ্যে পশ্চিম দৰঙৰ মঙলদৈ অঞ্চলত কুমুদৰাম বৰা, তপেশ্বৰ শৰ্মা, দীনেশ্বৰ শৰ্মা, লোকনাথ গোস্বামী আদিৰ নেতৃত্বত বিপ্লৱ কেউফালে বিয়পি পৰিছে। বিলাতী বস্ত্ৰ বৰ্জন, ধৰ্ণা, ধৰ্মঘট আৰু পিকেটিঙৰ দৰে কাৰ্যসূচীৰে বিপ্লৱবাদীসকল গাঁৱে-ভূঞে সোমাই পৰিছে। মঙলদৈত ভলণ্টিয়াৰৰ দল গঠন হৈছে। ভলণ্টিয়াৰসকলে অন্যান্য কামৰ লগতে মহিলাসকলক যঁতৰ, এৰী আৰু পাট-পলুৰ যোগান ধৰিছে। কানিৰ দোকানৰ সন্মুখত দীঘল দি পৰি পিকেটিং কৰিছে। কানিয়াসকল বাধাগ্ৰস্ত হৈছে। মুছলিমঘোপাত এই কাম কৰিছে জেহিৰুদ্দিন আহমেদ, ছিদ্দিক আলী, আব্বাছুদ্দিন আহমেদ, তাহাৰ আলী, ভোটোক সেখ, মহত সেখ আৰু অবিদা মোল্লাই। ১৯২১ চনত অষ্টম শ্ৰেণীত মঙলদৈ গৱৰ্ণমেণ্ট হাইস্কুল এৰি আহি অসহযোগ আন্দোলনত জঁপিয়াই পৰা অবিদা মোল্লাই বাটে-ঘাটে গাই ফুৰিছে—

'খোঁৱা গাড়ী টং টং লেচুৰ বাগানে,
টকা-পইচা চব গ'ল মদোৰ দোকানে।'

গান্ধীজীৰ নিৰ্দেশত গাঁৱৰ ৰাইজ মিলি সকলোবোৰ বাদ-বিবাদ আঞ্জুমানৰ জৰিয়তে গাঁৱতে মীমাংসা কৰিছে, ক'ৰ্ট-কাছাৰী বৰ্জন কৰিছে। কানিৰ সামগ্ৰী একেলগ কৰি গাঁৱৰ চাৰিআলিত জ্বলাই দিছে। গান্ধীজীক দেখা কৰিবলৈ গুৱাহাটীলৈ গৈ ছিদ্দিক আলীয়ে গান্ধীজীৰ সন্মুখতে গাৰ বিলাতী বস্ত্ৰ জুইত দলিয়াই দিছে। ছিদ্দিক আলীৰ পিছে পিছে এই কাম কৰিছে জেহিৰুদ্দিন আহমেদে। আদমচা সেখ আৰু দীঘল বুঢ়াই গাঁৱত মানুহ গোটাই ফুৰিছে ভলণ্টিয়াৰ পাৰ্টীত সুমুৱাবলৈ। এই কাম কৰি দীঘল বুঢ়াই নাম পাইছে 'ভলণ্টিয়াৰ বুঢ়া' বুলি।

ইফালে পুলিচো বৈ থকা নাই। ভলণ্টিয়াৰসকলৰ ওপৰত চোকা নজৰ ৰাখিছে। ছিদ্দিক আলী, জেহিৰুদ্দিন আহমেদ, আব্বাছুদ্দিন আহমেদ, তাহাৰ মহাজন আদিক আন্দোলনৰ নেতা বুলি চিনাক্ত কৰিছে। ছিদ্দিক আলী আৰু জেহিৰুদ্দিন আহমেদক তেজপুৰ কাৰাগাৰত নিক্ষেপ কৰিছে। তাহাৰ মহাজনক মঙলদৈ কাৰাগাৰত ভৰাইছে। আব্বাছুদ্দিন আহমেদক নিদান ফাটেক দিছে।

দুবছৰ সশ্ৰম কাৰাদণ্ড ভোগাৰ মূৰত ১৯২৬ চনত ছিদ্দিক আলী আৰু জেহিৰুদ্দিন আহমেদ জে'লৰ পৰা ওলাই আহি পুলিচৰ নজৰবন্দী হিচাপে দিন কটায়। ঘৰ অচল হোৱাত ককায়েকে ছিদ্দিক আলীক পুনৰ চাকৰিলৈ ঘূৰি যোৱাৰ কথা কৈছে, কিন্তু তেওঁ নগ'ল। বন্ধু জেহিৰুদ্দিনক লগত লৈ মঙলদৈত কিতাপৰ ব্যৱসায় কৰাৰ কথাহে আলচ কৰিলে। দুই বন্ধু সন্মত হ'ল— ব্ৰিটিছৰ গোলামী কৰাতকৈ স্বাধীন ব্যৱসায় কৰাই ভাল। লগে লগে আৰম্ভ হ'ল মঙলদৈৰ প্ৰথমখন কিতাপৰ দোকান 'স্বদেশী'। দিন যোৱাত চাহিদা অনুসৰি দোকানখনত অন্যান্য কিছু লাগতিয়াল সামগ্ৰী ভৰাই নাম দিলে 'জেহিৰুদ্দিন-ছিদ্দিক আলী এণ্ড চন্স'। মানুহৰ মুখ বাগৰি আলি গুচি ৰ'লগৈ জেহিৰুদ্দিন-ছিদ্দিক। দুজন মানুহ এজন হৈ পৰিল। জেহিৰুদ্দিন-ছিদ্দিক বুলি গাঁৱে-চহৰে বিখ্যাত হ'ল। আনকি আমিও বহু পলমকৈহে জানিছিলোঁ জেহিৰুদ্দিন-ছিদ্দিক বুলি কোনো লোক নাই, আছে মাথোঁ জেহিৰুদ্দিন আহমেদ আৰু ছিদ্দিক আলীহে। এইজনা জেহিৰুদ্দিন আহমেদৰে নাতিনী আছিল ফিৰোজা বেগম, আমাৰ আদৰৰ ফিৰো।

ফিৰোৰ মামা-ককাকো আছিল ব্ৰিটিছ ভাৰতৰে এজন নাম কৰা শিক্ষক। নেচাৰ আলী আহমেদ ওৰফে 'ঝালাদিয়া পণ্ডিত'। স্কুল খতি কৰা, শ্ৰেণীত মন নিদিয়া, জোকা-জুকি কৰি ভাল পোৱা ছ'লিৰ চকুত জলা ভাঙি দি শাস্তি বিহিছিল বাবে ঝালাদিয়া পণ্ডিত নাম পাইছিল। ঢুকোৱাৰ প্ৰায় তিনি কুৰি বছৰ পিছতো গাঁওখনত তেওঁ আজিও সেই নামেৰেই পৰিচিত। ১৯০১ চনত জন্মলাভ কৰা নেচাৰ আলীয়ে তেওঁৰ জন্মৰ চন, তাৰিখ, বিবাহ আদি এইদৰে লিপিবদ্ধ কৰি ৰাখিছে পদ্যত—

'ঊনিশ এক চনৰ নিশা শুক্ৰবাৰ।
মাঘৰ বাৰ দিনত লওঁ জন্ম ভাৰ।।
লিখা-পঢ়া লভিলোঁ মই উচ্চ স্কুলত।
জীৱিকাৰ পথ ল'লোঁ শিক্ষক পদত।।
ঊনিশ পঁচিশ চনে ফাল্গুন তিৰিচ।
শুভ বিয়া শেষ হয় নাই উচনিচ্।।
সংসাৰ সংগিনী মোৰ নাম আচুৰা।
সুবংশ জন্মধাৰী বাপেক গাঁওবুঢ়া।।
সহোদৰ ভায়েক মৌলৱী ইছলাম।
মিছৰী উপাধি আছে সানোৱা মোকাম।।
ভাৰত বিয়পাই তেওঁ ৰাখিলে খিয়াতি।
স্ব-গুণে ইছলামৰ বঢ়ালে জেউতি।।'

দেশ স্বাধীন হোৱাৰ সময়তে ইজিপ্তৰ আল-আজহাৰ বিশ্ববিদ্যালয়ৰ পৰা 'ভাৰতবৰ্ষত ইছলাম প্ৰচাৰ' (Introduction and Development of Islam in India) শীৰ্ষক গৱেষণা পত্ৰেৰে সুনাম কঢ়িয়াই অনা কোৰান বিশেষজ্ঞ পণ্ডিত ইছলামুদ্দিন আহমেদৰ ভনীয়েকক তেওঁ বিয়া কৰাইছিল। বৰগিৰি আহমেদৰ দৰেই আছিল তেওঁ এক কথাৰ লোক। হাত-লৰ, পাত-লৰ কোনো লোকেই তেওঁৰ ওচৰত ঠাই নাপাইছিল। তেওঁৰ নিজৰ ভাষাত—

'সেনাপতি নাই কোনো মোৰ ওপৰত।
খাটিব নেযাওঁ মই কাৰো ওচৰত।।
নেৰিম ক'বলৈ মই উচিত সদায়।
চাৰি দিম মিথ্যাবাদী মিত্ৰ সমুদায়।।
ৰজিতা নেখাওঁ মই পন্থী প্ৰতিকূল।
আলিঙ্গন দিম সদা জাত অনুকূল।।'

স্বভাৱকবি নেচাৰ আলী আছিল ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি গঠিত অবিভক্ত দৰং জিলাৰে বাসিন্দা। স্বাধীনতাৰ পৰৱৰ্তী দুটা দশক পৰ্যন্ত জ্বলি আছিল তেওঁৰ জীৱন বন্তি। সেয়ে তেওঁ প্ৰত্যক্ষ কৰিব পাৰিছিল গঠন প্ৰণালী আৰু চাৰিসীমাৰ লগতে জিলাখনৰ প্ৰধান ঠাই, অফিচ-কাছাৰী, উৎপাদিত শস্য, জনগাঁথনি আদি সকলো। স্কুলত ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ সেইবোৰ তেওঁ এফালৰ পৰা লিখি গৈছিল কবিতাৰ ৰূপত। চাৰিকুৰি স্তৱকৰ 'দৰং' নামৰ সেই কবিতাটিত তেওঁ তদানীন্তন দৰং জিলাৰ আকৃতি, প্ৰকৃতি, সীমা, মহকুমা, পাহাৰ, টিলা, থানা, চাৰ্কোল, নৈ, উপনৈ, উৎপাদিত দ্ৰব্য, আলিবাট, ৰে'লবাট, বিমানপথ, বিমানঘাট, জাহাজঘাট, জংচন, ষ্টেচন, মাটিকালি, লোকসংখ্যা একো এৰা নাই। ছন্দ মিলাই কৈ গৈছে এটি এটিকৈ। আৰম্ভও কৰিছে এইদৰে—

'কৰট আকৃতিৰ দৰং এনেনো ধুনীয়া।
উত্তৰৰ পৰা দক্ষিণলৈ ক্ৰমে এঢলীয়া।।
উত্তৰে টোৱাং অকা ডফলা পৰ্বত শাৰি।
দক্ষিণ ফালে ব্ৰহ্মপুত্ৰ নদী আছে জুৰি।।
পূব পিনে বেঁকা-বেঁকী আছে মুৰী নৈ।
পশ্চিমফালে থিয় গৰা আছে বৰ নৈ।।
উত্তৰ-পূব জুৰি আছে কলাইগাঁও।
মেপ চালে মঙলদৈ দক্ষিণত পাওঁ।।
মাজভাগত তেজপুৰ বিহালী পূবত।
চাৰিটা চাৰ্কোল হ'ল দৰং বুকত।।'

ঠিক তেনেদৰেই আগবাঢ়ি গৈছে নেচাৰ আলীৰ বৰ্ণনাত সেই সময়ৰ দৰং জিলা। শেষত কিছু বিৰতিৰ অন্তত সমগ্ৰ ভূমণ্ডলৰ উল্লেখেৰে কবিতাটি সামৰিছে এইদৰে—

'গোলাকাৰ ভূমণ্ডল স্ৰজোতা এজন।
তেওঁ বিনে কাৰিকৰ নাই কোনোজন।।
জল মধ্যে স্থল দিলে স্থল মধ্যে জল।
ভাবি চোৱা সিজনৰ কিমান কৌশল।।
স্থল দিলে খণ্ড খণ্ড জল একাকাৰ।
মানৱে নাম দিলে তাক চিনিবৰ।।'

কথাবোৰ মনলৈ আহিছে ফিৰোৰ একমাত্ৰ ল'ৰাটোৱে এইবাৰ মেধাৰ ভিত্তিত শিলচৰ এন আই টিত নাম লগাবলৈ সক্ষম হোৱা বাবে। ঘৰত থকা ছোৱালীজনীও বৰ চোকা। চোকা গোষ্ঠীৰ সন্তান সিহঁত। সেয়ে চৰম দৰিদ্ৰতাকো নেওচি সিহঁত আগুৱাই গৈছে, পঢ়া-শুনাত নাম ৰাখিছে।

ফিৰোৰ দেউতাক প্ৰয়াত লুটফুৰ ৰহমানো আছিল সুশিক্ষিত ডেকা ভদ্ৰ লোক। নেচাৰ আলী চাহাবে এই কথা জানিছিল। সেয়ে চাৰে তিনিকুৰি বছৰ পূৰ্বে আহাৰ মাহৰ কোনো এটা দুপৰীয়া আগদিনা পথাৰত আধৰুৱাকৈ থৈ অহা ডুবলিটোত কঠীয়া দুই মুঠা গুঁজি দিবলৈ পিছদিনা পুৱা চেনেহৰ জীক বিচাৰ কৰি গম পালে যে মাহমুদাই ইতিমধ্যে পছন্দ মতে সংসাৰ তৰিছেগৈ, মুখেৰে একো নামাতি তেওঁ কেৱল ভিতৰি খাটিলে, 'দয়াময়, সিহঁতৰ মংগল হওক।' নেচাৰ আলীৰ প্ৰাৰ্থনা হয়তো মঞ্জুৰ হৈছিল। কপালে মাহমুদা-লুটফুৰক বহু ওপৰলৈ লৈ গ'ল। লুটফুৰ চাহাব এতিয়া সমবায় বিভাগৰ কৰ্মচাৰী। ঘৰ ৰমৰমীয়া। ধানে-ধনে জাতিষ্কাৰ। কিন্তু বিধিৰ বিপাক। লুটফুৰ ৰহমানে চাকৰিটো আধাতে হেৰুৱাবলগীয়া হ'ল। ঘৰখনলৈ ক'লা মেঘ আকৌ নামি আহিল। চাৰিওফালে অভাৱে আগুৰি ধৰিলে। ফিৰোহঁতে সময়মতে খাব-পিন্ধিব নোপোৱা হ'ল।

দিন বাগৰিল। কপালত আছিল, ফিৰোৰ সংসাৰ তবিৰ লগতে হ'ল। মন মিলাত দুয়ো ঘৰ এৰি মঙলদৈ চহৰত আশ্ৰয় ল'লেগৈ। ঘৰ দুখনৰ পৰা দুয়ো এলাগী হ'ল। কিন্তু সংসাৰৰ গতি নাথামিল। আৰম্ভ হ'ল অবিৰত সংগ্ৰাম আৰু শ্ৰম। ভাত-কাপোৰৰ চিন্তাই সিহঁতৰ এতিয়া একমাত্ৰ চিন্তা। ফিৰোৱে ঘৰ ৰখে, তবি ওলাই যায়। আক অলপ সহায় কৰি, তাৰ এখন পাচনি কৰি যিখিনি পাই সেইখিনিৰে তবি সন্ধ্যা ওভতে। ৰাতিৰ সাজটো সেইদৰে চলে।

ফিৰোৰ সংসাৰ লাহে লাহে বাঢ়িল। প্ৰথমজনী ছোৱালী ডাঙৰ হৈ আহিছে। তাইক উলিয়াই দিব লাগিব। দ্বিতীয়জনী স্কুললৈ যায়। নুমলীয়া পুত্ৰই ঘৰতে হাত ঘূৰাই। তবিৰ তৰণি নোহোৱা হ'ল।

তবি মোৰ বংশীয় ভাই। সৎ, পৰিশ্ৰমী আৰু বুধিয়ক। বাপেক হয়বত মুন্সী, আমাৰ বৰদেউতা, ফাৰ্ছী ভাষাৰ পণ্ডিত। মক্তব-মছজিদ চলাই নটিকৈ সন্তান কোনো ৰকম ডাঙৰ কৰি আছে। কিন্তু নিয়তিয়ে তেওঁক সোনকালে লৈ গ'ল। তবিয়ে স্কুল এৰি এখন ৰিক্সাত হাত দিলে। তবি বৰ সৰবৰহী। সকলোৱে তাক ভাল পায়। ছিপাঝাৰ ডায়েমণ্ড ক্লাব সামূহিক কেন্দ্ৰৰ সেই সময়ৰ প্ৰশাসনিক বিষয়া নাট্যপ্ৰদীপ ৰজনীকান্ত নাথ আৰু সাধাৰণ সম্পাদক ননী কুমাৰ শইকীয়ায়ো সহায়ৰ হাত আগবঢ়ালে। ননী শইকীয়াই মাতি নি তাক ৰিক্সা আঁতৰাই অ'টোভান দিয়াৰ কথা ক'লে। ৰজনীকান্ত নাথ জামিনদাৰ হ'বলৈ আগবাঢ়ি আহিল। তবি এতিয়া ৰিক্সাচালক গুচি অ'টোচালক হ'ল। ঠিক এইখিনি সময়তে তাৰ জীৱনলৈ আহে ফিৰো। সমাজে পিছে তাক ভ্ৰূকুটিহে কৰিবলৈ ধৰিলে। সি অ'টোও হেৰুৱালে, ঘৰো হেৰুৱালে।

ফিৰোই কপালত লিখি লৈ আহিছিল, দুটিকৈ মেধাৰী সন্তান দান কৰি তাই তবিক সোনকালে এৰি গুচি যাব। কোৰবানীৰ ঈদৰ আগদিনা ফিৰোৰ জানাজালৈ গৈ আমি তবিৰ মুখৰ ফালে এবাৰো চাব পৰা নাছিলোঁ। বুকুখন ভিতৰত দেই পুৰি গৈছিল। কিনো হ'ল তাৰ! কি কৰা নাছিল সি! প্ৰথমে ৰিক্সা, তাৰ পিছত অ'টো, তাৰ পিছত ফিৰো, তাৰ পিছত মঙলদৈ। এতিয়া সি চহৰৰ চিৰপৰিচিত গেছ মেকানিক, এখন দৈনিক কাকতৰ সাংবাদিক আৰু তাৰ ফিৰোবিহীন জীৱন!

তবিৰ ভৱিষ্যতে কি হ'ব, সেয়া সময়ে ক'ব। আমি আশাবাদী, মুক্তিযোদ্ধা জেহিৰুদ্দিন আহমেদ আৰু স্বভাৱকবি নেচাৰ আলী আহমেদ ওৰফে ঝালাদিয়া পণ্ডিতৰ পৰিনাতি তবিৰ নয়নৰ মণি ফাৰদিন আজিজ এদিন ইঞ্জিনীয়াৰ হ'ব। মানুহ হৈ ওলাই আহিব। ফিৰোৱে জীৱনত সুখৰ মুখ নেদেখিলে, দুখে দুখেই গ'ল তাইৰ ওৰেতো জীৱন। এসাঁজ ভালকৈ নাখালে, এযোৰ ভালকৈ নিপিন্ধিলে, কাৰো চোতালত এদিন ভৰি নিদিলে। ভাৰাঘৰৰূপী জুপুৰী এটিলৈ গৈ তাৰ পৰাই তাই অকালতে মেলানি মাগিলে। মঙলদৈ চহৰত পুতেকৰ হতুৱাই এডাখৰ মাটি কৰি ঘৰ এটি সাজিব, এসাঁজ ভালকৈ খাব, লোককো খুৱাব— সপোনবোৰ সপোন হৈয়েই ৰ'ল। ফাৰদিনে নিশ্চয় কথাবোৰ নাপাহৰিব, ফিৰোৰ সপোনপুৰীত তবিক ৰাখি সি এদিন মানুহ হিচাপে পৰিচয় দিব, বায়েক দুজনীৰ খবৰ সদায়ে ৰাখিব। আমাৰো মনত ফিৰো ৰৈ যাব, ঠিক মৰুভূমিৰ বুকুত বাট হেৰুওৱা কবিগুৰুৰ সেই নৈখনিৰ দৰে 'যে নদী মৰুপথে হাৰালো ধাৰা...।'

*ফোন: ৭০০২৩-৩২২৭১*

# যুৱপ্ৰজন্মই আত্মসন্তুষ্ট হ'বলৈ শিকক

**ভাস্কৰজ্যোতি কুটুম**

**আত্মসন্তুষ্টি** পাবলৈ আমি প্ৰথমতে ত্যাগ কৰিব লাগিব। ত্যাগ কৰাৰ গুণ মানুহৰ এটা ভাল অভ্যাস। ত্যাগ কৰিলেহে সফলতা আহে। আমি ছাত্ৰ-ছাত্ৰীৰ কথাকে ক'ব বিচাৰোঁ। যিজন ছাত্ৰ অধ্যয়নৰত সময়ত অন্য বদঅভ্যাসসমূহ ত্যাগ কৰিব পাৰে তেওঁ নিশ্চিতভাৱে সফলতা অৰ্জন কৰিব পাৰে। কিয়নো এজন ছাত্ৰৰ পঢ়াৰ বাহিৰে বিশেষ বাহিৰা চিন্তাত গুৰুত্ব দিয়াৰ প্ৰয়োজন নাথাকে। সেয়ে তেওঁ নিজৰ পাঠ্যপুথিৰ লগত জড়িত হ'ব লাগে। কিন্তু আজিৰ যুৱপ্ৰজন্মৰ হাতত মোবাইল ফোন আহি যোৱাৰ পৰা সৰ্বাধিক ছাত্ৰ-ছাত্ৰীয়ে মোবাইল বা অন্য ডিজিটেল মাধ্যমত আকৰ্ষিত হোৱা দেখিবলৈ পাওঁ। তদুপৰি আমি মানুহ হিচাপে আমাৰ কল্পনা কৰিব পৰা শক্তি আছে। যদিহে এজন মানুহে কল্পনাৰ লগে লগে কল্পনা কৰা কামৰ প্ৰতি চেষ্টা কৰে নিশ্চিতভাৱে সফলতা অৰ্জন কৰিব পাৰে। আমি নিদিষ্ট স্থানত নিজকে সফলতা আনিবলৈ হ'লে কিছুমান বস্তু ত্যাগ কৰাটো অত্যন্ত প্ৰয়োজনীয়। যদি ভগৱান বিষ্ণু ৰাম অৱতাৰত ৰাজ সিংহাসন কৰি বাৰ বছৰ বনবাস নোযোৱা হ'লে কেৱল এজন অযোধ্যাৰ ৰজা হিচাপে সমাজত পৰিচিত হ'লহেতেন। কিন্তু কৈকেয়ীৰ কথামতে বনবাস কটা এসময়ৰ যুৱৰাজ ৰাম ভগৱান শ্ৰীৰামচন্দ্ৰ হিচাপে সমগ্ৰ সংসাৰত পৰিচিত হ'ল। ঠিক তেনেদৰে আধুনিক ভাৰততো এনেকুৱা এজন ব্যক্তিক আমি সফল ব্যক্তি বুলি ক'ব পাৰোঁ। তেওঁ অন্য কোনো নহয়। তেওঁ হৈছে সকলোৰে পৰিচিত নাম ৰতন টাটা। প্ৰতিষ্ঠিত মানৱদৰদী ব্যৱসায়ী ৰতন টাটাক ফৰ্ট কোম্পানীৰ মালিকে অপমান কৰাৰ পিছতো একো উত্তৰ নিদি তেওঁ মনে মনে নিজ দেশলৈ উভতি আহে। এইজনা ৰতন টাটাই তেওঁক অপমান কৰা কোম্পানীটোকে ক্ৰয় কৰে। যিহেতু তেওঁ সেই সময়ত ক্ৰোধ, অপমান ত্যাগ কৰি টাটা কোম্পানীক কেনেদৰে প্ৰতিষ্ঠা কৰিব পাৰি, ইয়াৰ ওপৰত অধিক গুৰুত্ব দিছিল। সেয়ে আজিৰ যুৱপ্ৰজন্মই তেওঁক আদৰ্শ হিচাপে গ্ৰহণ কৰি নিজৰ নিদিষ্ট লক্ষ্যত উপনীত হ'বলৈ কিছুমান বাস্তৱ বাদী বস্তুবোৰ ত্যাগ কৰিব লাগিব। ত্যাগ কৰিবলৈ হ'লে আত্মসন্তুষ্টি হোৱাটো অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। বৰ্তমান বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰগতিৰ সময়ত সকলো সহজ হৈ পৰিছে। যিবোৰে মানুহ সু-প্ৰভাৱৰ লগতে কু-প্ৰভাৱ পেলোৱাটো নিশ্চিত। কিন্তু আমি ইয়াৰ পৰা সু-প্ৰভাৱবোৰত প্ৰভাৱান্বিত হ'ব লাগে। সু-প্ৰভাৱবোৰত প্ৰভাৱান্বিত হ'বলৈ হ'লে লাস-বিলাস, লোভ-মোহ আদি ত্যাগ কৰি আত্মসন্তুষ্টি হ'বলৈ শিকিব লাগিব। বৰ্তমান কালৰ লগত সংগতি ৰাখি জীৱন যাপন কৰি যিমান পাইছোঁ তাতে সন্তুষ্ট থাকিব পাৰিলেহে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিম। এজন ছাত্ৰই পঢ়াৰ সময়ত নিজৰ পাঠ্যপুথিৰ বাহিৰে অন্য মনস্থ হ'ব নালাগিব। তেওঁৰ বাবে কিতাপতকৈ ডাঙৰ বন্ধু কোনো হ'ব নোৱাৰিব। তেওঁ ছাত্ৰাৱস্থাত ভাল ফলাফল পাবলৈ যিকোনো প্ৰত্যাহ্বানত সন্মুখীন হৈ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। তেওঁ ভাল ফলাফল পাবলৈ হ'লে ঠাণ্ডা, গৰম সকলোতে নিয়মিতভাৱে নিজৰ পাঠ্যপুথিত মনোনিবেশ কৰিব লাগিব। তদুপৰি আজিৰ যুৱপ্ৰজন্মৰ বাবে সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বান হৈছে সামাজিক মাধ্যম আৰু বাস্তৱবাদী। সেইবোৰ ত্যাগ কৰিব পাৰিলে এজন ছাত্ৰই ভৱিষ্যৎ দিনত এজন আদৰ্শ পুৰুষ হিচাপে সমাজ পৰিচিত হ'ব পাৰিব বুলি দৃঢ় বিশ্বাস। সেয়ে বৰ্তমানৰ যুৱপ্ৰজন্ম আত্মসন্তুষ্টি হ'বলৈ শিকাটো অত্যন্ত প্ৰয়োজনীয় বোধ কৰোঁ। যিহেতু আজিৰ যুৱপ্ৰজন্মৰ দেশৰ ভৱিষ্যত। যদিহে দেশখনক আমি সৰ্বাংগ উন্নয়ন কৰিবলৈ হ'লে সকলো দিশতে সংযম, নম্ৰতা, ভদ্ৰতা, শ্ৰদ্ধাভাজন হ'ব পাৰিব লাগিব। এইসকলোবোৰ জ্ঞান এজন যুৱপ্ৰজন্মৰ মাজত থকাটো অতি আৱশ্যক। যদি জ্ঞানসমূহ আহৰণ কৰিবলৈ ত্যাগ আত্মসন্তুষ্টি হোৱাটো গুৰুত্বপূৰ্ণ।

*ফোন: ৬০০৫০-১২৫৮১*

# সাংবাদিকৰ কথা কোনে ভাবে

**জাহাঙ্গীৰ আলম**

*আপোনাৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰে শিক্ষিত কৰি সংবাদ জগতত অন্তৰ্ভুক্ত কৰিবলৈ সৎ সাহস আপোনাৰ আছেনে? মই ভাবো নাই। সমালোচনা কৰাই একাংশৰ মূল কাম। সাংবাদিকৰ ল'ৰা-ছোৱালী এটা ভাল বিদ্যালয়ত পঢ়াবলৈ ইচ্ছা হয়, কিন্তু নোৱাৰে। সকলোৱে চৰকাৰী সুবিধা পালেও কিন্তু সাংবাদিকে নাপায়। কাৰণ তেওঁ সাংবাদিক, সেইবাবে। কিন্তু সাংবাদিকসকল যে মানুহ সেই কথা কোনেও নাভাবে। আমাৰো পৰিয়াল আছে। আমিও আমাৰ পৰিয়ালক অলপ সময় দিব বিচাৰোঁ, কিন্তু নোৱাৰোঁ।*

**এফালে** স্ক্ৰীপ্ট লিখা আৰাম্ভ, আনফালে একাংশৰ ফোন কল, ইফালে সময় অতিক্ৰম হৈ গ'লে বাতৰিয়ে স্থান নোপোৱাৰ সম্ভাৱনা তীব্ৰ। আনফালে ঘৰৰ ল'ৰা-ছোৱালী, মা-দেউতা-সহধৰ্মিণীতো আছেই। সকলো বাদ দি বাতৰিটো লিখিবলৈ ব্যস্ত হ'ব লগা হয়; কাৰণ সময়মতে বাতৰিটো কৰ্তৃপক্ষলৈ পঠাব নোৱাৰিলে প্ৰকাশ নাপাব পাৰে, যাৰ বাবে কাইলৈ বাতৰিটো সম্প্ৰচাৰ নহ'লে ৰাইজৰ ওচৰত জবাবদিহি হ'বলগীয়া হ'ব পাৰে। এইখিনি ভাবি-চিন্তি লিখি থাকোঁতে তাৰ মাজতে ফোনটো বাজি উঠিল— দাদা, আমাৰ ফালে... ঘটনা সংঘটিত হ'ল। লগে লগে কেমেৰা, কলম, কাগজ আৰু মোবাইলটোকে সাৰথি হিচাপে লৈ দৌৰিব লগা হ'ল। ইফালে কামখিনি আধৰুৱা হৈ ৰ'ল। দৌৰি গৈ আকৌ সেই বাতৰিটোও সংগ্ৰহ কৰিলোঁ। তেনে পৰিস্থিতিত বহু সাংবাদিক আছে, খবৰ সংগ্ৰহ কৰিবলৈ নগৈ নিজেই এক খবৰ হৈ পৰে। পিছত হয়তো খৰখেদাকৈ নাকে-মুখে কেইটামান গুঁজি পুনৰ স্ক্ৰীপ্ট লিখা লৈ ব্যস্ত হ'বলগীয়া হয়। তেনে সময়ত যদি সংগ্ৰহ কৰা বাতৰিটো কৰ্তৃপক্ষলৈ পঠাওঁতে অলপ পলম আৰু সেই বাতৰি যদি আনটো চেনেলত প্ৰকাশ পায়, তেতিয়াও আকৌ কৰ্তৃপক্ষৰ ফোন অমুক নিউজটো আমাক লাগে। ইমান কষ্টৰ পিছত পকেটত ফুটা কৰি আহিবও পাৰে, নাহিবও পাৰে। কিন্তু ইমানৰ পিছতো যিসকলে আমাক চোকা সমালোচনা কৰে, তেখেতে এবাৰ ভাবি চোৱা উচিত যে যেতিয়া আপোনালোকে নিজৰ মৰমৰ মা-দেউতা, সন্তান-স্ত্ৰীৰ সৈতে মিলি একে টেবুলতে খাবলৈ বহে তেতিয়া এজন দায়িত্বশীল ব্যক্তি। সাংবাদিক দিনত ঘটি যোৱা ঘটনাসমূহৰ বিৱৰণ লিখিবলৈ বহে, আৰু পুৱা উঠি আপোনাৰ চাহকাপৰ সৈতে কালি সংঘটিত সকলো খবৰ মাত্ৰ কেইটকামানৰ বিনিময়ত পাব পাৰে। নিশা আপুনি খাই-বৈ পৰিয়ালৰ লগত এক সুন্দৰ টোপনি আহে, কিন্তু এজন সাংবাদিকে তেতিয়া স্ক্ৰীপ্ট লিখাত ব্যস্ত থাকে। আপুনি যেতিয়া টোপনি আহে তেতিয়া এজন সাংবাদিকে হয়তো পৰিয়ালৰ সকলোকে এৰি কোনো দুৰ্গম ঠাইত বাতৰি সংগ্ৰহ কৰিবলৈ যায়। আপুনি পুৱাতে টিভিটো অন কৰি চাহ একাপ লৈ যেতিয়া বাতৰিবোৰ চায় যে অমুক ঠাইত গুলীবৰ্ষণ হ'ল আপুনি চাই বহু কথাই অনুভৱ কৰে, কিন্তু এবাৰ আপোনাৰ হৃদয়ে কয়নে যে ইমান ৰাতি আন্ধাৰৰ মাজত নিজকে পাহৰি কোনে এই সংবাদটো সংগ্ৰহ কৰিলে? নিশ্চয় নাভাবে। আপুনি ভাবেনে আমি যেতিয়া কিবা দুৰ্গম ঠাইত কোনো বাতৰি সংগ্ৰহ কৰিবলৈ যাওঁ তেতিয়া আমাৰ লগত কোনো সুৰক্ষা কৰ্মী বা নিজকে সুৰক্ষিত কৰিব পৰা কোনো অস্ত্ৰ বা কোনো সুবিধা দিয়া নাথাকে, নিশ্চয় নাভাবে। আপুনি ভাবেনে আপোনাৰ সন্তানে যেতিয়া পৰীক্ষাত ভাল ফলাফল লাভ কৰে তেতিয়া সেই খবৰটো তৎক্ষণাত বিয়পাই দিয়া ব্যক্তিজন কোন? নাভাবে আপুনি। আপুনি ভাবেনে যেতিয়া বানত কোনো অঞ্চলৰ মানুহ কক্‌বকাই থাকে তেতিয়া স্থানীয় প্ৰশাসন বা কোনো জনপ্ৰতিনিধিৰ দৃষ্টিগোচৰ কাৰ জৰিয়তে হয় নিশ্চয় নাভাবে। এনে আৰু বহু প্ৰশ্ন মোৰ আছে, যাৰ উত্তৰ আপোনাৰ বা সমালোচকৰ হাতত নাই। কিন্তু তাৰ পিছতো আমাক কিয় সমালোচনা কৰা হয়? আপোনালোকে অন্ততঃ এবাৰ হৃদয়ৰ পৰা চিন্তা কৰি চাওক যে দেশ এখন আগুৱাই যাবলৈ হ'লে সত্যনিষ্ঠ সংবাদ মাধ্যমৰ কিমান প্ৰয়োজন আছে। গোটেই দিন তেনে দুৰ্গম ঠাইৰ বাতৰি সংগ্ৰহ কৰি তাৰ পিছত প্ৰতিটো ঘটনাৰ বিৱৰণী অতি নিখুঁত আৰু চিন্তা কৰি লিখিব লাগে। বিভিন্ন সময়ত সঁচা বাতৰি প্ৰকাশ কৰিও নানা ভাবুকিৰ সন্মুখীন হ'বলগীয়া হয়। সাংবাদিকসকল ইমান কষ্ট কৰাৰ পিছতো কোনো চৰকাৰী সা-সুবিধা নাপায়। যেতিয়া কোনো কাৰণত চৰকাৰী বস্তু গাঁৱত বিতৰণ কৰিবলৈ দিয়ে তেতিয়া আপুনি চাইছেনে যে কোনো এজন সাংবাদিকক এটা টোপোলা দিছে বুলি? কেতিয়াও নিদিয়ে; কাৰণ তেওঁ সাংবাদিক। সাংবাদিক কি দুখীয়া নাই নেকি? সাংবাদিকৰ পেট আৰু পৰিয়াল নাইনে? আপোনাৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰে শিক্ষিত কৰি সংবাদ জগতত অন্তৰ্ভুক্ত কৰিবলৈ সৎ সাহস আপোনাৰ আছেনে? মই ভাবো নাই। সমালোচনা কৰাই একাংশৰ মূল কাম। সাংবাদিকৰ ল'ৰা-ছোৱালী এটা ভাল বিদ্যালয়ত পঢ়াবলৈ ইচ্ছা হয়, কিন্তু নোৱাৰে। সকলোৱে চৰকাৰী সুবিধা পালেও কিন্তু সাংবাদিকে নাপায়। কাৰণ তেওঁ সাংবাদিক সেইবাবে। কিন্তু সাংবাদিকসকল যে মানুহ সেই কথা কোনেও নাভাবে। আমাৰো পৰিয়াল আছে। আমিও আমাৰ পৰিয়ালক অলপ সময় দিব বিচাৰোঁ, কিন্তু নোৱাৰোঁ। গতিকে আপোনালোকে সাংবাদিকক গঠনমূলক দৃষ্টিভংগীৰে চাওক, উৎসাহ দিয়ক, দেশ আৰু আগুৱাই যাব। দেশ আগুৱাই নিবলৈ হ'লে সংবাদ মাধ্যমৰ প্ৰয়োজন আছে। সাংবাদিকৰ দুখ নাই, মায়া নাই, ক্ষোভ নাই, হিংসা নাই, কিন্তু চিন্তা আছে। কাৰণ দেশ এখন আগুৱাই নিয়াৰ ক্ষেত্ৰত সাংবাদিকৰ ভূমিকা যথেষ্ট আছে। সংবাদ সংগ্ৰহ কৰা কোনো এজন সংবাদকৰ্মীক কোনো সংবাদ প্ৰতিষ্ঠানে উপযুক্ত মাননি নিদিয়ে। তাৰ পিছতো বেলেগৰ কথা বাদেই, অন্ততঃ মই কাম কৰোঁ এটাই কাৰণত মোৰ দেশ সেৱাৰ প্ৰবল ইচ্ছা আছিল। কিন্তু যিদৰে কৰাৰ ইচ্ছা আছিল নোৱাৰিলোঁ। সেইবাবে নিৰপেক্ষ সংবাদসেৱাৰ জৰিয়তে হ'লেও অন্ততঃ দেশৰ হকে দহৰ হকে দুটা শাৰী লিখিব পাৰিম বুলিয়েই কৰি আছোঁ। সাংবাদিকতা পেছা নহয়, নিচাহে।

*ফোন: ৭০০২৪-২৬৪৬৯*

# দক্ষিণ কোৰিয়াত বিমান উৰণত বিজুতি ঃ কে ই ১৮৯ বিমান উৰণত বিলম্ব, জৰুৰী অৱতৰণ



**ৰোম, ২৫ জুন ঃ** দক্ষিণ কোৰিয়াৰ পৰা টাইৱানলৈ যোৱা বোয়িঙৰ বিমান কে ই১৮৯ উৰণৰ অলপ পিছতে হঠাতে ২৬,৯০০ ফুটলৈ নামি আহে। ইয়াৰ পিছতে যাত্ৰীসকলৰ মাজত এক প্ৰকাৰ হুৰাদুৰা লাগে। উপায়ন্তৰ হৈ বিমানখন জৰুৰী অৱতৰণ কৰিব লগা হয়। এই সময়ছোৱাত বহুতো যাত্ৰীয়ে উশাহ লোৱাত অসুবিধা পায় আৰু কাণত বিষ অনুভৱ কৰে। ইয়াৰ পিছত বিমানখনৰ কৰ্মচাৰীসকলে যাত্ৰীসকলক অক্সিজেন মাস্ক পিন্ধিবলৈ পৰামৰ্শ দিয়ে। ব্ৰিটেইনৰ মিডিয়া হাউচ ইণ্ডিপেণ্ডেণ্টৰ প্ৰতিবেদন অনুসৰি বিমানখনে শনিবাৰে স্থানীয় সময় অনুসৰি আবেলি ৪:৪৫ বজাত দক্ষিণ কোৰিয়াৰ ইনচিয়ন আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা উৰা মাৰে। উৰণৰ ৫০ মিনিট পিছত বিমানখনত এটা কাৰিকৰী সমস্যাৰ সৃষ্টি হয়। ইয়াৰ ফলত বিমানখন ১৫ মিনিটত ২৬,৯০০ ফুটলৈ নামি আহে। উল্লেখ্য যে উক্ত সময়ত বিমানখন দক্ষিণ কোৰিয়াৰ জেজু দ্বীপৰ ওপৰেৰে আহি আছিল। ইয়াৰ পিছতে বিমানৰ পাইলটে বিমানখন ইনচিয়ন আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ উৰণস্থানত অৱতৰণ কৰে।

# তিহাৰ কাৰাগাৰত দিন কটাইছে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে


**নতুন দিল্লী, ২৫ জুন ঃ** বিপদে লগ এৰা দিয়া নাই কেজৰিৱালক। তেওঁ দীৰ্ঘদিন ধৰি কাৰাগাৰতে থাকিব লগা হৈছে। আদালতে বাৰে বাৰে তেওঁৰ জামিন আবেদন নাকচ কৰাত তেওঁ কাৰাগাৰতে আবদ্ধ হৈ থাকিবলগীয়াত পৰে। জানিব পৰা অনুসৰি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল বৰ্তমান তিহাৰ কাৰাগাৰতে থাকে। দিল্লী উচ্চ ন্যায়ালয়ে মঙলবাৰে দিল্লী সুৰা কেলেংকাৰি সম্পৰ্কীয় এটা ধন ৰপ্তানিৰ গোচৰত জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে। আদালতে কয় যে যুক্তিবোৰ সঠিকভাৱে তৰ্ক কৰা হোৱা নাই। সেয়েহে ৰাউজ এভিনিউ আদালতৰ সিদ্ধান্তটো আঁতৰাই ৰখা হৈছে। আদালতে ইডিক তৰ্ক কৰাৰ পৰ্যাপ্ত সুযোগ দিব লাগিছিল বুলি উল্লেখ। আনহাতে আম আদমী পাৰ্টীয়ে কয় আমি উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ সৈতে একমত নহয়। আমি উচ্চতম ন্যায়ালয়লৈ যাম। উল্লেখ্য যে 'ৰাউজ এভিনিউ আদালতে ২০ জুনত কেজৰিৱালক জামিন প্ৰদান কৰিছিল। কিন্তু ইডিৰ আবেদনত উচ্চ ন্যায়ালয়ে ২১ জুনত কেজৰিৱালৰ জামিনৰ নিৰ্দেশ স্থগিত ৰাখে। এতিয়া কাইলৈ (বুধবাৰে) উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰীৰ জামিন আবেদনৰ ওপৰত সিদ্ধান্ত ল'ব।



## চীনৰ চন্দ্ৰ অভিযান চাংই-৬ সফল

# ২০৩০ চনৰ ভিতৰত চন্দ্ৰত বসতিৰ স্থান কৰিবলৈ লক্ষ্য চীনৰ

**বেইজিং, ২৫ জুন ঃ** চীনৰ চন্দ্ৰ অভিযান চন্দ্ৰপৃষ্ঠৰ মাটিৰ সৈতে সংপৃক্ত হৈছে। ইয়াৰ পিছত চন্দ্ৰৰ পৰা পৃথিৱীত উপনীত হৈছে। ইয়াৰ ফলত চীন প্ৰথম খন দেশ হৈ পৰিছে যি চন্দ্ৰৰ অন্ধকাৰ অংশৰ পৰা নমুনা অনাত সফল হৈছে। চীনা ৰাষ্ট্ৰীয় মহাকাশ প্ৰশাসনৰ চাং'ই-৬ লেণ্ডাৰ ৫৩ দিনৰ পিছত এটা কেপচুলত নমুনা লৈ পৃথিৱীলৈ উভতি আহে। উল্লেখ্য যে চীনে ৩ মে'ত চাং'ই-৬ অভিযান আৰম্ভ কৰিছিল। নিউয়ৰ্ক টাইমছৰ মতে এই অনুসন্ধানৰ লক্ষ্য আছিল চন্দ্ৰৰ আটাইতকৈ দূৰৱৰ্তী অংশলৈ যোৱা (য'ত অন্ধকাৰ আছে) আৰু নমুনা সংগ্ৰহ কৰা আৰু সেইবোৰ পৃথিৱীলৈ প্ৰেৰণ কৰা। প্ৰণিধানযোগ্য যে চীনে ২০৩০ চনৰ ভিতৰত চন্দ্ৰলৈ মানুহ পঠোৱাৰ লক্ষ্য ৰাখিছে। এই অভিযানটোও একেটা লক্ষ্যৰ অংশ। এতিয়ালৈকে চন্দ্ৰলৈ যোৱা ১০ টা চন্দ্ৰ অভিযান প্ৰায় সফল হৈছে। ইয়াৰ ভিতৰত আছে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ।



# আমেৰিকাত ৩ বছৰীয়া সন্তানক আক্ৰমণ পেলেষ্টাইনীৰ

**ৱাশ্বিংটন, ২৫ জুন ঃ** এগৰাকী মহিলাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছত এগৰাকী ৩ বছৰীয়া ফিলিস্তিনি-আমেৰিকান ছোৱালীক হত্যা কৰিবলৈ চেষ্টা কৰে। চিএনএনৰ মতে ঘটনাটোৰ আগতে ভুক্তভোগীগৰাকীৰ মাতৃয়ে হিজাব পিন্ধে। ল'ৰা ছোৱালীবোৰে পুখুৰীত সাঁতুৰি আছিল। তাৰ পিছত এলিজাবেথ ৰল্‌ফ নামৰ এগৰাকী ৪২ বছৰীয়া মহিলা আহি উপস্থিত হয়। তেওঁ হিজাব পিন্ধা মহিলাগৰাকীক সোধে যে তেওঁ ক'ৰ পৰা আহিছে আৰু তেওঁৰ সন্তানে পুখুৰীত সাঁতুৰি আছে নেকি। মহিলাগৰাকীয়ে উত্তৰ দিয়ে যে তেওঁ এগৰাকী আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিক। অৱশ্যে মূলতঃ তেওঁ পেলেষ্টাইনৰ। ইয়াৰ পিছত এলিজাবেথে তেওঁৰ ৬ বছৰীয়া সন্তানক মহিলাগৰাকীৰ হাতৰ পৰা টানি নিয়ে। মহিলাগৰাকীয়ে কেনেবাকৈ তেওঁৰ পুত্ৰক ৰক্ষা কৰে। এলিজাবেথ তৎক্ষণাৎ তেওঁৰ ৩ বছৰীয়া জীয়েকৰ ওচৰলৈ গুচি যায়। তাৰ পিছতে হিজাব পৰিহিত মহিলাগৰাকীয়ে শিশুটিক চুইমিং পুলত ডুবাই দিবলৈ চেষ্টা কৰে। এই সময়ছোৱাত তেওঁ মহিলাগৰাকীৰ হিজাব আঁতৰাই আক্ৰমণ কৰে। অৱশ্যে মহিলাগৰাকীয়ে তেওঁৰ জীয়েকক বচাবলৈ সক্ষম হয়। এই সময়ছোৱাত ওচৰৰ এজন ব্যক্তিয়েও তেওঁক সহায় কৰে।



# বিহাৰত বজ্ৰপাতত নিহত ৪



**নতুন দিল্লী, ২৫ জুন ঃ** আজি ৰাজস্থানত মৌচুমী বায়ু উপস্থিত হয়। ইয়াৰ ফলত এইবাৰ ঝালাৱাৰ, বনেশ্বৰ, ডুংগৰপুৰ আৰু উদয়পুৰত বতৰ অধিক ডাৱৰীয়া হৈ পৰে। আজি ৰাজস্থানৰ ২৭খন জিলাত বৰষুণ আৰু বজ্ৰপাত হয়। আনহাতে বতৰ বিজ্ঞান বিভাগে আজি মধ্যপ্ৰদেশকে ধৰি ১৫খন ৰাজ্যত ধাৰাসাৰ বৰষুণৰ সতৰ্কবাণী জাৰি কৰিছে। ইয়াৰ ভিতৰত আছে গোৱা, মহাৰাষ্ট্ৰ, কৰ্ণাটক, তামিলনাড়ু, গুজৰাট, পশ্চিম বংগ, ছিকিম, অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰা। উল্লেখ্য যে বিহাৰৰ পাটনা, ঔৰঙ্গাবাদ, জেহানাবাদ, ৰোহতাছ আৰু বাক্সাৰত সোমবাৰে ধাৰাসাৰ বৰষুণ হয়। বাক্সাৰনৱা নগৰত বজ্ৰপাতৰ ফলত তিনিজন লোকৰ মৃত্যু হয়। আনহাতে ৰোহতাছৰ নোখাতত বজ্ৰপাতৰ ফলত এজন লোকৰ মৃত্যু হয়। বিভাগে সকলো পক্ষক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়।

# মহাকাশত ১২ দিন আবদ্ধ সুনীতা-উইলিয়ামছ

**নিউয়ৰ্ক, ২৫ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা ভাৰতীয় বংশোদ্ভূত মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বাচ্চ উইলমোৰৰ পৃথিৱীলৈ উভতি অহাটো পুনৰ এবাৰ পিছুৱাই দিয়া হৈছে। উল্লেখ্য যে দুয়োজন মহাকাশচাৰী যোৱা ১২ দিন ধৰি মহাকাশত আবদ্ধ হৈ আছে। সুনীতা আৰু উইলমোৰ ৬ জুনত মহাকাশ কেন্দ্ৰত উপস্থিত হৈছিল। তেওঁলোক ১৩ জুনত উভতি অহাৰ কথা আছিল। অৱশ্যে নাছাৰ বোয়িং ষ্টাৰলাইনাৰ মহাকাশযানৰ কাৰিকৰী ত্ৰুটিৰ বাবে, তেওঁলোকৰ উভতি অহা একেৰাহে চতুৰ্থবাৰৰ বাবে পিছুৱাই দিয়া হৈছে। প্ৰথম ঘোষণাটো ৯ জুনত কৰা হয়। তাৰ পিছত ঘূৰি অহাটো ২২ জুনলৈ বৃদ্ধি কৰা হৈছিল। পুনৰ ইয়াৰ সময় পিছুৱাই দি ২৬ জুনলৈ বৃদ্ধি কৰা হয়। এতিয়া নাছাই কয় যে দুয়োজন মহাকাশচাৰী পৃথিৱীলৈ উভতি আহিবলৈ অধিক সময় লাগিব পাৰে। অৱশ্যে তেওঁলোকৰ উভতি অহাৰ বাবে কোনো নতুন তাৰিখ দিয়া হোৱা নাই। অৱশ্যে নাছাই স্পষ্টকৈ কয় যে তেওঁলোক কোনোটোৱেই বিপদত নাই। উল্লেখ্য যে যি মহাকাশযানত তেওঁলোক ঘূৰি অহাৰ কথা আছিল সেই মহাকাশযানখনে হিলিয়াম লিক কৰি আছে। সমস্যাটো সমাধান কৰিবলৈ প্ৰচেষ্টা চলাই থকা হৈছে।



# গাজাত গুলীবৰ্ষণত নিহতৰ সংখ্যা ২৬ লৈ বৃদ্ধি

**গাজা, ২৫ জুন ঃ** ৰেড ক্ৰছৰ আন্তৰ্জাতিক সমিতিয়ে কয় যে ইয়াৰ গাজা কাৰ্যালয়ত হোৱা গুলীবৰ্ষণত নিহতৰ সংখ্যা ২৬জনলৈ বৃদ্ধি পায়। উল্লেখ্য যে উক্ত গুলীবৰ্ষণত আন ৪৫জন লোক আহত হৈছিল। প্ৰণিধানযোগ্য যে ইজৰাইলী সেনাই অৱৰোধ কৰা পেলেষ্টাইনী অঞ্চলত আক্ৰমণ তীব্ৰতৰ হয়। ইজৰাইল আৰু শক্তিশালী ইৰান সমৰ্থিত উগ্ৰপন্থী গোট হিজবুল্লাহৰ মাজত লেবাননৰ সীমান্তত গুলীবৰ্ষণ বৃদ্ধি পায়। ইয়াৰ ফলত যথেষ্ট ক্ষতি হোৱাৰ লগতে যুদ্ধ অধিক ভয়াৱহ হোৱাৰ আশংকা বৃদ্ধি পাইছে। এই সংক্ৰান্তত ৰাষ্ট্ৰসংঘৰ মহাসচিব এণ্টনিঅ' গুটেৰেছে কয় যে সীমান্ত পাৰ শত্ৰুতাই লেবাননক আন এটা গাজালৈ পৰিণত কৰিব নালাগে।



# গুপ্তচৰ ঃ জুলিয়ান এচাঞ্জাক লণ্ডন কাৰাগাৰৰ পৰা মুকলি


**ৱাশ্বিংটন, ২৫ জুন ঃ** ৱিকিলি'ৰ প্ৰতিষ্ঠাপক জুলিয়ান এচাঞ্জক আমেৰিকা যুক্তৰাষ্ট্ৰৰ গুপ্তচৰ বৃত্তিৰ অভিযোগত পাঁচ বছৰ কাৰাগাৰত থকাৰ পিছত মঙলবাৰে লণ্ডনৰ কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হয়। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰৰ সৈতে হোৱা চুক্তিৰ অধীনত চোৰাংচোৱাৰ কথা স্বীকাৰ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জিলা আদালতৰ দস্তাবেজ অনুসৰি ৫২ বছৰীয়া এচাঞ্জে আমেৰিকাৰ সৈতে এক চুক্তিত উপনীত হৈছে। ইয়াৰ অধীনত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ চাইপন আদালতত পুনৰ বুধবাৰে হাজিৰ হ'ব। উল্লেখ্য যে জুলিয়ানে এতিয়ালৈকে ১৯০১ দিন ব্ৰিটিছ কাৰাগাৰত কটাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে হোৱা চুক্তিৰ পিছত সোমবাৰে তেওঁক ব্ৰিটেইনৰ উচ্চ সুৰক্ষা কাৰাগাৰ বেলমাৰ্ছৰ পৰা মুকলি কৰি দিয়া হয়।

# দক্ষিণ কোৰিয়াৰ লিথিয়াম বেটাৰী প্ৰকল্পৰ অগ্নিকাণ্ডত নিহতৰ সংখ্যা বৃদ্ধি

**নতুন দিল্লী, ২৫ জুন ঃ** দক্ষিণ কোৰিয়াৰ ছিউলত এটা লিথিয়াম বেটাৰী নিৰ্মাণ কাৰখানাত অগ্নিকাণ্ড সংঘটিত হয়। ইয়োনহাপ সংবাদ সংস্থাৰ মতে, উক্ত অগ্নিকাণ্ডত আজি পুনৰ দুজনৰ মৃত্যু ঘটে। ইয়াৰ লগে লগে উক্ত কাণ্ডত নিহতৰ সংখ্যা ২২জনলৈ বৃদ্ধি হয়। ইয়াৰ উপৰি কিছুমান লোক সন্ধানহীন হোৱাৰ খবৰ পোৱা গৈছে। অৱশ্যে স্থানীয় বিষয়াসকলে এতিয়ালৈকে মাত্ৰ ৯জন লোকৰ মৃত্যু নিশ্চিত কৰিছে। বিষয়াসকলৰ মতে ৪জন লোক আহত হৈছে। অগ্নি নিৰ্বাপক বিষয়া কিম জিন য়ঙৰ মতে, স্থানীয় সময় অনুসৰি পুৱা ১০.৩০ বজাত জুই লাগে। অগ্নিকাণ্ডৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই।


# ভিছা অবিহনে হজ সমাপন কৰিবলৈ গৈ বিপদত হজযাত্ৰী

**নতুন দিল্লী, ২৫ জুন ঃ** হজৰ সময়ত এইবাৰ গ্ৰীষ্মৰ বাবে অধিক বিলম্ব ঘটে। ইপিনে, একাংশ অবৈধ হজযাত্ৰীয়ে পৰিস্থিতি বেয়া কৰে বুলি সূত্ৰত প্ৰকাশ। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি একাংশই ভিছা অবিহনে মক্কাত হজ সমাপন কৰিবলৈ যায়। এয়া বৈধ নহয়। উল্লেখ্য যে ইছলাম ধৰ্মৰ পাঁচটা মূল স্তম্ভৰ ভিতৰত এক অন্যতম হ'ল হজ। প্ৰতিগৰাকী মুছলমানে হজ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। যিখিনি লোকৰ হজ কৰাৰ সামৰ্থ্য থাকে সেইসকল লোকে তেওঁলোকৰ জীৱনত কমেও এবাৰ হজ সমাপন কৰে। এই মহান উদ্দেশ্য লৈ এই বছৰো হজ কৰিবলৈ যায় লাখ লাখ ইছলামধৰ্মী লোক। পাছে এই কামত এইবাৰ ব্যাঘাত জন্মে অধিক ধৰণে। বেচৰকাৰী সূত্ৰ অনুসৰি নিহতৰ সংখ্যা আজি পুনৰ দুজন হয়। উল্লেখ্য যে কালিলৈকে ছৌদী আৰৱত হজ যাত্ৰাৰ সময়ত ১,৩০১জন তীৰ্থযাত্ৰীৰ মৃত্যু ঘটে। ছৌদীয়ে এই তথ্য দিয়ে। নিহতৰ ভিতৰত ইজিপ্তৰ লোকসকলৰ মৃত্যুৰ সংখ্যা সৰ্বাধিক ৬৬০জন। ইয়াৰ পিছত আছে ইণ্ডোনেছিয়া ১৯৯ আৰু ভাৰত ৯৮জন। একে সময়তে জৰ্ডানৰ পৰা ৭৫ জন, তিউনিছিয়াৰ ৪৯জন, পাকিস্তানৰ ৩৫জন আৰু ইৰানৰ ১১জন তীৰ্থযাত্ৰীৰ মৃত্যু হৈছে। ছৌদী আৰৱে মৃত্যুৰ সংখ্যা মুকলি কৰাৰ সময়ত কয় যে তেওঁলোকৰ বেছিভাগেই অবৈধভাৱে মক্কা-মদিনাত উপস্থিত হোৱা লোক আছে। উল্লেখ্য যে অত্যধিক গৰমৰ বাবে হজযাত্ৰী একাংশৰ মৃত্যু ঘটিছে বুলি ছৌদীয়ে প্ৰকাশ কৰে। ছৌদীৰ দ্বাৰা দিয়া বিবৃতিত কোৱা হৈছে যে মৃতসকলৰ বেছিভাগেই বৃদ্ধ আছিল আৰু ৰোগৰ সৈতে যুঁজি আছিল। প্ৰণিধানযোগ্য যে এইবাৰ ১৮ লাখ তীৰ্থযাত্ৰী হজৰ বাবে ছৌদী আৰৱত উপস্থিত হয়। শেহতীয়া খবৰ অনুসৰি ইজিপ্তৰ ৬৩০জন ভিছা অবিহনে হজলৈ গৈছিল। ইপিনে, সমস্যাৰ মোকাবিলা কৰিবলৈ ইজিপ্তে এটা সংকট কেন্দ্ৰ স্থাপন কৰিছে।



# দিল্লীৰ পানী সংকটক লৈ আতিশীৰ অনশন ঃ আইচিইউত ভৰ্তি

**নতুন দিল্লী, ২৫ জুন ঃ** পানীৰ সংকটক লৈ দিল্লীৰ মন্ত্ৰী আতিশীয়ে অনশন কৰা পঞ্চম দিনত সমাপ্ত কৰিবলগীয়াত পৰে। আজি তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটে। আপ নেতাসকলে তেওঁক পুৱা প্ৰায় ৩.৩৮ বজাত এলএনজেপি চিকিৎসালয়ত ভৰ্তি কৰে। মঙলবাৰে ৰাতিপুৱা সঞ্জয় সিঙে সংবাদমেলত কয় যে আতিশীৰ উপবাস এতিয়া শেষ হৈছে। তেওঁৰ ৰক্ত শৰ্কৰাৰ স্তৰ ৩৬ ত উপনীত হৈছে। এলএনজেপি চিকিৎসালয়ৰ চিকিৎসা সঞ্চালক ডাঃ সুৰেশ কুমাৰে কয় যে আতিশী আইচিইউত আছে। তেওঁ বৰ্তমান সংকটমুক্ত। উল্লেখ্য যে দিল্লীৰ পানীৰ সংকটক লৈ ২১ জুনৰ পৰা জংপুৰাৰ ভোগলত আতিশীয়ে অনশনত বহে। তেওঁ হাৰিয়ানাৰ পৰা ১০০ এমজিডি পানী প্ৰেৰণ কৰাৰ দাবী জনায়।



## মিচেলিন টায়াৰ মুকলি

**গুৱাহাটী, ২৫ জুন ঃ** বিশ্বৰ টায়াৰ প্ৰযুক্তিৰ নেতা মিচেলিনে আজি ভাৰতীয় বজাৰৰ বাবে ইয়াৰ আটাইতকৈ ইন্ধন-দক্ষ ট্ৰাক আৰু বাছটায়াৰ মিচেলিন এক্স মাল্টি এনাৰ্জি জেড প্লাছ মুকলি কৰাৰ কথা ঘোষণা কৰে। মেড-ইন-ইণ্ডিয়া টায়াৰৰ এই শেহতীয়া শাৰীটো ভাৰতীয় পথ আৰু লোড পৰিস্থিতিৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা হৈছে আৰু লগতে ভাৰতীয় ফ্লীট মালিকসকলৰ দ্বাৰা ইন্ধন-দক্ষ টায়াৰৰ বৰ্ধিত চাহিদাৰ কথাবিবেচনা কৰা হৈছে। মিচেলিন এক্স মাল্টি এনাৰ্জি জেড প্লাছ টায়াৰ প্ৰযুক্তিৰ এক গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰতিনিধিত্ব কৰে, যি উদ্যোগটোৰ নিম্নতম ৰোলিং প্ৰতিৰোধৰ গৌৰৱ কৰে যি ১৫শতাংশলৈকে ইন্ধন সঞ্চয় প্ৰদান কৰে। ২৯৫/৮০ আৰ ২২.৫ আকাৰৰ এই টিউবলেছ ট্ৰাক টায়াৰটো প্ৰশংসিত মিচেলিন এক্স মাল্টি এনাৰ্জি জেডৰ এক উন্নীত সংস্কৰণ, আৰু ইয়াক চিঅ' ২ নিৰ্গমন ৮ টনলৈকে হ্ৰাস কৰাত সহায় কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে। ২০২০ চনত মিচেলিন মাল্টি এনাৰ্জি জেড পৰিসৰৰ সফল শুভাৰম্ভৰ পিছত, আমি আমাৰ ভাৰতীয় গ্ৰাহকসকলৰ বাবে পৰৱৰ্তী প্ৰজন্মৰ মিচেলিন এক্স মাল্টি এনাৰ্জি জেড প্লাছ আনিবলৈ উৎসাহিত হৈছোঁ, মিচেলিন ইণ্ডিয়াৰ মেনেজিং ডাইৰেক্টৰ শান্তনু দেশপাণ্ডে কয়। মিচেলিন এক্স মাল্টি এনাৰ্জি জেড প্লাছ-এ জিষ্টিকত উচ্চ ইন্ধন ব্যয়ৰ মুখ্য সমস্যাটো সমাধান কৰে, যি ভাৰতীয় ফ্লীট মালিকসকলৰ পৰিচালনা ব্যয়ৰ ৬০শতাংশলৈকে অৰিহণা যোগায়, উৎকৃষ্ট ইন্ধন দক্ষতা প্ৰদান কৰি আৰু তেওঁলোকৰ সামগ্ৰিক ব্যয় হ্ৰাস কৰি। মিচেলিনৰ বাবে, এক বহনক্ষম ভৱিষ্যৎ আৰু প্ৰযুক্তিৰ অগ্ৰগতি একেলগে চলি আছে। পৰিৱেশৰ প্ৰতি সন্মান হৈছে এক দীৰ্ঘদিনীয়া প্ৰতিশ্ৰুতি আৰু মিচেলিনৰ পাঁচটা মূল মূল্যবোধৰ ভিতৰত এটা। ৩০ বছৰতকৈও অধিক সময় ধৰি, গোটটোৱে ইয়াৰ গ্ৰুপ পাৰিপাৰ্শ্বিক পদচিহ্ন হ্ৰাস কৰাৰ ইচ্ছা আৰু কম প্ৰভাৱৰ সৈতে ক্ৰমান্বয়ে উদ্ভাৱনী সামগ্ৰী, সেৰা আৰু সমাধান ডিজাইন কৰাৰ সামৰ্থ্য প্ৰদৰ্শন কৰিছে। টায়াৰত, মিচেলিনে ১৯৯২ চনৰ পৰা সেউজীয়া, টায়াৰ মুকলি কৰাৰ পথ দেখুৱাইছে। মিচেলিন এক্স মাল্টি এনাৰ্জি জেড প্লাছ যি চিঅ' ২ নিৰ্গমন ৮ টনলৈকে হ্ৰাস কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। ২০৩০ চনৰ ভিতৰত মিচেলিন গ্ৰুপৰ চিঅ' ২ নিৰ্গমন হ্ৰাসৰ প্ৰতিশ্ৰুতিত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব।



## বয়জেৰ আলগাত বিদ্যুৎ যোগানৰ নামত বিষয়া-কৰ্মচাৰী লুটৰাজত তীব্ৰ বিক্ষোভ ৰাইজৰ

**গণ বাৰ্তা, নায়েৰ আলগা, ২৫ জুন ঃ** ধুবুৰী জিলাৰ গৌৰী পুৰস্হ বিদ্যুত উপ সংমণ্ডলৰ অধীনত সুদীৰ্ঘ বয়জেৰ আলগা'কেৰা খণ্ড' বন্দীহানা' বাহিৰ শালমাৰা' গৌহাইলেৰ চৰ' কাটালদি' আদি গ্ৰাম্য এলেকাত দৰিদ্ৰ পৰিয়ালৰ মাজত বিদ্যুত যোগানৰ নামত বিষয়াৰ সোহাত স্বৰূপ বয়জেৰ আলগাৰ মইদুল ইচলাম নামৰ কৰ্মী জনীয়ে অবাধ বাবে শোষণ নীতি অব্যাহত ৰখাৰ তীব্ৰ অভিযোগ উত্থাপন কৰিছে এলেকাৰ ৰাইজে।আজি বিৰলি প্ৰায় তিনি বজাত বয়জেৰ আলগা কান্দাপাৰা বজাৰ প্ৰাংগণত অৰ্ধশতাধিক ভুক্তভোগী ৰাইজে বিভিন্ন শেগান দি প্ৰতিবাদ সাব্যস্ত কৰে।মহিদুল মুৰ্দাবাদ' বিদ্যুতৰ নামত দুৰ্নীতি বন্ধ কৰক'বিষয়া মুৰ্দাবাদ আদি ধ্বনিৰে আকাশ বতাহ কপাই তোলে।উক্ত ইচলামে কেবাবাৰো পুৰণাট্ৰান্সফাৰ বিক্ৰীকৰা' যধেমধে বিদ্যুত তাৰ কাটি আকৌ আন ঠাইত বিক্ৰী দিয়া' মিটাৰ দিয়াৰ নামত হোজা ৰাইজৰ পৰা ২০০/৭০০ টকাকৈ সংগ্ৰহ কৰিছে।বিদ্যুত বিলৰ নামত কেবাজন পৰিয়ালৰ পৰা ৩২হেজাৰৰ পৰা ৩৫হেজাৰ টকাকৈ আদায় কৰা কৰা কাৰ্যই ৰাজক অতিষ্ঠ কৰি তুলিছে।বিদ্যুত বিল'মিটাৰ' বিভিন্ন সমস্যা সমাধানৰ বাবে দৰিদ্ৰ ৰাইজক ব্যাপক হাৰাশাস্তি কৰাৰ তীব্ৰ অভিযোগ উত্থাপন কৰিছে।উক্ত অনিয়ম কাৰ্যৰ বিষয়ে সাংবাদিকৰ দলে সোধাপোচা কৰাত গা এৰা মন্তব্য কৰে।এইক্ষেত্ৰত বিষয়া জনেও লোলুপ দৃষ্টিৰে কামৰ দায়িত্ব পালন কৰাত ৰাইজে বিক্ষোভ কৰে। লগত বিষয়া আৰু শোষণ কাৰী ইচলামক শাস্তিমুক বদলিৰ দাবী বিদ্যুত মন্ত্ৰীৰ ওচৰত কৰিছে।

# বৰক্ষেত্ৰীত অনিয়মীয়া বিদ্যুৎ যোগানত অতিষ্ঠ জনসাধাৰণ

**গণ বাৰ্তা বিশেষ, মুকালমুৱা, ২৫ জুন ঃ** নলবাৰী জিলাৰ চামতা সংমণ্ডলৰ অধীনস্থ বৰক্ষেত্ৰীত বিদ্যুতৰ অনিয়মীয়া যোগানে অতিষ্ঠ কৰি তুলিছে জনসাধাৰণক। বিভাগটোৱে এঘন্টাও নিয়াৰিকৈ বিদ্যুত যোগান ধৰিব নোৱাৰাত সৰ্বসাধাৰণ ৰাইজে ব্যাপক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।বিদ্যালয়, মহাবিদ্যালয়, বিভিন্ন বিভাগৰ কাৰ্যালয়, চিকিৎসালয়, ব্যৱসায়িক প্ৰতিষ্ঠানেৰে ভৰি থকা বৰক্ষেত্ৰীৰ মুখ্য কেন্দ্ৰ মুকালমুৱা আৰু ইয়াৰ নিকটৱৰ্তী কুৰি খনতকৈও অধিক গাৱত কিছুদিন ধৰি বিদ্যুতৰ লুকা ভাকু অব্যাহত থকাত অঞ্চল জুৰি বিৰূপ প্ৰভাৱ পৰিছে। অতি লক্ষনীয় যে-এই বিভাগটোৰ গাফিলতিৰ বাবে বিদ্যুতৰ গ্ৰাহক সকলে গধুৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হোৱাটো এক পৰম্পৰাৰলেখীয়া বিষয়। বিভাগটোৰ একাংশ বিষয়া কৰ্মচাৰীৰ চৰম দায়িত্ব জ্ঞানহীনতাৰ কাৰণে বিদ্যুৎ মাছুল আদায়ৰ পাছতো বিদ্যুত সংযোগ বিচ্ছিন্ন কৰিবলৈ অহা, সামান্য গছৰ পাত ল'ৰা বতাহ বা এটোপ দুটোপ বৰষুণতো বিদ্যুৎ যোগান ধৰিবলৈ সক্ষম নোহোৱা ,পালমৰা পদ্ধতিৰে বৈদ্যুতিক খুঁটা স্থাপন কৰাৰ ফলত উভালি পৰা,বিদ্যুৎ পৰিবাহী তাৰঁ চিঙি নিৰীহ লোকৰ মৃত্যু হোৱা আদি ঘটনাবোৰ ইতিমধ্যে কেবাবাৰো সংঘটিত হৈছে। সমাজৰ সচেতন লোকসকলে এনে ক্ষেত্ৰত কেবাবাৰো আবেদন কৰি আহিছে যদিও আজি পৰ্যন্ত সুফল পোৱা নাই। অনিয়মীয়া বিদ্যুত যোগানৰ ফলত শৈক্ষিক, ব্যৱসায়িক, অৰ্থনৈতিক, কৃষি,স্বাস্থ্যকে ধৰি বৰক্ষেত্ৰীৰ প্ৰতিখন ক্ষেত্ৰত পৰা বিৰূপ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি বিভাগটোৱে যাতে অতি শীঘ্ৰে সু ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে সচেতন মহলে দাবী জনাইছে।

## খহনীয়া অঞ্চল পৰিদৰ্শন বিধায়ক জিতু গোস্বামীৰ

**গণ বাৰ্তা বিশেষ, ৰূপহীহাট,** ২৫ -জুন ঃনগাঁও জিলাৰ ৰূপহীহাট সমষ্টিৰ অন্তৰ্গত ভুৰবন্ধা অঞ্চলত বৰলুইতে অব্যাহত ৰখা প্ৰবল গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে । বিধায়কজনে বিজেপি দলৰ নেতা-কৰ্মী সকলক লগত লৈ গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কৰাৰ লগতে পৰিস্থিতিৰ বুজ লয়। গোস্বামীয়ে ৰাইজৰ লগত হাত মিলাই বিধায়ক গৰাকীয়ে ব্যক্তিগত পুঁজিৰ পৰা ৫০ হাজাৰ টকা গৰাখহনীয়া ৰোধ কৰিবলৈ বাঁহৰ পাৰ্কো পাইনৰ ব্যৱস্থা কৰাৰ কাৰণে দিব বুলি জনাই । উল্লেখ্য যে বছৰ বছৰ ধৰি হৈ থকা ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধ কৰি গৰাখহনীয়াৰ কবলৰ পৰা লাওখোৱা ,ভূৰবন্ধা,আৰু ভগামুখ অঞ্চলক বান আৰু গৰাখহনীয়াৰ পৰা মুক্ত কৰাৰ আশ্বাস প্ৰদান কৰে বিধায়ক গৰাকীয়ে। ইপিনে অসম চৰকাৰে ভূৰবন্ধাৰ গৰাখহনীয়া অঞ্চল সমূহত ৮ কোটি টকা ব্যয় সাপেক্ষে জিঅ' বান্ধৰ অনুমোদন দিছে। নদীৰ বাঢ়নী পানী কমিলেই গৰাখহনীয়া ৰোধৰ কাম আৰম্ভ হব ।লাওখোৱা ভূৰবন্ধাবাসী ৰাইজক বান আৰু গৰাখহনীয়া পৰা মুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে বিধায়ক গৰাকীয়ে। বিধায়ক জিতু গোস্বামীয়ে সংবাদ মাধ্যমৰ আগত কয় যে চামগুৰি সমষ্টিত উপ নিৰ্বাচনত কংগ্ৰেছে চামগুৰিত প্ৰাৰ্থী বিচাৰি নোপোৱাত ৰকিবুল হুছেইনৰ পুত্ৰক প্ৰাৰ্থীত্ব দিবলৈ সাজু হৈছে। চামগুৰিত এইবাৰ কংগ্ৰেছৰ পৰাজয় নিশ্চিত আৰু বিজেপিৰ প্ৰাৰ্থী নিশ্চিত জয়ী হব বুলি দৃঢ়তাৰে মত পোষণ কৰে । প্ৰশ্ন উত্থাপন হৈছে যে পীযুষ হাজৰিকাৰ দৰে ইমান প্ৰভাৱশালী



জলসম্পদ মন্ত্ৰী থকাৰ পিছতো শাসকীয় দলৰ বিধায়কে খহনীয়া ৰোধৰ বাবে ব্যক্তিগত পুঁজিৰ পৰা কিয় ধন দানত দি ৰাইজক সহায় কৰিব লগা হৈছে? উপনিৰ্বাচনৰ বাবে দলীয় প্ৰচাৰ চলাবলৈ আহি ৫০ হাজাৰ টকাৰ সাহায্যৰে মন্ত্ৰী পীযুষ হাজৰিকাৰ কৰ্মদক্ষতাত প্ৰশ্ন উত্থাপন হোৱা দেখা গৈছে ।

## যোৰহাটত জিকিৰ, বৰগীত প্ৰতিযোগিতাৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ২৫ জুন ঃ** যোৰহাটৰ অগ্ৰণী মহিলা অনুষ্ঠান প্ৰগতিশীল মহিলা পৰিষদৰ উদ্যোগত অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত মহিলাসকলৰ মাজত জিকিৰ প্ৰতিযোগিতা আৰু পুৰুষ মহিলা উভয়ৰে বাবে বৰগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ১২ আৰু ১৩ জুলাইত যোৰহাটৰ চেণ্ট্ৰেল ক্লাবত অনুষ্ঠিত হবলগীয়া উক্ত প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগী সকলক নগদ ধন আৰু মান পত্ৰৰে পুৰস্কৃত কৰা হব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। এই সন্দৰ্ভত সবিশেষ জানিবৰ বাবে ৭০০২৪২৭৯৭২, ৮৬৩৮৯৮৬০৬৪ নম্বৰত যোগাযোগ কৰিব পাৰিব ।

## শিৱসাগৰ কলেজৰ স্নাতক পৰীক্ষাত চমকপদ ফলাফল

### বুৰঞ্জী, গণিত, অণু বিজ্ঞানত শীৰ্ষস্থান অধিকাৰ

**গণ বাৰ্তা, জয়সাগৰ, ২৫ জুন ঃ** সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত পুনৰ উজ্জ্বলিল শিৱসাগৰ কলেজ। কালি ঘোষিত স্নাতক চূড়ান্ত পৰীক্ষাৰ কলা শাখাৰ ফলাফলত শিৱসাগৰ কলেজে ৭৯.৬১ শতাংশ উৰ্ত্তীণ হাৰেৰে শিৱসাগৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। কালি ঘোষিত স্নাতক চূড়ান্ত পৰীক্ষাৰ কলেজখনৰ কলা শাখাত অৱতীৰ্ণ হোৱা ২৫৫ গৰাকীৰ ভিতৰত ১৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত বুৰঞ্জী বিভাগৰ দুই শিক্ষাৰ্থী অসীমা দুৱৰা আৰু ৰীতমজ্যোতি ফুকনে যথাক্ৰমে বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰি শিৱসাগৰ কলেজলৈ গৌৰৱ কঢ়িয়াই আনিছে। কলা শাখাত অসমীয়া বিভাগত ১০ গৰাকী, অৰ্থনীতি বিভাগৰ ১৫, শিক্ষাতত্ত্ব বিভাগৰ ১৭, ইংৰাজী বিভাগৰ ২৮, ইতিহাস বিভাগৰ ২৪, দৰ্শন বিভাগৰ ২৪ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ ১৭ গৰাকী পৰীক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণীত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে কিছুদিনৰ পূৰ্বে ঘোষিত স্নাতক বিজ্ঞান শাখাৰ পৰীক্ষাতো শিৱসাগৰ কলেজৰ ছাত্ৰ- ছাত্ৰীয়ে সফলতাৰে উৰ্ত্তীণ হৈ কলেজখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। চমকপদভাৱে কলেজখনৰ গণিত বিভাগৰ ছাত্ৰী তবচ্চুম ৰহমানে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। একেদৰে অণুবিজ্ঞান বিভাগৰ ছাত্ৰদ্বয় অয়ন অঞ্জন বৰা আৰু যুগাঙ্কক চুতীয়াই যথাক্ৰমে প্ৰথম শ্ৰেণীৰ প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাত কলেজখনৰ ফলাফল সামগ্ৰিকভাৱে ৭৪.৭৯ শতাংশ। উল্লেখৰ প্ৰয়োজন যে, স্বতন্ত্ৰ কলেজৰ মৰ্যদা লাভ কৰা শিৱসাগৰ কলেজৰ এইবছৰ উৰ্ত্তীণ হোৱা ছাত্ৰ-ছাত্ৰীসকলেই আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যোগেদি পৰীক্ষাত অৱতীণ হোৱা শেষৰটো দল। অধ্যক্ষ ড: প্ৰফুল্ল চন্দ্ৰ কলিতাই ছাত্ৰ- ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ লগতে অধ্যাপক-অধ্যাপিকাসকলকো কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## এমাজ'নৰ ভেল্যু ডেইজৰ ঘোষণা

**গুৱাহাটী, ২৫ জুন ঃ** এমাজ'ন বিজনেছ-য়ে ৩০ জুনলৈকে সকলো ব্যৱসায়িক গ্ৰাহকৰ বাবে নিজৰ ফ্লেগশ্বিপ অনুষ্ঠান, বিজনেছ ভেল্যু ডেইজ আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। এই অনুষ্ঠানটোৱে ব্যৱসায়িক গ্ৰাহকসকলক অতিৰিক্ত সুবিধা প্ৰদান কৰিব যিয়ে স্মাৰ্টৱাচ, ঘৰুৱা আৰু পাকঘৰৰ সঁজুলি, লেপটপ, অফিচৰ আচবাব, চিকিউৰিটি কেমেৰা, স্মাৰ্ট টিভিৰ লগতে আন বহুতো সামগ্ৰীৰ ওপৰত অতুলনীয় ডীল আৰু অফাৰসমূহ উপভোগ কৰিব পাৰিব। ব্যৱসায়িক গ্ৰাহকসকলে লেপটপ, মনিটৰ, স্মাৰ্টৱাচ, অফিচ ফাৰ্নিচাৰ, সৰু আৰু ডাঙৰ সঁজুলি, চিকিউৰিটি কেমেৰা, ডেক'ৰ আৰু ফাৰ্নিচিং সামগ্ৰী, স্মাৰ্ট টিভিৰ লগতে অন্যান্য অফিচ উন্নীতকৰণ সামগ্ৰী আদিৰ দৰে লাখ লাখ সামগ্ৰী সম্ভাৰৰ ওপৰত ৭০ক্ষ পৰ্যন্ত ৰেহাই লাভ কৰিব পাৰিব। ক্ৰমবৰ্ধমানভাৱে, ব্যৱসায়িক গ্ৰাহকসকলেও এই সামগ্ৰীসমূহৰ ওপৰত ৯৯৯৯ পৰ্যন্ত ১০ শতাংশ অতিৰিক্ত কেছবেক লাভ কৰিব পাৰিব।

## মাজুলীত মটৰচাইকেলৰ খুন্দাত এজনৰ মৃত্যু

**পৰাণজ্যোতি বৰা, মাজুলী, ২৫ জুন ঃ** মাজুলীত বাইকৰ খুন্দাত এজন লোকৰ মৃত্যু হয় ।ঘটনা অনুসৰি কালি সন্ধ্যা প্ৰায় ৭বজাত কাঠনিচুক গাঁৱৰ দেবেন শইকীয়া (৬৫) লোকজনে কমলাবাৰী বনগাঁও সংযোগী গড়কাপ্তানী পথেৰে চাইকেল চলাই বনগাঁও দিশৰ ফালে গৈ থকা অৱস্থাত বনগাঁও দিশৰ পৰা কমলাবাৰী দিশলৈ আহি এএছ ২৯ ০৬৭১ নম্বৰৰ বাইক চলকে জাৰণি সোণোৱালৰ ওচৰত খুন্দা মৰাত চাইকেল আৰোহী দেৱেন শইকীয়া পথত বাগৰি পৰে বুকু আৰু মূৰত গুৰুতৰ আঘাতপ্ৰাপ্ত দেবেন শইকীয়াক স্থানীয় ৰাইজৰ সহযোগত পৰিয়ালৰ লোকে ততাতৈয়াকৈ গড়মূৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰে। আৰু দুৰ্ঘটনা সংঘটিত কৰা বাইক চলক নামকাটনী গাঁৱৰ বিকাশ শইকীয়া নামৰ যুৱক জনকো চিকিৎসালয়ত ভৰ্তি কৰাই ।মূৰ বুকুত গুৰুতৰ আঘাত পোৱা দেৱেন শইকীয়া চিকিৎসা চলি থকা মাজতেই গড়মূৰ চিকিৎসালতে মৃত্যু হয়। সৰবৰহী দেৱেন শইকীয়াৰ অকল মৃত্যুত পৰিয়ালৰ লগতে গাঁওখনতো শোকৰ ছাঁ পৰিছে। বাইক আৰোহী বিকাশ শইকীয়া প্ৰাথমিক চিকিৎসা অন্তত সুস্থ হৈ উঠে। দুৰ্ঘটনা সংঘটিত কৰা স্থানৰ ৰাইজে জানিব দিয়া অনুসৰি বাইক আৰোহীজনে তীব্ৰ বেগত বাইক চলাই অহাৰ লগতে মদ্যপান পৰি এই ঘটনা সংঘটিত কৰে। দুৰ্ঘটনাৰ ফলত মৃত্যু হোৱা দেৱেন শইকীয়াৰ মৃতদেহ আজি মৰোণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালৰ লোকে চিকিৎসালয়ৰ পৰা ঘৰলৈ আনি শোককূল পৰিৱেশৰ মাজেৰে সৎকাৰ কৰে। দুৰ্ঘটনা সংঘটিত কৰা বাইক আৰোহীৰ ওপৰত মৃত দেৱেন শইকীয়াৰ পৰিয়ালে মাজুলী আৰক্ষী থানত এজাহাৰ দাখিল কৰিছে।

## ডিব্ৰুগড়ৰ জকাইত কুমৰাল বংশাৱলীৰ ৰাজহুৱা সভা সম্পন্ন




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ জুন ঃ** অসমৰ খিলঞ্জীয়া জনগোষ্ঠী সোনোৱাল কছাৰীসকলৰ অন্যতম পুৱাতন পৰম্পৰা হ'ল সঁচ-বংশ-খেলৰ পৰম্পৰা। এই পৰম্পৰাকে সাৰোগত কৰি সদৌ সোনোৱাল কছাৰী সৰ্ব-বংশাৱলী সভাৰ নিৰ্দেশনা মানি সোনোৱাল কছাৰী জনগোষ্ঠীৰ অন্যতম বংশ "কুমৰাল বংশ"ই নিজৰ সঁচৰ বংশধৰসকলৰ সক্ৰিয় অংশগ্ৰহণেৰে বংশাৱলী সভাসমূহ অনুষ্ঠিত কৰি আহিছে। সেই উদ্দেশ্য আগত ৰাখি যোৱা ২৩ জুনত ডিব্ৰুগড়ৰ জকাই কলীয়নী গাঁৱত কুমৰাল বংশাৱলী সমিতিৰ উদ্যোগত আৰু জকাই কলীয়নী গাঁৱৰ ঝিঙিৰী আৰু লেৰাঙী সঁচৰ আতিথ্যত আগন্তুক অধিৱেশনৰ অনুষ্ঠিত কৰণৰ আলোচনাৰ্থে কুমৰাল বংশৰ এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায় ।সভাৰ প্ৰাৰম্ভনিতে চাৰিমুখীয়া চাকি প্ৰজ্বলন কৰি খ্ৰীংখ্ৰীং বাইথ' দেৱতাৰ আশীৰ্বাদ গ্ৰহণ কৰাৰ লগতে বংশৰ অয়লাসগত মৃতক সকলক স্মৰণ কৰা হয়। কুমৰাল বংশাৱলীৰ শীৰ্ষগীত "কুমৰাল...কুমৰাল... কুমৰাল..."ৰে সভাৰ আৰম্ভণি কৰাৰ পাছতেই অসমৰ বিভিন্ন অঞ্চলৰ পৰা অহা কুমৰাল বংশৰ চাৰিটি সঁচ ক্ৰমে ঢৱলিৰী, ঝিঙিৰী, লেৰাঙী আৰু অকলশৰীয়াৰী সঁচৰ ১৫০ ৰো অধিক বংশধৰসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত সভাপতিত্ব কৰে কুমৰাল বংশাৱলী সমিতিৰ সভাপতি দুলেন সোনোৱালে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক বিমল হাজৰিকাই। আদৰণী ভাষণ আগবঢ়ায় ঝিঙিৰী সঁচৰ সভাপতি বিমল সোনোৱালে আৰু সভাখনি উদ্বোধন কৰে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বসন্ত সোনোৱালে। উদ্বোধনী ভাষণত তেওঁ কয় যে "সঁচ-বংশৰ পৰিচয় হ'ল সোনোৱাল কছাৰী জনজাতিৰ অন্যতম জনগোষ্ঠীমূলক পৰিচিতি। ইয়াৰ দ্বাৰাই তেওঁলোকে মেটেকাৰ দৰে উটি ভাহি নুফুৰাকৈ নিজৰ শিপাৰে গভীৰতম মাটিক খামুচি ধৰি নিজৰ পৰিচয় শতিকা শতিকা জুৰি অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। এই সোনোৱাল কছাৰী বংশলতাৰে এক সুশৃংখলিত বংশ হৈছে কুমৰাল বংশ।" তদুপৰি এই বংশৰ পৰিয়াল আৰু জনসংখ্যাৰ তালিকা সন্নিৱিষ্ট কৰি প্ৰণয়ন কৰা গ্ৰন্থ "তথ্য"খন সোনোৱাল কছাৰী বংশলতাসমূহৰ মাজত প্ৰথমখন গ্ৰন্থ আৰু ইয়েই বংশটোৰ ভৱিষ্যত প্ৰজন্মৰ বাবে ইতিহাস, বেদ, উপনিষদ, কীৰ্তনস্বৰূপ হ'বগৈ বুলি তেওঁ অতিশয় তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।ইয়াৰ পিছতেই কুমৰাল বংশৰ ভৱিষ্যত কৰ্মপন্থা আৰু আগন্তুক অধিৱেশন উপলক্ষে হোৱা আলোচনাত ভাষণ আগবঢ়ায় প্ৰশান্ত কুমৰাল শইকীয়া, ফুলেশ্বৰ সোনোৱাল, বিমল সোনোৱাল, অৰনি হাজৰিকা, মৃদুল সোনোৱাল,মজিন সোনোৱাল, বিষ্ণু সোনোৱাল,কুমুদ সাগৰ সোনোৱাল, বিনোদ কুমৰাল, চেনিৰাম সোনোৱাল, ঘনকান্ত সোনোৱাল, লক্ষ্যজ্যোতি সোনোৱাল, ধৰ্মানন্দ সোনোৱাল, ৰকী সোনোৱাল,ভুধৰ সোনোৱাল আদিয়ে। সভাত সৰ্বসন্মতিক্ৰমে লোৱা সিদ্ধান্ত অনুসৰি বৰহাটবাসী কুমৰাল বংশধৰসকলৰ আমন্ত্ৰণক্ৰমে চলিত বৰ্ষৰ ২৮ আৰু ২৯ ডিচেম্বৰত চৰাইদেউ জিলাৰ বৰহাটত কুমৰাল বংশাৱলী সমিতিৰ আগন্তুক অধিৱেশনখনি অনুষ্ঠিত কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হ'য়। তদুপৰি কুমৰাল বংশাৱলীৰ পৰিয়াল আৰু জনসংখ্যাৰ জৰীপ গ্ৰন্থ "তথ্য"খনৰো প্ৰতি দহ বছৰৰ মূৰে মূৰে নৱতম সংস্কৰণ প্ৰকাশৰ সিদ্ধান্তগ্ৰহণ কৰা হয়। কাৰ্যক্ৰমণিকা অনুসৰি অহা ৭ জুলাই দেওবাৰে বৰহাট বলমী গাঁৱত আগন্তুক অধিৱেশনৰ অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে এখনি ৰাজহুৱা সভাৰ আহ্বান কৰা হৈছে বুলি কেন্দ্ৰীয় সম্পাদক বিমল হাজৰিকাই অৱগত কৰে আৰু সভাত কেন্দ্ৰীয় বিষয়-ববীয়াসকলৰ লগতে সংশ্লিষ্ট ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তা সকলে।

## অ'লা ইলেক্ট্ৰিকৰ এছ ১ প'ৰ্টফলিঅ'ত বৃহৎ ৰেহাইৰ ঘোষণা

**গুৱাহাটী, ২৫ জুন ঃ** অ'লা ইলেট্ৰিক ৰাশ্ব অভিযানৰ অংশ হিচাপে অ'লা ইলেকট্ৰিকে এছ ১ প'ৰ্টফলিঅ'ত ১৫,০০০ টকাপৰ্যন্ত দামৰ ৰোমাঞ্চকৰ অফাৰ ঘোষণা কৰিছে। ২৮ জুনলৈ অব্যাহত থাকিবলগীয়া অফাৰসমূহৰ ভিতৰত আছে এছ১ এ'ত ৫,০০০ টকা আৰু এছ১ প্ৰ' তথা এছ১ এয়াৰত ২,৫০০ টকা ৰেহাই। গ্ৰাহকে ১০,০০০ টকা পৰ্যন্ত অতিৰিক্ত সুবিধাও লাভ কৰিব পাৰে, য'ত এছ১ এ'ত ৫,০০০ টকা পৰ্যন্ত বিনিময় বোনাছ আৰু সমগ্ৰ এছ১ প'ৰ্টফলিঅ'ত নিৰ্বাচিত ক্ৰেডিট কাৰ্ড ই এম আইত ৫,০০০ টকা পৰ্যন্ত কেছবেকৰ সুবিধাও অন্তৰ্ভুক্ত আছে। অ'লা ইলেকট্ৰিকে বিভিন্ন ৰেঞ্জৰ প্ৰয়োজন থকা গ্ৰাহকসকলক আকৰ্ষণীয় দামত ৬টা অফাৰৰ সৈতে বিস্তৃত এছ১ প'ৰ্টফলিঅ' আগবঢ়ায়। শেহতীয়াকৈ ই এছ১ এ' প'ৰ্টফলিঅ'ৰ সৈতে বজাৰৰ খণ্ডত প্ৰতিষ্ঠানটোৱে প্ৰৱেশ কৰিছে। তিনিটা বেটাৰী বিন্যাসত (২ কিলোৱাট ঘণ্টা, ৩ কিলোৱাট ঘণ্টা আৰু ৪ কিলোৱাট ঘণ্টা) উপলব্ধ এই স্কুটাৰসমূহৰ দাম ক্ৰমে ৭৪,৯৯৯ টকা, ৮৪,৯৯৯ টকা আৰু ৯৯,৯৯৯ টকা। তদুপৰি প্ৰিমিয়াম অফাৰসমূহৰ ভিতৰত আছে এছ১ প্ৰ', এছ১ এয়াৰ আৰু এছ১ এ', যাৰ দাম ক্ৰমে ১,২৯,৯৯৯ টকা, ১,০৪,৯৯৯ টকা, ৮৯,৯৯৯ টকা।

# অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ ৰবীন্দ্ৰ নৃত্যানুষ্ঠানৰ বঁটা বিতৰণী অনুষ্ঠানৰ সমাপ্তি

**গুৱাহাটী, ২৫ জুন ঃ** অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ড, অসম চৰকাৰ-উদ্যোগত ৰবীন্দ্ৰ জয়ন্তী উপলক্ষে আয়োজন কৰা ৰবীন্দ্ৰসংগীত আৰু ৰবীন্দ্ৰনৃত্যৰ চূড়ান্ত পৰ্যায়ৰ বাছনি প্ৰক্ৰিয়া আৰু বঁটা বিতৰণি অনুষ্ঠান দেওবাৰে সফলভাৱে সমাপ্ত হয়।গুৱাহাটীৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে পৰিৱেশ আৰু বন, সংখ্যালঘু উন্নয়ন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰিকৰী, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, নগাঁৱৰ বিধায়ক কৰূপক শৰ্মা, অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়া আৰু আন বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। অনুষ্ঠানৰ আৰম্ভণিতে আমন্ত্ৰিত অতিথিসকলে দ্বাৰা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিকৃতিত পুষ্পাৰ্ঘ্য অৰ্পণ কৰে। উনৈশখন কেন্দ্ৰৰ অনুষ্ঠানসমূহত ভিতৰত তিনি হেজাৰৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই তিনি হাজাৰ প্ৰতিযোগীৰ ভিতৰত ২২৮জন প্ৰতিযোগী ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে মনোনীত হয়। প্ৰাপ্তসকল হৈছে ক্ৰমে- 'ক' শাখাত ৰবীন্দ্ৰ সংগীতত প্ৰথম স্থান অৰ্জন কৰিছে অনন্য চক্ৰৱৰ্তীয়ে (কৰিমগঞ্জ), দ্বিতীয় দীপলেখা দেৱী (বঙাইগাঁও), তৃতীয় হৃদ মল্লিক (ধুবৰী), আৰু নিচুকনি বঁটা লাভ কৰিছে দেৱাংশী দাসে (শিলচৰ)। 'খ' শাখাত ৰবীন্দ্ৰ সংগীতত প্ৰথম স্থান সৈকত চক্ৰৱৰ্তী (গুৱাহাটী), দ্বিতীয় আয়ুশ্ৰী দাস (নগাঁও), তৃতীয় স্থান লাভ কৰে হিমচুমী গোস্বামীয়ে (বঙ্গাইগাঁও)। 'গ' শাখাত ৰবীন্দ্ৰ সংগীতত প্ৰথম স্থান অৰ্জন কৰিছে অংকিতা মিথোংস্থা (হাফলং), দ্বিতীয় মৌমিকা দেৱ (হাইলাকান্দি), তৃতীয় নীলাঞ্জনা মোদক (কৰিমগঞ্জ)। 'ক' শাখাত ৰবীন্দ্ৰ নৃত্যত প্ৰথম স্থান অৰ্জন কৰিছে সুজল ভট্টাচাৰ্য (হাফলং), দ্বিতীয় ডিগবী শৰ্মা (বৰপেটা ৰোড), বেদাত্ৰয়ী গোস্বামীয়ে (হাইলাকান্দি)। খ' শাখাত ৰবীন্দ্ৰ নৃত্যত প্ৰথম স্থান অৰ্জন কৰিছে অন্তৰা ভৌমিক (মৰিয়নি), দ্বিতীয় দীপান্বিতা দত্ত (হাফলং), তৃতীয় ৰূপসা বোস-এ (লামডিং)।'গ' শাখাত ৰবীন্দ্ৰ নৃত্য প্ৰথম স্থান অৰ্জন কৰিছে তনয় বয় (তেজপুৰ), দ্বিতীয় দীপাংকৰ বৰ্মন ( হাফলং), তৃতীয় পাপ্পু সিং (লামডিং) আৰু বিউটি বৰুৱাই। 'ক' শাখাত প্ৰথম স্থান দখল কৰা শিল্পীক ১০,০০০ টকা নগদ পুৰস্কাৰ প্ৰদান কৰা হয়। এই শাখাত দ্বিতীয় স্থান দখল কৰা শিল্পীক নগদ ৭,০০০ টকা আৰু তৃতীয় স্থান দখল কৰা শিল্পীক নগদ ৫,০০০ টকা প্ৰদান কৰা হয়। খ' শাখাত প্ৰথম স্থান দখল কৰা শিল্পীক ১৫,০০০ টকা নগদ পুৰস্কাৰ প্ৰদান কৰা হয়। এই শাখাত দ্বিতীয় স্থান দখল কৰা শিল্পীক নগদ ১২,০০০ টকা আৰু তৃতীয় স্থান দখল কৰা শিল্পীক নগদ ১০,০০০ টকা প্ৰদান কৰা হয়। গ' শাখাত প্ৰথম স্থান দখল কৰা শিল্পীক




২১,০০০ টকা নগদ পুৰস্কাৰ প্ৰদান কৰা হয়। এই শাখাত দ্বিতীয় স্থান দখল কৰা শিল্পীক নগদ ১৮,০০০ টকা আৰু তৃতীয় স্থান দখল কৰা শিল্পীক নগদ ১৫,০০০ টকা প্ৰদান কৰা হয়। অসম ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ শিলাদিত্য দেবে কয় যে এই অনুষ্ঠানে দুটা বছৰ সম্পূৰ্ণ কৰিলে ।এনেধৰণৰ কিছুমান অনুষ্ঠান মাজেৰে আমি এই মহান ব্যক্তিগৰাকীক জীয়াই ৰাখিম।" অনুষ্ঠানত উপস্থিত পৰ্যটনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কয় ৰাজ্যখনত ভাষাক কেন্দ্ৰ কৰি বহুতো হিংসা বিদ্বেষ হৈ গৈছে, ইয়াৰ কুফলো ভুগিব লগা হৈছে অসমবাসীয়ে। ভাষাৰ ভিত্তিত এই ৰাজ্য বিভক্ত হৈছে। বৰ্তমান সকলো ভাষাৰ মাজত সমন্বয় গঢ়ি তুলিব নোৱাৰিলে অসম আকৌ বিভক্ত হ'ব পাৰে। আকৰ্ষণীয় সাংস্কৃতিক সন্ধ্যাৰ মুখ্য আকৰ্ষণ হিচাপে সত্ৰীয়া নৃত্যশিল্পী অনীতা শৰ্মা, সংগীত শিল্পী ৰূপম ভূএল, মৌচুমী চহৰীয়া, ভাস্বতী ভাৱতী, নৃত্যশিল্পী অত্ৰেয়ী চক্ৰৱৰ্তীয়ে অংশ গ্ৰহণ কৰে ।

## চুলিৰ যত্নৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ

**গুৱাহাটী, ২৫ জুন ঃ** দেশত গৰমৰ এই দিনকেইটাত জটিল, অধিক উষ্ণতা আৰু আৰ্দ্ৰতাই সামগ্ৰিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। বিশেষকৈ অত্যধিক ঘাম আৰু গৰমৰ বাবে চুলিৰ যথেষ্ট ক্ষতি হয়, যাৰ ফলত চুলিৰ গুৰি সৰা, শুকান হোৱা, চুলি সৰা বাঢ়ি যোৱা আৰু আধাতে ছিঙি যায়। মেৰিকো বিশেষজ্ঞ ডাঃ শিল্পা ভোৰাই এই গ্ৰীষ্মৰ বতৰত ধুনীয়া আৰু নিৰাপদে ৰাখিবলৈ চুলিৰ যত্নৰ বাবে নাৰিকল আৰু মেথি ব্যৱহাৰ কৰাৰ পৰামৰ্শ দিছে। প্ৰচণ্ড গৰমত চুলিৰ স্বাস্থ্যক অগ্ৰাধিকাৰ আৰু অতি বেঙুনীয়া ৰশ্মিৰ পৰা ৰক্ষা কৰাটো অতি গুৰুত্বপূৰ্ণ। নিয়মীয়াকৈ চুলিত তেল লগোৱাৰ অভ্যাসে গৰমৰ ফলত হোৱা নিস্তেজতা আৰু শুকান ভাব হ্ৰাস কৰিব পাৰে। নিহাৰ নেচাৰেলছে পাতল সুগন্ধিৰ সৈতে মিহলি লঘু, নন-গ্ৰিছি( তেলবিহীন) অইল আগবঢ়ায়, য'ত ২গুণ ডাঠ চুলিৰ বাবে নাৰিকল আৰু মেথি আৰু সতেজ গোন্ধযুক্ত চুলিৰ বাবে জেস্মিন মুকলি কৰিছে। এই নন-গ্ৰিছি অইলসমূহ লঘু আৰু তেলবিহীন। মেথি হৈছে চুলিৰ যত্নৰ এক অতি ফলপ্ৰসূ উপাদান, য'ত যথেষ্ট প্ৰটিন থাকে, যিয়ে চুলি শুকান হোৱাত বাধা দিয়ে, যাৰ ফলত চুলি কোমল আৰু চিকচিকিয়া হয়। ইয়াৰ উপৰিও প্ৰাকৃতিকভাৱে মূৰৰ ছাল মইশ্ব'ৰাইজাৰ হিচাপে কাম কৰে, বিশেষকৈ গ্ৰীষ্মৰ দিনবোৰত যথেষ্ট উপকাৰী। গৰমৰ দিনত চুলিত তেল লগোৱাটো তেলীয়া মূৰৰ পৰিৱৰ্তে পৰিষ্কাৰ মূৰৰ ছালত কৰাটোৱেই উত্তম। তেল ৩০ মিনিটৰ পৰা ৪ ঘণ্টাৰ বাবে প্ৰয়োগ কৰিব পাৰি আৰু গৰম দিনবোৰত গোটেই ৰাতি তেল লগাই থ'ব নালাগে। অইলিং কৰা পৰিহাৰ কৰিলে আপোনাৰ চুলি গৰমৰ বাবে ক্ষতি হ'ব পাৰে। আৰ্দ্ৰতা বজাই ৰাখিবলৈ আপোনাৰ চুলি ঠাণ্ডা পানীৰে ধুব আৰু ইয়াক গোটেই নিশাটোৰ বাবে প্ৰয়োগ কৰাটো পৰিহাৰ কৰিব। এনে কৰিলে হাইড্ৰেটেড আৰু কোমল কৰি ৰখাত সহায় কৰিব।

**প্ৰথম পৃষ্ঠাৰ পৰা**

## শক্তিপীঠ কামাখ্যা ধামত

পৰা নাই মন্দিৰ চৌহদৰ ভিতৰত। যাৰ বাবে তলৰ পৰা ওপৰলৈ উঠি যোৱা পথছোৱাত এতিয়া অগণন ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। ইফালে সাধু-সন্তক প্ৰদান কৰা সুবিধা সন্দৰ্ভত মন্তব্য কৰি কামাখ্যাৰ দলৈ কবীন্দ্ৰ শৰ্মাই কয়— 'কামাখ্যা এখন সীমিত ঠাই। সীমিত ঠাইৰ ভিতৰত যিখিনি ভক্তক আমি ৰাখিব পাৰো, সেইখিনিয়ে ৰাখিছো। আমি প্ৰতিবাৰে তেওঁলোকক আমাৰ তৰফৰ পৰা থকা-খোৱাৰ যিখিনি সুবিধা দিব লাগে সেইখিনি প্ৰদান কৰি আহিছো।' উল্লেখ্য যে ২২ জুনৰ পৰা আৰম্ভ হৈছে নীলাচল পাহাৰত অৱস্থিত মা কামাখ্যা ধামৰ অম্বুবাচী মেলা। এই অম্বুবাচী মেলা উপলক্ষে প্ৰতি বছৰৰ দৰে এই বছৰো নীলাচলৰ বুকুত ভিৰ কৰিছে দেশ-বিদেশৰ বহু সাধু-সন্যাসীয়ে। অম্বুবাচীৰ নিবৃত্তিৰ পিছত কামাখ্যা মাক দৰ্শন কৰি পুনৰ নিজ নিজ স্থানলৈ উভতি যাব তেওঁলোক। কিন্তু অম্বুবাচী মেলা উপলক্ষে অহা এইসকল সাধু-সন্তক চৰকাৰ তথা প্ৰশাসনে উপযুক্ত সুবিধা কৰি নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। যাৰ বাবে কামাখ্যা ধামত এনে এক অনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে শনিবাৰৰ পৰা আৰম্ভ হোৱা মহা অম্বুবাচীৰ মহাপৰ্বৰ বাবে বিগত কেইবাদিনৰে পৰা কামাখ্যা ধামলৈ আগমন ঘটিছে দেশ-বিদেশৰ সহস্ৰাধিক ভক্তৰ। ২২ জুনৰ পুৱা ৮ বাজি ৩৫ মিনিট ১৪ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হয়। অম্বুবাচী প্ৰবৃত্তিৰ পিছত ২২ জুনৰ পৰা ২৬ জুনলৈ বন্ধ থাকিব মন্দিৰৰ মূল দুৱাৰ। আজি নিশা ৮.৫৬ বজাত অম্বুবাচীৰ নিবৃত্তি ঘটিব। তাৰ পিছত ২৬ জুন অৰ্থাৎ বুধবাৰৰ পুৱা নিত্য পূজা সমাপনৰ অন্তত ভক্তৰ বাবে খুলি দিয়া হ'ব কামাখ্যা মন্দিৰৰ মূল দুৱাৰ।

## উপ-নিৰ্বাচন-পঞ্চায়ত

পৰা ওলাই আহি অকলেই নিৰ্বাচন খেলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আপে। আজি গুৱাহাটীত গণেশগুৰিত আপৰ ৰাজ্যিক কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত আপৰ উত্তৰ-পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মাই এই কথা সদৰী কৰে। তেওঁ কয় যে দেশৰ ৰাজনৈতিক পৰিস্থিতি সাপেক্ষে আৰু বিজেপিক প্ৰতিহত কৰাৰ বাবে আপে বিৰোধী ঐক্যমঞ্চত চামিল হৈ লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। কিন্তু এইবাৰ উপ-নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনত পৰিস্থিতি আৰু পৰিৱেশ বেলেগ। সেয়েহে আমি অসমত দলক শক্তিশালী কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছো। বুথ পৰ্যায়লৈ দলক শক্তিশালী কৰাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছে। তেওঁ আৰু কয় যে দলটোক অসমত শক্তিশালী কৰি নতুনকৈ জিলা আৰু ৰাজ্যিক কমিটী গঠন কৰা হ'ব। যাৰ বাবে দলটোৰ সকলো কমিটী ভংগ কৰা হৈছে। নতুন কমিটী গঠন কৰাৰ বাবে কাৰ্যকৰী কমিটীও গঠন কৰা হৈছে। ভৰেন চৌধুৰীক আহ্বায়ক হিচাপে নিৰ্বাচিত কৰা হৈছে। লগেত তত্বাৱধায়ক শৰ্মাই কয় যে ঘৰে ঘৰে গৈ সদস্য কৰা হ'ব। এমাহ ধৰি এই কাৰ্যসূচী হ'ব। যোগ্যতাৰ ভিত্তিত জিলা আৰু ৰাজ্যিক কমিটী গঠন কৰা হ'ব। অন্য ৰাজনীতি দলৰ সদস্যক লৈ আহ্বান জনোৱা হৈছে আপত যোগদান কৰাৰ বাবে। অসমৰ জনতাৰ আকাংক্ষা পূৰণ কৰাৰ লক্ষ্য লৈ আপে এইবাৰ শক্তিশালী ৰূপত কাম কৰিব। সকলো বুথ পৰ্যায়ত আপৰ সদস্য থাকিব।

## মাজবাটৰ ধৰ্ষণকাণ্ডৰ

কৰি সেইদিনাখন ঘটনাটো কেনেদৰে সংঘটিত কৰিছিল তাৰ অধিক বুজ লোৱাৰ উদ্দেশ্যে ২৪ তাৰিখ নিশা হফিজুলক লৈ ঘটনাস্থলীত উপস্থিত হৈছিল বিশাল আৰক্ষী বাহিনীৰ দল। সেই সময়তে হফিজুলে প্ৰস্ৰাৱ কৰাৰ চেলু লৈ বাগিচাৰ চাহগছৰ মাজত থকা নলাৰে পলায়ন কৰে। তৎমুহূৰ্ততে বিশাল আৰক্ষী বাহিনীয়ে সমগ্ৰ চাহ বাগিচা ঘেৰাও কৰাত নিশা আৰক্ষীৰ গুলীত ঢলি পৰে হফিজুল। লগে লগে নিশাই হফিজুলক তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয়। পৰিৱেশ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে আজি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্ম, ওদালগুৰি জিলাৰ আয়ুক্ত মাজবাট পশু চিকিৎসালয়ৰ অতিথিশালাত উপস্থিত হৈ বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে।

## মাজুলীত বিষাক্ত

হঠাৎ বমিৰ দৰে উপসৰ্গৰ পৰিপ্ৰেক্ষিতত ততাতৈয়াকৈ অসুস্থ প্ৰায় পাঁচগৰাকীকৈ লোকক পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়লৈ লৈ অনা হয় যদিও তাৰে তুলসী পেগু নামৰ (৬২) এজন লোকক উন্নত চিকিৎসাৰ বাবে যোৰহাটলৈ প্ৰেৰণ কৰে। ইফালে আজি পুৱা যোৰহাটলৈ নিয়াৰ পথতে জেংৰাইমুখৰ বালি বৰপমুৱাৰ তুলসী পেগু নামৰ লোকজন মৃত্যুমুখত পৰে। ইফালে বিষাক্ত কাঠফুলা খাই গুৰুতৰভাৱে অসুস্থ হোৱা বালি বৰপমুৱা গাঁৱৰে মুহিকান্ত পেগু (৭০) আৰু সঞ্জীৱ পেগু (২৫) নামৰ লোক দুজনক গড়মূৰ জিলা চিকিৎসালয়তে বৰ্তমান চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু লোক দুজনৰ অৱস্থা বৰ্তমান সুস্থিৰ বুলি জানিব পৰা গৈছে। ইফালে অসুস্থ বাকী লোককেইজনো বৰ্তমান প্ৰাথমিক চিকিৎসাতে সুস্থ হোৱা বুলি জানিব পৰা গৈছে।

## দেৰগাঁৱত জৰাজীৰ্ণ

পৰা পিছলি নদীত পৰি যায় যুৱকজন। স্থানীয় লোকৰ ভাষ্য অনুসৰি ফেনে-ফোটোকাৰে বাঢ়ি থকা গেলাবিল নদীৰ সোঁতে উটুৱাই নিয়া সন্দেহ যুৱকজনক। পুৱা ঘটনাৰ সন্দৰ্ভত দেৰগাঁও আৰক্ষীক দিয়া হয় খবৰ। স্থানীয় ৰাইজৰ খবৰ ভিত্তিত উক্ত ঘটনাস্থলীত উপস্থিত হৈ দেৰগাঁও আৰক্ষী আৰু SDRF বাহিনীয়ে গেলাবিল নদীৰ বুকুত সন্ধানহীন হৈ থকা যুৱকজনৰ অনুসন্ধান চলায়। বাতৰি সংগ্ৰহ কৰা সময়লৈকে যুৱকজনৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। যুৱকজনৰ আকস্মিক ঘটনাই এতিয়া সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে খুমটাই সমষ্টিৰ অন্তৰ্গত পূৰ্ব মিছামৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত দক্ষিণ দলিজলীয়া (২ নং ৱাৰ্ড) গাঁওখনৰ মূল সমস্যা হ'ল গৰা-খহনীয়া আৰু পথৰ দুৰৱস্থা। যি সময়ত দেশত বিকাশৰ গংগা বৈছে বুলি ৰজাঘৰীয়াই শ্ল'গান দিছে, সেই সময়তে খুমটাই সমষ্টিৰ অধিকাংশ গাঁৱৰ পথত অনাকাংশিত ভৱিষ্যতৰ মাজেৰে যাতায়ত কৰিবলগীয়াত পৰিছে স্থানীয় লোকে। দীৰ্ঘদিনে ২ নং দক্ষিণ দলিজলীয়া হৈ হাঁহচোৱা সংযোগী জৰাজীৰ্ণ পথে জলা-কলা খুৱাইছে স্থানীয় লোকক। স্থানীয় লোকে জানিবলৈ দিয়া অনুসৰি বিগত কেইবাবছৰ ধৰি মূলপথৰ কাষত হোৱা খহনীয়াৰ ফলত বৃহৎ-বৃহৎ গাঁতৰ সৃষ্টি হৈছে। আনকি ঠায়ে ঠায়ে ব্যাহত হৈ পৰিছে যাতায়ত ব্যৱস্থা। অঞ্চলটোৰ শিক্ষাৰ্থী,পথচাৰী,ৰোগীসকলে যাতায়তৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। বছৰ বছৰ ধৰি স্থানীয় বিধায়ক মৃণাল শইকীয়া আৰু ৰাজহ চক্ৰ বিষয়া যোগেদি জিলা আয়ুক্তলৈ গেলাবিল খহনীয়াৰ সন্দৰ্ভত লিখিত আবেদন কৰা হৈছে যদিও কোনোধৰণৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ নকৰাত বিগত সময়ছোৱাত বিভিন্ন দুৰ্ঘটনা সংঘটিত হৈ আহিছে। সেয়ে পুনৰবাৰ স্থানীয় বিধায়ক আৰু জিলা প্ৰশাসনক গৰা-খহনীয়াৰ প্ৰতিৰোধৰ ক্ষেত্ৰত শীঘ্ৰে সমাধানৰ দাবী জনাইছে স্থানীয় ৰাইজে।

## ড্ৰাগ্‌ছ ক্ৰয় কৰিবলৈ ধন

বাবে খণ্ডত অগ্নিশৰ্মা হৈ গধুৰ কোনো বস্তুৰে মাতৃৰ মূৰত আঘাত কৰে পাদোপানীয়ে, যাৰ ফলত থিতাতে মৃত্যু ঘটে ৮০ বছৰীয়া বৃদ্ধাগৰাকীৰ। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ অভিযুক্ত পাদোপানী ব্ৰহ্মক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাই কোকৰাঝাৰ জিলাত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ।

## বিলাসীপাৰাত মৌলবীৰ

ঘেৰাও কৰি মৌলবী আৰু তিৰোতা জনীক অসংযত অৱস্থাত হাতে-লোটে ধৰা পেলায় । এই ঘটনা জানিব পাই স্থানীয় বাসিন্দা একাংশই লম্পট মৌলবীজনক উত্তম-মধ্যম শোধাই আৰক্ষীক খবৰ দিয়ে। বিলাসীপাৰা থানাৰ আৰক্ষীয়ে ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ লম্পট মৌলবী জনক আটক কৰি থানাত আনে। জানিব পোৱা মতে, মৌলবীজন বিবাহিতা। এটা সন্তানৰ পিতৃ। কিন্তু ইয়াৰ পূৰ্বেও এবাৰ -দুবাৰ নহয় তিনিবাৰকৈ সেই যুৱতীৰ লগত অপকাণ্ড কৰি ধৰা পৰি ৰাজহুৱা বিচাৰ হৈছিল। এবাৰ গ্ৰেপ্তাৰ হৈ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈছিল। এইবাৰ আকৌ অপকৰ্ম কৰি ধৰা পৰে যদিও সেয়াই ঘটনাটোৰ অন্তৰালত ৰহস্য থকা বুলি গাঁওখনৰ সচেতন মহলে সন্দেহ প্ৰকাশ কৰিব লৈছে বুলি জানিব পোৱা গৈছে।

## যোগীঘোপাত ভূ-সম্পত্তি

নথিপত্ৰ জালিয়াতিৰে কৰেয়াপাহাৰ গাঁৱত পাঁচ বিঘাকৈ ভূমি পঞ্জীয়ন কৰাৰ লগতে নিজৰ নামত নামজাৰি কৰি লৈছিল। পিছত বইটামাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ এগৰাকী লাটমণ্ডলসহ আনোৱাৰ হুছেইন নামৰ এজন দুৰ্ধৰ্ষ দালালক যোগীঘোপা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ভূমিৰ গৰাকী কৰিভানু নেছাৰ এজাহাৰৰ ভিত্তিত যোগীঘোপা আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ১২০বি/৪২০/৪৬৮/৪৭১/৩৪ ধাৰাৰ অধীনত ২৯২/২৩ নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি দুয়োকে গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছিল। ইপিনে আজি দালাল আনোৱাৰ হুছেইনৰ নিজৰ ভগ্নীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পিছত সমস্ত জালিয়াতিৰ তথ্য পোহৰলৈ আহে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, বইটামাৰীৰ ৰঘুনন্দনপুৰ গাঁৱৰ কৰিভানু নেছা নামৰ মহিলাগৰাকীৰ নামত কৰেয়াপাহাৰ গাঁৱত থকা ২৯ নং পট্টাৰ নম্বৰ ১৮ নম্বৰ দাগৰ পাঁচ বিঘা ভূমি জালিয়াতিৰে পৰিভানু নেছা নামৰ আন এগৰাকী মহিলাৰ ফটো আৰু নথি ব্যৱহাৰ কৰি আনোৱাৰ হুছেইনে নামজাৰি কৰি দখল কৰিছিল। ঘটনা সন্দৰ্ভত অৱগত হোৱাৰ পিছত প্ৰকৃত ভূমিৰ গৰাকী কৰিভানু নেছাই যোৱা ২০২৩ চনৰ ডিচেম্বৰ মাহৰ ১০ তাৰিখে যোগীঘোপা থানাত এজাহাৰ দাখিল কৰিছিল। কুখ্যাত দালাল আনোৱাৰ হুছেইনৰ লগতে তালুকদাৰ উপাধিৰ লাটমণ্ডলগৰাকীক গ্ৰেপ্তাৰ কৰিয়েই যোগীঘোপা আৰক্ষীয়ে ক্ষান্ত হোৱা নাছিল। দালাল আনোৱাৰ হুছেইনে বালাপাৰাৰ হকোডোবাৰ পৰিভানু নেছা নামৰ এগৰাকী মহিলাৰ ভোটাৰ পৰিচয় পত্ৰ, আধাৰ কাৰ্ড, ফটো আদি কৌশলগতভাৱে সংগ্ৰহ কৰি উক্ত নথিপত্ৰ ব্যৱহাৰ কৰি সম্পূৰ্ণভাৱে জালিয়াতিৰ আশ্ৰয় গ্ৰহণ কৰি পাঁচ বিঘাকৈ মাটি নিজৰ নামত নামজাৰি কৰি লোৱা বিষয়টো তদন্তকাৰী আৰক্ষী বিষয়া প্ৰভুলাল ব্ৰহ্মই অধিক তদন্ত অব্যাহত ৰাখে। ঘটনাৰ তদন্ত কৰি আৰক্ষীয়ে আজি ঔডুবীৰ পৰা আনোৱাৰ হুছেইনৰ ভগ্নী তথা মাটিৰ ভুৱা বিক্ৰেতা ঈশ্বৰ ঝাড়ী দ্বিতীয় খণ্ড গাঁৱৰ মৃত হানিফ আলীৰ পত্নী খোদেজা খাতুনক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখে। উল্লেখ্য যে খোদেজা খাতুনক গ্ৰেপ্তাৰ কৰাৰ পিছত ভূমি জালিয়াতিৰ সমগ্ৰ ঘটনা পোহৰলৈ আহিছে। গাছপাৰা গাঁৱৰ প্ৰয়াত আজিজুৰ ৰহমানৰ পুত্ৰ কুখ্যাত দালাল আনোৱাৰ হুছেইন নিজেই এই কাণ্ড সংঘটিত কৰিবলৈ পৰিভানু নেছাৰ নাম এফিডেভিটযোগে সলনি কৰি কৰিভানু নেছা বনাই লয়। তাৰ পিছত এটাৰ পিছত আনটো দুষ্কাৰ্য সংঘটিত কৰে এইজন দালাল আনোৱাৰে। আৰক্ষীৰ তদন্তত স্পষ্টকৈ সকলো জালিয়াতি জলজল পটপটকৈ ওলাই পৰিছে। নিৰীহ মহিলা পৰিভানুৰ ফটো, নথিপত্ৰ আদি ব্যৱহাৰ কৰি আইনৰ দৃষ্টিত পৰিভানুক জগৰীয়া সজাই দালাল আনোৱাৰৰ নিজ ভগ্নী খোদেজা খাতুনক অভয়াপুৰী উপ-পঞ্জীয়ন কাৰ্যালয়ত নি দুয়ো ভাতৃ-ভগ্নী ক্ৰেতা-বিক্ৰেতা সাজি কাৰ্যালয়ৰ দুই-এজন দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ সহযোগত নিখুঁতভাৱে দালাল আনোৱাৰে সমগ্ৰ কাম সম্পূৰ্ণ কৰিছিল। কিন্তু পৰিভানুৰ পৰিয়ালে দাবী কৰা মতে, দালাল আনোৱাৰ হুছেইনে যি জালিয়াতি কৰিছে তাৰ সৈতে পৰিভানু নেছা মুঠেই জড়িত নহয়। তাইৰ নথিপত্ৰসমূহহে ব্যৱহাৰ কৰি এনে ভয়ংকৰ জালিয়াতি কৰিছে আনোৱাৰ হুছেইনে। অৱশ্যে পৰিভানু যে অভয়াপুৰী উপ-পঞ্জীয়ন কাৰ্যালয়ত যোৱা নাছিল সেই কথা আৰক্ষীৰ তদন্তত ইতিমধ্যে স্পষ্টকৈ ওলাই পৰিছে। উপ-পঞ্জীয়ন কাৰ্যালয়ৰ পৰা আৰক্ষীয়ে সংগ্ৰহ কৰা তথ্যত খোদেজা খাতুনৰ ফটোও ওলাই পৰিছে বুলি জানিব পৰা গৈছে। জনা মতে জালিয়াতিৰে সংঘটিত কৰা পঞ্জীয়নৰ সাক্ষী হিচাপে দালাল আনোৱাৰ হুছেইনৰ পত্নী দৰজিনা বেগমৰ লগতে নিজৰ পৰিয়ালৰে কেইবাজনক ব্যৱহাৰ কৰিছে। ভূ-সম্পত্তিৰ জালিয়াতিত ওস্তাদ কুখ্যাত দালাল আনোৱাৰ হুছেইনৰ পৰিয়ালৰ কেইবাজনক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত কৰিছে। অতি আশ্চৰ্যজনক কথা যে ভূমিৰ দালালৰ বিৰুদ্ধে যি সময়ত ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে কঠোৰ হৈ পৰিছে তেনেকুৱা সময়ত বঙাইগাঁও জিলাত এনেদৰে কাৰ আশীৰ্বাদত ভূ-মাফিয়াৰ দপদপনি অব্যাহত আছে সেই লৈ প্ৰশ্ন উত্থাপন হৈছে।

## সুৰামত্ত আৰক্ষীয়ে হাত

নিশা কামৰ পৰা ঘৰৰ দিশে উভতি আহি আছিল বিজয় নাথ। তেনেতে বিজয়ে প্ৰত্যক্ষ কৰে যে তিনি আৰক্ষী বিষয়াই এজন মানসিকভাৱে বিকাৰগ্ৰস্ত লোকক প্ৰহাৰ কৰি আছে। তেতিয়া বিজয়ে আৰক্ষী বিষয়াকেইগৰাকীক বাধা দিয়ে। যাৰ বাবে সুৰাৰ ৰাগীত মাতাল হৈ খঙৰ ভমকত তিনি আৰক্ষী বিষয়াই বিজয়ক মাৰপিট কৰে। ফলত গুৰুতৰভাৱে আহত হয় বিজয়। সুযোগ বুজি আহত বিজয়ে ভায়েক ৰাতুল নাথক ফোন কৰে। তাৰ পিছতে উক্ত স্থানত ৰাতুল উপস্থিত হৈ বিজয়ক বচোৱাৰ চেষ্টা কৰে। তেতিয়া আৰক্ষীয়ে ৰাতুলকো প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, আৰক্ষীৰ প্ৰহাৰত বিজয় নাথৰ দুয়োখন ভৰি ভাঙি যোৱাৰ লগতে ৰাতুল নাথৰ আঙুলি ভাঙি যায়। পৰৱৰ্তী সময়ত আহত দুয়োকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এই ঘটনাক কেন্দ্ৰ কৰি সৰ্বত্ৰ সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। ইফালে ন্যায় বিচাৰি ভুক্তভোগী পৰিয়ালটোৱে কাষ চাপিছে আৰক্ষীৰ। কিন্তু বাতৰি যুগুত কৰা পৰলৈকে ভুক্তভোগী পৰিয়ালটোৱে থানাত দাখিল কৰা নাই এজাহাৰ। কিন্তু কিয় ভুক্তভোগীয়ে এজাহাৰ দিয়া নাই তাক লৈয়ো বহু প্ৰশ্নৰ অৱতাৰণা হৈছে। বিজয় নাথৰ মাতৃয়ে উল্লেখ কৰা মতে, বশিষ্ঠ আৰক্ষীয়ে ৰাতুল আৰু বিজয়ৰ চিকিৎসাৰ সম্পূৰ্ণ খৰচ বহন কৰিব। আনহাতে বশিষ্ঠ আৰক্ষীৰ তিনি এছ আই ক্ৰমে পৰাগজ্যোতি বৰ্মন, তীৰ্থ ডেকা আৰু ধ্যানজ্যোতি তামুলীক আজি বিয়লি আৰক্ষী আয়ুক্তই তলব কৰাৰ সম্ভাৱনা আছে বুলি আৰক্ষীৰে এক সূত্ৰই প্ৰকাশ কৰিছে।

## কাছাৰৰ শিলচৰ-কালাইন

থকা দলংখন ভয়ংকৰ ৰূপ লৈছে আৰু চালকসকলে প্ৰতিদিনে নিজৰ প্ৰাণ বিপন্ন কৰি গাড়ী চলাইছে। কাঠিগড়াৰ বিধায়ক আলহাজ খলিল উদ্দিন মজুমদাৰৰ লগতে কাছাৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন লস্কৰ, যুৱ কংগ্ৰেছৰ নেতা মুছলিম উদ্দিন বৰভূঞা, কলাইন গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মৃদুলকান্তি চক্ৰৱৰ্তীয়ে কালাইন-শিলচৰ পথেৰে সমদল উলিয়ায়। বিধায়ক খলিলে কয় যে দীৰ্ঘদিন ধৰি শাসকীয় দলৰ নেতা-মন্ত্ৰীসকলে কেৱল সংবাদ মাধ্যমৰ সন্মুখত প্ৰতিশ্ৰুতি দি আহিছে, এতিয়া প্ৰতিশ্ৰুতিৰ যুগ পাৰ হৈ গ'ল। বিধায়ক খলিলে স্পষ্ট কৰি দিয়ে। জিলা কংগ্ৰেছৰ নেতা দিলোৱাৰ হোছেইন লস্কৰে কয় যে শাশক দলৰ নেতাৰ মুখত বিকাশ কেৱল ভাষণতে, বাস্তৱত নহয়। কিছুদিন পূৰ্বে মন্ত্ৰী পীযূষ হাজৰিকা শিলচৰলৈ আহিছিল বৰাকৰ মানুহৰ লগত ৰাজনীতি কৰিবলৈ। বেয়া ৰাস্তাৰ বাবে নৰকত ভুগিছে মানুহ। কিন্তু চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষই নীৰৱ ভূমিকা পালন কৰিছে। আমি আৰু ঘৰত বহি নাথাকোঁ, প্ৰয়োজন হ'লে ৰাস্তা বন্ধ কৰি দিম। আন্দোলনত যোগদান কৰিবলৈ বাধ্য হ'ম বুলি দিলোৱাৰ হোছেইন লস্কৰৰ মন্তব্য।

## ৰেচন কাৰ্ড হ'লৈই

হয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। এই আঁচনিৰ অধীনত এই বছৰ এতিয়ালৈকে চৰকাৰী/প্ৰাদেশীকৃত মহাবিদ্যালয় আৰু ৰাজ্যিক বিশ্ববিদ্যালয়ত ৫৭,৪৬৯গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চাৰি বছৰীয়া স্নাতক কাৰ্যসূচীৰ পাঠ্যক্ৰমত নামভৰ্তি কৰিছে। নতুনকৈ আৰু ৫০,০০০ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ সুবিধা লাভ কৰাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে এই আঁচনি অনুসৰি নামভৰ্তিৰ বাবে অভিভাৱকৰ আয়ৰ প্ৰমাণপত্ৰ অবিহনে ৰেচন কাৰ্ড জমা দিয়াটো গ্ৰহণযোগ্য হ'ব বুলি বৈঠকখনত মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। বৈঠক সন্দৰ্ভত ডাঃ পেগুৱে কয়—'মহাবিদ্যালয়ৰ পৰা তথ্য আহৰণৰ পিছত প্ৰতিটো বিত্তীয় বৰ্ষৰ শেষৰ ফালে শিক্ষা প্ৰতিষ্ঠানবোৰক সাধাৰণতে পুঁজি পৰিশোধ কৰা হয়, যাৰ বাবে দীঘলীয়া সময়ৰ প্ৰয়োজন হৈছিল। কিন্তু এই বছৰ যিহেতু তথ্যবোৰ সমৰ্থ প'ৰ্টেলত সহজে উপলব্ধ, গতিকে মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয় প্ৰৱেশিকা পৰীক্ষা বহিৰ্ভূত নামভৰ্তিৰ বাবে ১০ জুলাইৰ ভিতৰত প্ৰতিষ্ঠানবোৰক পুঁজি পৰিশোধ কৰিবলৈ নিৰ্দেশ দিছে। একেদৰে বিশ্ববিদ্যালয় প্ৰৱেশিকা পৰীক্ষাৰ আধাৰিত নামভৰ্তি সম্পূৰ্ণ হোৱাৰ পিছত চৰকাৰে আগষ্ট মাহত পুঁজি পৰিশোধ কৰিব। বিগত তিনি বছৰত মাচুল ৰেহাই পৰিশোধ হিচাপে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহলৈ মুঠ ৪২৭.৫১ কোটি মুকলি কৰা হৈছে আৰু ১০ লাখ ৯৫ হাজাৰ শিক্ষাৰ্থী এই আঁচনিৰ দ্বাৰা লাভান্বিত হৈছে।'

## কৰিমগঞ্জত কংগ্ৰেছক

জিলা কংগ্ৰেছৰ সভাপতি ৰজত চক্ৰৱৰ্তীয়ে এই গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীক ভোট দিয়াৰ বাবেই বাছি বাছি একাংশ সংখ্যালঘু লোকক বান সাহায্যৰ পৰা বঞ্চিত কৰা হৈছে। কৰিমগঞ্জৰ বহু অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। বহু লোক বানত বন্দী হৈ আছে। কিন্তু বান সাহায্য বিতৰণৰ নামত ব্যাপক অনিয়ম দেখা দিছে। জলবন্দী হৈ থকাৰ পিছতো একাংশ লোকক বঞ্চিত কৰি বিজেপিয়ে বাছি বাছি তেওঁলোকৰ পছন্দৰ কৰ্মীসকলৰ মাজত সাহায্য বিতৰণ কৰিছে। কৰিমগঞ্জ চহৰৰ ১৫ নং ৱাৰ্ডৰ পৌৰ আয়ুক্ত বিধান চন্দ্ৰ দাসে বান সাহায্য বিতৰণৰ নামত বৈষম্যৰ আশ্ৰয় লৈছে বুলি অভিযোগ কৰে। বান সাহায্য বিতৰণৰ নামত এইগৰাকী পৌৰ আয়ুক্তই সাম্প্ৰদায়িক ৰাজনীতি আৰম্ভ কৰিছে। বন্যাক্ৰান্তৰ মাজত সাহায্য বিতৰণৰ নামত একাংশক বঞ্চিত কৰি বাছি বাছি বিজেপি কৰ্মীসকলৰ মাজত সাহায্য বিতৰণ কৰিছে বিজেপিৰ পৌৰ আয়ুক্তই। বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে মুছলমান-হিন্দুৰ ভোটেৰে সাংসদ হিচাপে নিৰ্বাচিত হৈছে। নিৰ্বাচন শেষ হোৱাৰ পিছতেই বিজেপিয়ে তেওঁলোকৰ আচল চৰিত্ৰ ওলাবলৈ ধৰিছে। ৰামৰ নাম লৈ এতিয়া বিজেপি নেতাসকলে পক্ষপাতিত্বৰ আশ্ৰয় লৈছে। বিজেপিৰ পৌৰ আয়ুক্তগৰাকীৰ এইধৰণৰ কৰ্মকাণ্ডত এতিয়া প্ৰকৃত বন্যাক্ৰান্তই সাহায্যৰ পৰা বঞ্চিত হৈছে আৰু পছন্দৰ বিজেপিৰ নেতা-কৰ্মীৰ ঘৰত সাহায্য যোগান ধৰা হৈছে। বান সাহায্য বিতৰণৰ নামত যি ধৰণৰ বৈষম্যমূলক নীতি গ্ৰহণ কৰা হৈছে, তাৰ বিৰুদ্ধে কংগ্ৰেছে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণৰ হুংকাৰ দিয়ে সভাপতি ৰজত চক্ৰৱৰ্তীয়ে। আজিৰ সংবাদমেলত উপস্থিত থাকে জিলা কংগ্ৰেছৰ উপ-সভাপতি নব্যেন্দু শৰ্মা পুৰকায়স্থ, সাধাৰণ সম্পাদক ছাহাদদ আহমেদ চৌধুৰী, ব্লক কংগ্ৰেছৰ সভাপতি তাপস পুৰকায়স্থ, এন এছ ইউ আইৰ ৰাজ্যিক সম্পাদক শুভজিত চক্ৰৱৰ্তীসহ কেবাজনো নেতা।

## অসম আন্দোলনৰ

সৰবৰহী লোকজন পৰৱৰ্তী সময়ত ক্ষুদ্ৰ ব্যৱসায়েৰে জড়িত হৈ পৰিছিল যদিও অসম আন্দোলনৰ এগৰাকী নেতা হিচাপে যথেষ্ট সম্ভাৱনা থকা সত্ত্বেও তেওঁ নিজকে ৰাজনৈতিক ক্ষেত্ৰখনৰ পৰা সম্পূৰ্ণৰূপে নিলগাই ৰাখি ৰাজহুৱা কাম-কাজৰে ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। উল্লেখ্য যে নিজা অঞ্চলৰ সামাজিক, সাংস্কৃতিক তথা শৈক্ষিক প্ৰতিটো কামতে জড়িত থাকি এজন সুসংগঠক হিচাপে সমাজৰ সকলো শ্ৰেণীৰ ৰাইজৰ পৰা শ্ৰদ্ধা আৰু মৰম লাভ কৰা তালুকদাৰ প্ৰাক্তন ছাত্ৰ সংগঠনৰ লগতে স্থানীয় বিহু সন্মিলন, উন্নয়ন সমিতিকে ধৰি সকলো সংগঠনৰ স'তে সক্ৰিয়ভাৱে জড়িত হৈ আছিল। যোৱা সময়ছোৱাত জটিল ৰোগত আক্ৰান্ত হোৱা তালুকদাৰৰ দীঘলীয়া সময় চিকিৎসা চলিছিল যদিও তেওঁ সুস্থ হৈ নুঠিল আৰু আজি পুৱতি নিশা চাৰিদুৱাৰস্থিত নিজা বাসগৃহতে তেওঁৰ বিয়োগ ঘটে। সৰবৰহী লোকজনৰ বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে লগে ভালেসংখ্যক গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ প্ৰয়াত তালুকদাৰৰ নিস্বাৰ্থ সমাজসেৱাৰ বিষয়ে স্মৰণ কৰাৰ লগতে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তালুকদাৰৰ বিয়োগত চাৰিদুৱাৰ শাখা ছাত্ৰ সন্থা, অসম সেনা, জ্যেষ্ঠ নাগৰিক সন্থা, চাৰিদুৱাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, কেন্দ্ৰীয় নামঘৰ সমিতি, বিজেপি যুৱ মৰ্চাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। তালুকদাৰে বিয়োগৰ সময়ত পত্নী আৰু এগৰাকী কন্যা সন্তানৰ লগতে বহুসংখ্যক আত্মীয় তথা গুণমুগ্ধক এৰি যোৱা তালুকদাৰৰ অন্ত্যেষ্টিক্ৰিয়া ভালেসংখ্যক লোকৰ উপস্থিতিত তেওঁলোকৰ নিজা ভূমিতে সম্পন্ন কৰা হয়।

## অসমৰ এনআৰচি

এতিয়াও আশা কৰিছে যে পি এম মোদীয়ে অবৈধ প্ৰব্ৰজনকাৰী (বাংলাদেশী মুছলমান) ধৰা পেলোৱা আৰু বিতাড়নৰ বাবে দৃশ্যমান ব্যৱস্থা গ্ৰহণ কৰিব। ২০২২ চনত অসম চৰকাৰৰ গৃহ সচিব হিচাপে অৱসৰ গ্ৰহণ কৰা দেৱশৰ্মাই বিগত কেইবাটাও দশক ধৰি বিশেষকৈ বাংলাদেশৰ পৰা বিদেশী লোকৰ অবৈধ প্ৰব্ৰজনৰ ফলত অসম কিমান বেয়াকৈ প্ৰভাৱিত হৈছে সেই কথা বৰ্ণনা কৰি তেওঁ দৃঢ়তাৰে কয় যে সমস্যাটো এতিয়াও সঠিকভাৱে সমাধান কৰিব পৰা নাই। নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰক তেওঁ কয় যে সম্প্ৰতি বাংলাদেশী মুছলমান অসমৰ খিলঞ্জীয়াৰ অস্তিত্বৰ প্ৰতি এক বৃহৎ ভাবুকি হিচাপে আত্মপ্ৰকাশ কৰিছে। গতিকে তেওঁ পিএমঅ'লৈ লিখাৰ বাহিৰে আন কোনো বিকল্প নাপালে, মোদীৰ দৃঢ়তা, সামৰ্থ্য আৰু মহান জাতিটোৰ প্ৰতি চিন্তাৰ ওপৰত প্ৰত্যক্ষভাৱে অপৰিসীম বিশ্বাস ৰখাৰ বাহিৰে আন উপায় নাই। উল্লেখ্য যে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি এন আৰ চি উন্নীতকৰণৰ জৰিয়তে ২০১৪ চনৰ ভিতৰত অসমত অবৈধ বিদেশী ধৰা পেলোৱাৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰচেষ্টা আৰম্ভ হৈছিল। ৰাজ্যিক সমন্বয়ক হিচাপে হাজেলাৰ নেতৃত্বত এন আৰ চি উন্নীতকৰণ কৰা হৈছিল, য'ত দেৱশৰ্মাও প্ৰথম অৱস্থাত কাৰ্যবাহী সঞ্চালক হিচাপে এই প্ৰক্ৰিয়াৰ সৈতে জড়িত আছিল। কিন্তু ২০১৬ চনৰ আৰম্ভণিতে হাজেলাই নিজৰ বিবেচনাধীন ক্ষমতা (নীতিৰ বিৰুদ্ধে গৈ) প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে, যাৰ ফলত এন আৰ চি উন্নীতকৰণৰ সমগ্ৰ উদ্দেশ্য বিপন্ন কৰাৰ সম্ভাৱনা আছিল। 'মতানৈক্যৰ বাবে মই ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহত এই প্ৰক্ৰিয়াটো পৰিত্যাগ কৰিলোঁ।' পিএমঅ'লৈ লিখা পত্ৰখনত দেৱশৰ্মাই কয় যে এনআৰচিৰ সম্পূৰ্ণ খচৰা ২০১৮ চনৰ জুলাই মাহত প্ৰকাশ কৰা হৈছিল আৰু পৰিপূৰক তালিকাখন ২০১৯ চনৰ ৩১ আগষ্টত প্ৰকাশ কৰা হৈছিল। পিছলৈ হাজেলাক প্ৰেৰণ কৰা হৈছিল চূড়ান্ত এন আৰ চি প্ৰকাশ হোৱা নাছিল যদিও তেওঁৰ গৃহ ৰাজ্যখনত ডেপুটেচনত আছে। তাৰ পিছত দেৱশৰ্মাক এন আৰ চিৰ ৰাজ্যিক সমন্বয়ক হিচাপে নিযুক্তি দিয়া হয় আৰু তেওঁ দেখিলে যে ২০২০ চনৰ ৩১ মাৰ্চলৈকে এই প্ৰক্ৰিয়াৰ সময়ত ২৬০ কোটি টকাতকৈ অধিক টকা অপ ব্যৱস্থাপনা কৰা হৈছিল। ভাৰতীয় নিয়ন্ত্ৰক আৰু মহানিৰীক্ষক কেগেও বিত্তীয় অনিয়মৰ বিষয়ে ৰিপৰ্ট দিছিল আৰু এইবোৰৰ দায়িত্ব নিৰ্ধাৰণ কৰিছিল হাজেলাৰ ওপৰত বিজুতি। পদ্ধতি অনুসৰি হাজেলাই সকলো অভিযোগৰ উত্তৰ দিবলৈ ৰাজহুৱা হিচাপ সমিতিৰ সন্মুখীন হ'বলগীয়া হৈছিল যদিও তেওঁক স্বেচ্ছামূলক অৱসৰ ল'বলৈ অনুমতি দিয়া হৈছিল। এই সন্দৰ্ভত দেৱশৰ্মাই দুটা এফআইআৰ দাখিল কৰিছিল (আন তিনিটা এফআইআৰ ব্যক্তিগত পক্ষই দাখিল কৰিছিল), কিন্তু সেইবোৰৰ কোনোটোৰেই আৰক্ষীয়ে পঞ্জীয়ন কৰা নাই। এতিয়া দেৱশৰ্মাই এন আৰ চি (অসম)ৰ সম্পূৰ্ণ পুনৰ পৰীক্ষণ আৰু সেই সকলোবোৰ উপাদানৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে, যিয়ে নিজৰ ন্যস্ত স্বাৰ্থৰ বাবে প্ৰক্ৰিয়াটোক ৰে'লপথৰ পৰা নমাই আনিবলৈ চেষ্টা কৰিছিল। এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়া আৰু সম্ভাব্য ধন সৰবৰাহৰ আৰ্থিক অনিয়ম সন্দৰ্ভত বলবৎকাৰী সঞ্চালকালয়ক তদন্ত কৰিবলৈও দাবী জনায়। এন আৰ চিত অবৈধ প্ৰব্ৰজনকাৰীৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে বিপুল পৰিমাণৰ ধন খৰচ কৰা বিদেশী হাত এখনক আটক কৰি দেৱশৰ্মাই এই প্ৰক্ৰিয়াৰ লগত জড়িত হ'ব পৰা যিকোনো বিদেশী ধন উন্মোচন কৰিবলৈ ৰাষ্ট্ৰীয় তদন্ত সংস্থাৰ তদন্তৰ বাবেও মাত মাতিছিলএবাৰ মনত পেলাব পাৰি, শেহতীয়াকৈ ছ'চিয়েল মিডিয়াত বহু কোটি টকাৰ এন আৰ চি কেলেংকাৰিৰ হিতাধিকাৰী হিচাপে গুৱাহাটীস্থিত তিনিজন টেলিভিছনৰ লিখকৰ নাম উল্লেখ কৰা হৈছিল, কিয়নো তেওঁলোকে হাজেলা আৰু তেওঁৰ সহযোগীসকলৰ সপক্ষে স্থানীয় সংবাদ মাধ্যমক হেঁচা মাৰি ধৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে ৰাজহুৱাভাৱে পোষকতা কৰিছিল যে বৰ্তমানৰ এন আৰ চিৰ খচৰাখনক চূড়ান্ত খচৰা হিচাপে গ্ৰহণ কৰি নিজৰ ভূমিত ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু অসমীয়া মানুহৰ ভৱিষ্যৎ কি হ'ব সেয়া আমনি নকৰাকৈয়ে। ত্ৰিপুৰাটোৰে আয়োজন কৰা টেলিভিছনৰ টক শ্ব'ত তেওঁলোকে হাজেলাক প্ৰায় ছুপাৰমেনৰ দৰেই আড়ম্বৰপূৰ্ণভাৱে প্ৰশংসা কৰিছিল। ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীসকলে এন আৰ চি কেলেংকাৰিৰ সন্দৰ্ভত তেওঁলোকৰ স্থিতি আৰু ইয়াৰ সৈতে তেওঁলোকৰ জড়িততা স্পষ্ট কৰিবলৈ কয় যদিও লজ্জাজনকভাৱে তেওঁলোকে এই বিষয়টোক লৈ আজিলৈকে মৌনতা অৱলম্বন কৰি আছে। ইয়াত উত্থাপিত প্ৰকৃত প্ৰশ্নটো হ'ল, যদি এন আৰ চিৰ অনিয়মৰ ন্যায্য তদন্ত হ'লহেঁতেন আৰু সেই নিউজ চেনেলৰ লিখককে ধৰি দোষী ব্যক্তিসকলক আইনৰ অধীনত শাস্তি দিয়া হ'লহেঁতেন।

## নগাঁৱত বজ্ৰপাতত

লৈ যোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইপিনে, বজ্ৰপাতৰ ফলত একে গাঁৱৰে আন দুজন লোক গুৰুতৰভাৱে আহত হয়। আহত দুয়োজনকে সংকটজনক অৱস্থাত নগাঁও চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়।

## ওম বিৰলা বনাম কে সুৰেশ

মঙলবাৰে বিৰোধী মিত্ৰজোঁটৰ হৈ অধ্যক্ষ পদৰ বাবে মনোনয়ন দাখিল কৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা কে সুৰেশে। বিৰোধীয়ে অন্তিম মুহূৰ্তত বিকল্প প্ৰাৰ্থী থিয় কৰোৱাৰ সময়তে বুধবাৰে লোকসভাৰ অধ্যক্ষ নিৰ্বাচনৰ বাবে ভোটদান অনুষ্ঠিত হ'ব। পুৱা ১১ বজাৰ ভিতৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে। তেনে ক্ষেত্ৰত শেহতীয়াকৈ ভাৰতত প্ৰথমবাৰৰ বাবে লোকসভাত ভোটদানৰ জৰিয়তে অধ্যক্ষ নিৰ্বাচিত হ'ব। কাৰণ ইতিহাসে কয় যে সাধাৰণতে লোকসভাৰ অধ্যক্ষ বিনা ভোটে নিৰ্বাচিত হয়। এইদৰেই ওম বিৰলা যোৱা দুবাৰ লোকসভাৰ অধ্যক্ষ নিৰ্বাচিত হৈছিল যদিও এইবাৰ ভোটৰ দিশৰ পৰা বিৰোধী মিত্ৰজোঁট বহু শক্তিশালী। আনহাতে অংশীদাৰ নিৰ্ভৰশীলতাৰ বাবে বিজেপি অস্বস্তিত পৰি আছে। ফলত বিৰোধীয়ে উপাধ্যক্ষ পদ পোৱাৰ চৰ্তত ওম বিৰলাক অধ্যক্ষ পদত সমৰ্থন জনোৱাৰ কথা কৈ আহিছিল। কিন্তু শাসকীয় শিবিৰে উপাধ্যক্ষ পদটো এৰিব নিবিচৰাৰ বাবেই বিৰোধী শিবিৰেও নিজাকৈ প্ৰাৰ্থী দিবলগীয়া হয়। ইয়াৰ পিছত কংগ্ৰেছ নেতা কে সুৰেশে অধ্যক্ষ পদৰ বাবে মনোনয়ন দাখিল কৰে। জানিব পৰা মতে মঙলবাৰে মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাজনাথ সিঙৰ মাজত অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদৰ বাবে আলোচনা হয়। অধ্যক্ষ নিৰ্বাচনত বিৰোধীৰ সমৰ্থন বিচাৰি সোমবাৰে কংগ্ৰেছৰ সভাপতিৰ সৈতে কথা পাতিছিল ৰাজনাথে। ইয়াৰ পিছত খাৰ্গে, মমতা, অখিলেশ, ষ্টেলিনকে ধৰি সকলো বিৰোধী নেতাৰ সৈতে আলোচনা কৰে ৰাজনাথ সিঙে। বিশেষ সূত্ৰই প্ৰকাশ কৰা মতে শাসকীয় পক্ষই উপাধ্যক্ষৰ পদটো বিৰোধীৰ বাবে এৰি দিব বুলি প্ৰথমে সহমতত উপনীত হৈছিল যদিও শেষত শাসক শিবিৰে নিজৰ স্থিতি সলনি কৰে। সেয়ে এতিয়া অধ্যক্ষ পদৰ বাবে যুঁজ হ'ব ওম বিৰলা আৰু কে সুৰেশৰ মাজত। এক কথাত বিনাযুদ্ধে অধ্যক্ষ পদ বিজেপিক গতাই দিয়াৰ পক্ষপাতী নহয় ইণ্ডিয়া মিত্ৰজোঁট। সংবিধানৰ ৯৩ নং অনুচ্ছেদ অনুসৰি প্ৰথমবাৰৰ বাবে নতুন লোকসভা বৈঠকৰ ঠিক আগতেই অধ্যক্ষৰ পদ খালী হৈ পৰে। নৱনিৰ্বাচিত সংসদ সদস্যসকলক পদৰ শপত গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰপতিয়ে এজন প্ৰ'টেম অধ্যক্ষ নিযুক্তি দিয়ে। ইয়াৰ পিছত সাধাৰণ সংখ্যাগৰিষ্ঠতাৰে এজন লোকসভাৰ অধ্যক্ষ নিৰ্বাচিত হয়। অৰ্থাৎ সদনত উপস্থিত থকা আধাতকৈ অধিক সদস্যই লোকসভাৰ অধ্যক্ষ হ'বলৈ কোনো বিশেষ প্ৰাৰ্থীক ভোট দিব লাগে। কিন্তু পূৰ্বে ভোটৰ সলনি সকলোৱে সহমততে অধ্যক্ষ নিৰ্বাচিত হৈছিল। বিগত দুখন লোকসভাত ২০১৪-২০১৯ আৰু ২০১৯-২০২৪ বৰ্ষত বিজেপিৰ সুমিত্ৰা মহাজন আৰু ওম বিৰলা অধ্যক্ষ আছিল। যিহেতু অধ্যক্ষগৰাকীও লোকসভাৰ নিৰ্বাচিত সদস্য, তথাপি তেওঁ কোনো বিশেষ দলক প্ৰতিনিধিত্ব কৰিব নোৱাৰে। এন সঞ্জীৱা ৰেড্ডীয়ে ১৯৬৭ চনৰ মাৰ্চ মাহত চতুৰ্থ লোকসভাৰ অধ্যক্ষ নিৰ্বাচিত হোৱাৰ পিছত কংগ্ৰেছৰ পৰা পদত্যাগ কৰিছিল। অৱশ্যে এই নিয়ম বাধ্যতামূলক নহয়। পি এ চাংমা, সোমনাথ চেটাৰ্জী আৰু মীৰা কুমাৰে আনুষ্ঠানিকভাৱে তেওঁলোকৰ দলৰ পৰা পদত্যাগ কৰা নাছিল। পূৰ্বৰ দুটা কাৰ্যকালৰ বিপৰীতে প্ৰধানমন্ত্ৰী মোদী তৃতীয় কাৰ্যকালত মিত্ৰ চন্দ্ৰবাবু নাইডু আৰু নীতিশ কুমাৰৰ ওপৰত নিৰ্ভৰশীল। অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছে নাইডুৱে, আনহাতে কুমাৰে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে। পূৰ্বৰ পৰম্পৰা অনুসৰি লোকসভাৰ অধ্যক্ষ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয় আৰু বিৰোধীয়ে কোনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰে। ঠিক তেনেদৰে বিৰোধীয়ে যেতিয়াই নাম প্ৰস্তাৱ কৰে তেতিয়াই উপাধ্যক্ষৰ পদটো বিৰোধীক দিয়া হয়। অৱশ্যে এইবাৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাৰ বাবে পৰম্পৰা ভংগ হ'ব। ২০১৪-২০১৯ চনৰ ভিতৰত মোদীৰ প্ৰথম কাৰ্যকালত উপাধ্যক্ষৰ পদ এআইএডিএমকেৰ এম থাম্বিদুৰাইৰ হাতত থকাৰ বিপৰীতে ২০১৯-২০২৪ চনৰ ভিতৰত পদটো খালী হৈ আছিল। যিহেতু এইবাৰ ২৩৪খন আসন লাভ কৰি বিৰোধীয়ে শক্তিশালী হৈ উঠিছে। সেয়েহে উপাধ্যক্ষৰ পদ লাভ কৰিবলৈ বিৰোধী আগ্ৰহী হৈ পৰিছিল, যি দাবী বিজেপিয়ে নাকচ কৰিছে। বৰ্তমান লোকসভাৰ সংখ্যাৰ ক্ষেত্ৰত ২৯৩খন আসন বিজেপি নেতৃত্বাধীন এন ডি এৰ হাতত আছে। আনহাতে কংগ্ৰেছ নেতৃত্বাধীন ইণ্ডিয়া ব্লকত ২৩৪খন আসন আছে। টিডিপিয়ে পক্ষ সলনি কৰিলেও এনডিএৰ ২৭৭খন আসনৰ তুলনাত ভাৰত ব্লকত ২৫০খন আসন থাকিব। এইবাৰো শাসকীয় শিবিৰে ওম বিৰলাকেই লোকসভাৰ অধ্যক্ষ মনোনীত কৰিছে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত ৰাজস্থানৰ কোটাৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে জয়লাভ কৰিছিল বিৰলাই।

## মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন

এই লম্পটটোৱে চাৰি বছৰ পূৰ্বে উক্ত অঞ্চলৰে এগৰাকী নাবালিকাক নিৰ্মমভাৱে ধৰ্ষণ কৰিছিল। এই ঘটনাৰ পিছতে নাবালিকাগৰাকীৰ পৰিয়ালৰ লোকে মৰিগাঁও আৰক্ষী থানাত ৯২/২০২০ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল। এই ঘটনাটোৰ ক্ষিপ্ৰতাৰে তদন্ত কৰি মৰিগাঁও আৰক্ষী থানাৰ সেই সময়ৰ আৰক্ষী পৰিদৰ্শক নেত্ৰকমল শইকীয়াই মৰিগাঁও পক্‌ছো আদালতত অভিযোগনামা দাখিল কৰে। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক্‌ছোআদালতে বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক্‌ছো আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদে পক্‌ছো আইনৰ ৬ ধাৰাত দোষী সাব্যস্ত কৰি নাবালিকা ধৰ্ষণকাৰী টুটু ডেকাক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি বিশ হাজাৰ টকাৰ জৰিমনা বিহে। ধাৰ্য কৰা জৰিমনাৰ ধন অনাদায়ে অতিৰিক্ত ছয় মাহৰ কাৰাদণ্ডৰ আদেশ জাৰি কৰে।

## চান্দপুৰত দলঙৰ পৰা পৰি শিশুৰ মৃত্যু

বাসিন্দা জাকিৰ হোছেইন বৰভূঞাৰ চাৰি বছৰীয়া শিশু কন্যা আৰিফা বেগম বৰভূঞা ঘৰৰ সন্মুখৰ বাঁহৰ দলং পাৰ হৈ যাওঁতে বানপানীৰ পানীত পৰি মৃত্যু হয়। ঘৰৰ পৰা পুৱা প্ৰায় ১১ বজাত বাঁহৰ দলং পৰা পৰি সংঘটিত হয় এই দুৰ্ঘটনা। পিছত ছোৱালীজনীক আশে-পাশে নেদেখি পৰিয়ালটোৱে বিচাৰিবলৈ আৰম্ভ কৰে। বহু সময়ৰ পাছত তেওঁক বিচাৰি নোপোৱাকৈয়ে হঠাৎ সন্দেহ হ'ল দলংখনৰ ওপৰত। সেই সময়ত হাল্লাৰ চিঞৰ শুনি অঞ্চলটোৰ মানুহবোৰ গোট খাইছিল। কিছু সময় পানীত তালাচী চলোৱাৰ অন্তত উদ্ধাৰ হয় আৰিফা বেগমৰ মৃতদেহ। ঘটনাৰ পিছতে ভাঙ্গাৰপাৰ আউটপোষ্টৰ ইনচাৰ্জ বিপুল বিশ্বাস আৰু চাৰ্কোল ডও ৰবট সেই স্থানত উপস্থিত হয়। কিশোৰী গৰাকীৰৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। অঞ্চলটোৰ সাধাৰণ ৰাইজে পৰিয়ালৰ হৈ বিধায়ক মিছবাহুলৰ হস্তক্ষেপৰ বাবে অনুৰোধ জনায়।

## চন্দ্ৰৰ পৃষ্ঠভূমিৰ পৰা নমুনা সংগ্ৰহ কৰি

ৰহস্য উদ্‌ঘাটন হ'ব। চীন হৈছে বিশ্বৰ প্ৰথমখন দেশ, যিয়ে চন্দ্ৰৰ দূৰৱৰ্তী প্ৰান্তত মহাকাশযান অৱতৰণ কৰাত সফল হৈছিল। ২০১৯ত এনে সফল অভিযান চলাইছিল। তেওঁলোকৰ মহাকাশযানখন চন্দ্ৰৰ এনে পৃষ্ঠভূমিত অৱতৰণ কৰে, যিটো অতিকৈ কষ্টকৰ প্ৰক্ৰিয়া। কিয়নো বিশাল আকৃতিৰ গাত, শিলাখণ্ডৰ বাবে সফলভাৱে মহাকাশযান অৱতৰণ কৰাটো প্ৰত্যাহ্বানজনক। কিন্তু সেই প্ৰত্যাহ্বান নেওচি চীনে সফলভাৱে মহাকাশ যানখন অৱতৰণ কৰিছিল। চীনৰ বাবে চাংই-৬ মহাকাশ যানখন অতিকৈ গুৰুত্বপূৰ্ণ অভিযানৰ এক অংশ। ইয়াৰ দ্বাৰা চীনে আমেৰিকাক প্ৰত্যাহ্বান জনাব পাৰিব। সফলভাৱে পৃথিৱীলৈ চাংই-৬ মহাকাশ যানখন উভতি অহাৰ পিছত চীনৰ ৰাষ্ট্ৰপতি জি ঝিংপিঙে এই মহাকাশযানখনৰ সৈতে জড়িত ব্যক্তিসকলক অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে এই মানৱবিহীন মহাকাশযানখন চীনৰ এটা মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপণ কৰা হৈছিল। ৩ মে'ত মহাকাশযান চন্দ্ৰলৈ উৎক্ষেপণ কৰা লক্ষ্য আছিল চন্দ্ৰৰ পৃষ্ঠভূমিৰ পৰা মাটি সংগ্ৰহ কৰা। এই মহাকাশযানখন চন্দ্ৰৰ দক্ষিণ মেৰুৰ এটকেন অৱবাহিকা অংশত অৱতৰণ কৰিছিল, যিটো অংশ পৃথিৱীৰ পৰা দেখা পোৱা নাযায়।

# মেৰামতিৰ অভাৱত বিধ্বস্ত বোকাখাতৰ মহুৰা-বংকোৱাল সংযোগী পথ



**গণ বাৰ্তা বিশেষ, বোকাখাত, ২৫ জুন ঃ** অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ বোকাখাত শাখাৰ চৰম হেমাহি আৰু নিৰ্লিপ্ততাৰ কাৰণে দিচৈ আৰু উত্তৰ মহুৰা পঞ্চায়ত বাসীয়ে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। অঞ্চলটোত তেৰ হাজাৰো অধিক ভোটাৰ থকা পঞ্চায়ত দুটাৰ যাতায়াতৰ মুল পথ মহুৰামুখ-বংকোৱাল সংযোগী পথ আৰু নিকৰি বৰতল -ৰিৰি সংযোগী পথ দুটা বছৰ বছৰ ধৰি মেৰামতিৰ অভাৱত বিধ্বস্ত হৈ পথ দুটাৰ মাজত পুখুৰী সদৃশ বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হৈছে। প্ৰতিদিনেই সৰু বৰ দুৰ্ঘটনা হৈ থকা পথটোত যাতায়াত কৰাত ভীষণ অসুবিধাৰ সৃষ্টি কৰি আহিছে। আনহাতে একাধিক লোকে দুৰ্ঘটনাত সংঘটিত হৈ প্ৰাণ হেৰুৱ লগা হৈছে। উক্ত পথা দুটা যেন যম দুতলৈ পৰিণত হৈছে। উক্ত বিধবস্ত পথ দুটাই দৈনিক স্কুলীয়া ছাত্ৰ ছাত্ৰীকে ধৰি শ শ লোকে যাতায়াত কৰিছে যদিও অসম চৰকাৰৰ বিয়াগোম লোক নিৰ্মাণ বিভাগটোৰ বোকাখাতে গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উথাপন কৰিছে ভুক্তভোগী ৰাইজে। এক প্ৰকাৰে গুৰুত্বপূৰ্ণ পথ দুটা মেৰামতি কৰাৰ ক্ষেত্ৰত নিৰ্বিকাৰ হৈ পৰিছে বোকাখাত লোক নিৰ্মাণ বিভাগ। উক্ত পথ দুটা অতি সোনকালে মেৰামতি অথবা পুনৰ নিৰ্মাণৰ গুৰুত্ব আৰোপ কৰিবলৈ মন্ত্ৰী অতুল বৰাক বাবে বাবে দাবী জনাই আহিছে ৰাইজে।

# হাঁহচৰাৰ বৈছাহাবি পথ উন্নয়নৰ দাবীত প্ৰতিবাদ



**গণ বাৰ্তা, আমগুৰি, ২৫ জুন ঃ** মৰিয়নি সমষ্টিৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ হাঁহচৰা চাৰিআলিৰ পৰা পদুমণি ধোদৰ আলি সংযোগী বৈচাহাবি পথটো বিধ্বস্ত হৈ যাতায়াতৰ অনুপযোগী হোৱাৰ প্ৰতিবাদত আজি হাঁহচৰা চাৰিআলিত প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় দল সংগঠন ৰাইজৰ সহযোগত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। প্ৰতিবাদকাৰী সকলে গড়কাপ্তানী বিভাগ হাই হাই, বিজেপি চৰকাৰ হুচিয়াৰ, ৰূপজ্যোতি কুৰ্মীৰ কাম নাই ধ্বনিৰে পৰিবেশ উত্তাল কৰি তোলে। প্ৰতিবাদ স্থলীত কৃষক নেতা তথা যোৰহাট জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক অৰিন্দম গগৈয়ে বিধায়ক ৰূপজ্যোতি কুৰ্মীক ফচহু আখ্যা দিয়াৰ লগতে সমষ্টি উন্নয়নত ব্যৰ্থ বুলি অভিহিত কৰে। প্ৰতিবাদ স্থলীত উপস্থিত থাকি স্থানীয় সত্যজিত ফুকন, যোৰহাট জিলা আহোম সভাৰ সম্পাদক সঞ্জিৱ ঢেকিয়াল ফুকন, ৰাইজৰ দলৰ মৰিয়নি সমষ্টিৰ সমিতিৰ সভাপতি বিকাশ চেতিয়া, ছাত্ৰ মুক্তিৰ কেন্দ্ৰীয় উপ সভাপতিৰবিন হাজৰিকাকে ধৰি বহু সংখ্যক দল সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকি চৰকাৰ তথা সংশিষ্ট বিভাগক তীব্ৰ সমালোচনা কৰাৰ লগতে অনতিপলমে পথ নিৰ্মাণৰ দাবী উত্থাপন কৰে। উল্লেখযোগ্য লোক সভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত ৰাইজৰ ক্ষোভৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজক ভুৱা প্ৰতিশ্ৰুতিৰে পথ নিৰ্মাণৰ কাম আৰম্ভ হব বুলি মৰিয়নি সমষ্টিৰ বিধায়কৰ উদ্যোগত পথৰ নিৰ্মান কাৰ্য্য তদাৰকৰ বাবে এখন তদাৰকী সমিতি গঠন কৰিছিল যদিও সম্প্ৰতি বিধায়ক জনৰ মিথ্যাচাৰ এতিয়া প্ৰকট হৈছে বুলি আজি প্ৰতিবাদ স্থলীত ৰাইজে অভিযোগ কৰে। আজি প্ৰতিবাদ স্থলীত টীয়ক ৰাজহ চক্ৰ বিষয়াৰ লগতে লোক নিৰ্মান বিভাগৰ এটি দল উপস্থিত হোৱাত প্ৰতিবাদ কাৰী সকলে লোক নিৰ্মান বিভাগৰ দলটোক এই সম্পৰ্কে জবাব দিহি কৰাৰ লগতে পথটো মেৰামতিৰ বাবে এক সপ্তাহৰ সময় সীমা নিৰ্ধাৰণৰ দাবী উত্থাপন কৰে। পিছত লোক নিৰ্মান বিভাগৰ দলটোৱে পথটো এক সপ্তাহৰ ভিতৰত যাতায়াতৰ উপযোগী কৰাৰ মৌখিক প্ৰতিশ্ৰুতি কৰে। ইয়াৰ পিছত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চেলেংহাট আঞ্চলিক সমিতিৰ সভাপতি আনন্দ দাস, কাৰ্যকৰী সভাপতি দিগন্ত গগৈ আৰু যুটীয়া সম্পাদক দুদুমণি মহন্ত আৰু পুলকজিৎ গগৈ স্বাক্ষৰিত এক স্মাৰক পত্ৰ টীয়ক ৰাজহ চক্ৰ বিষয়াৰ যোগেদি যোৰহাট জিলা আয়ুক্তলৈ প্ৰেৰণ কৰে। উক্ত পত্ৰত এক সপ্তাহৰ ভিতৰত বৈছাহাবি পথটো যাতায়াতৰ সুচল কৰিবলৈ দাবী উত্থাপন কৰাৰ লগতে নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰি অনতিপলমে নিৰ্মাণৰ দাবী উত্থাপন কৰে। এক সপ্তাহৰ ভিতৰত পথটি যাতায়াতৰ বাবে সুচল নকৰিলে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি পত্ৰখনত উল্লেখ কৰে।

# বৰপেটাত বিজ্ঞান-গণিতৰ ওপৰত শিক্ষকক প্ৰশিক্ষণ

**গণ বাৰ্তা বিশেষ , বৰপেটা, ২৫ জুন ঃ** বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ পাঁচদিনীয়াকৈ খণ্ডভিত্তিক প্ৰশিক্ষণ আজিৰে পৰা বৰপেটাত আৰম্ভ হয়। বৰপেটা শিক্ষা খণ্ডৰ বাবে অনুষ্ঠিত এই প্ৰশিক্ষণ দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয় । বৰপেটা শিক্ষাখণ্ডৰ ৩৬ টা মণ্ডল সমল কেন্দ্ৰৰ গণিত আৰু বিজ্ঞান শিক্ষকসকল উপস্থিত থকা এই প্ৰশিক্ষণ এগছি বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰে বৰপেটা জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) তথা সমগ্ৰ শিক্ষা বৰপেটাৰ জিলা মিছন সমন্বয়ক জয়ন্ত বৰাই । প্ৰশিক্ষণ শুভাৰম্ভ কৰি ভাষণ প্ৰসংগত অতিৰিক্ত আয়ুক্ত গৰাকীয়ে কয় যে, বিজ্ঞান আৰু গণিত শিক্ষণ আনন্দদায়ক আৰু ক্ৰীড়াকলাপ ভিত্তিক । গণিত আৰু বিজ্ঞান বিষয়টো ছাত্ৰ ছাত্ৰীক মনোগ্ৰাহীকৈ পাঠদান কৰাৰ বাবে আহ্বান জনায় অতিৰিক্ত আয়ুক্ত গৰাকীয়ে। এই অনুষ্ঠানত উপস্থিত থাকে বৰপেটা শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্য, সমগ্ৰ শিক্ষাৰ শিক্ষক প্ৰশিক্ষণ গোটৰ জিলা আচঁনি বিষয়া চিতাংগ ডেকাই । সমগ্ৰ শিক্ষা বৰপেটা শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি চন্দন কুমাৰ দাসে আঁত ধৰা সভাত বৰপেটা শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি দ্বিজেন্দ্ৰ কৃষ্ণ মিশ্ৰ আৰু দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চাৰু চক্ৰবৰ্তীও উপস্থিত থাকে। উল্লেখ্য যে এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে পাটবাউসী হাইস্কুলৰ শিক্ষক হিৰণ্য চৌধুৰী, বৰপেটা টাউন হাইস্কুলৰ শিক্ষক জ্যোতিৰ্ময় দাস, জুৰোৱাম পাঠক ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী অপৰ্ণা দাস, ৰামপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক মুকুন্দ দাস আৰু বৰপেটা শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি চন্দন কুমাৰ দাসে ।

# বাঁহজানীৰ এটা লোকনিৰ্মাণ পথত প্ৰকাণ্ড গাঁত ঃ বিধ্বস্ত পথে জলাকলা খুৱাইছে ৰাইজক

**গণ বাৰ্তা ,বাঁহজানী, ২৫ জুন ঃ** কেইবাদিন ধৰি হৈ থকা নেবা-নেপেৰা বৰষুণৰ ফলত নলবাৰী জিলাৰ বাঁহজানীৰ এটা অতি ব্যস্ত আৰু গুৰুত্বপূৰ্ণ লোকনিৰ্মাণ পথত ডাঙৰ ডাঙৰ খালৰ ৰূপ লোৱা পৰিস্থিতিয়ে বিকশিত অসমৰ স্বৰূপ উন্মোচিত হোৱা পৰিলক্ষিত হৈছে।জিলাখনৰ নলবাৰী-হাজো পথৰ বাঁহজানীৰ বগলচ্‌ৰোড চ'কৰ পৰা খাদী চ'ক বুদ্ৰুকুছি-চান্দকুছি ঘিল্লা চ'ক হৈ বৰবদীলৈ যোৱা অতি ব্যস্ত আৰু গুৰুত্বপূৰ্ণ লোকনিৰ্মাণ পথটো বিগত কেইবা বছৰ ধৰি পুনৰ নিৰ্মাণ নোহোৱাত সম্প্ৰতি পথটোৰ বগলচ্‌ৰোড চ'কৰ পৰা গোপালথান পলিটেকনিকেল ইনষ্টিটিউচন (হাইস্কুল) ৰ সন্মুখলৈ প্ৰায় চাৰি কিলোমিটাৰ মান পথৰ নিৰ্মাণৰ ম্যাদ উকলি যোৱাৰ পিছতো পুনৰ নিৰ্মাণৰ ব্যৱস্থা নকৰা অথবা নিয়মীয়া মেৰামতিৰ অভাৱত বৰ্তমান জৰাজীৰ্ণ হৈছে পথটো ।চপৰা-চপৰে খহিছে পথটোৰ বেছিভাগ অংশত ।পথটোৰ বুদ্ৰুকুছি,খাদীচ'ক, জানিগোগ,চান্দকুছি ঘিল্লাচ'ক,গোপালথান আদি ঠাইত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে আৰু এজাক বৰষুণতে বুৰ যায় খাল সদৃশ গাঁতবোৰ ।গাঁতবোৰ ইমানে দ হৈছে যে যিকোনো দুচকীয়া-চাৰিচকীয়া বাহনৰ চকা ডেৰ-দুই ফুটলৈ পানীত সোমাই যায় ।উল্লেখ্য যে বৰষুণত গাঁতবোৰত পানী জমা হলে গাঁতবোৰৰ গভীৰতা অনুমান কৰিব নোৱাৰা বাবেই যান-বাহন সমূহে প্ৰায়ে নিয়ন্ত্ৰণ হেৰুৱায় আৰু তাৰ ফলস্বৰূপে পথটোৰ কেইবাঠাইতো ইতিমধ্যে দুৰ্ঘটনা সংঘটিত হৈ আহিছে ।কবলৈ গ'লে একপ্ৰকাৰ মৰণ ফান্দত পৰিণত হৈছে উক্ত পথছোৱা ।সম্প্ৰতি পথটোৰ দুৰৱস্থাৰ বাবে চাইকেল আৰোহী, পথচাৰী, বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলে পথটোৰে অতি বিপদসংকুলভাৱে যাতায়াত কৰি চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে।এইখিনিতে উল্লেখনীয় যে,জিলাখনৰ পশ্চিম নলবাৰীৰ বিহামপুৰৰ পৰা বৰবদী হৈ বাঁহজানীৰ মাজেৰে নলবাৰী-হাজো পথৰ বগলচ্‌ৰোড চ'ক সংযোগী লোকনিৰ্মাণ পথটো ৰাজ্যচৰকাৰৰ ২০২১-২২ বিত্তীয় বৰ্ষৰ চি আৰ আই এফ আঁচনিৰ অধীনত বিগত ২০২১ চনৰ ২৩ ফেব্ৰুৱাৰীতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰি পথটোৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰিছিল যদিও পথটো নিৰ্মাণৰ বাবে বিভাগীয়ভাৱে আবণ্টন পোৱা ঠিকাদাৰজনে পথটোৰ নিৰ্মাণকাৰ্য ইমানে লেহেমীয়া কৰিছে যাৰ বাবে যোৱা তিনি বছৰে পথটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠা নাই ।পথটোৰ নিৰ্মাণ কাৰ্য বিহামপুৰৰ পৰা বাঁহজানীৰ গোপালথান পলিটেকনিকেল ইনষ্টিটিউচন (হাইস্কুল) ৰ সন্মুখলৈ হ'ল যদিও তাৰপৰা বগলচ্‌ৰোড চ'কলৈ প্ৰায় চাৰি কিলোমিটাৰ পথৰ আজিলৈ কোনোধৰণৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা পৰিলক্ষিত হোৱা নাই ।উল্লেখ্য যে,পথটোৰ নিৰ্মাণৰ দায়িত্বত থকা ঠিকিদাৰে নিজ মইমতালিৰে কামটো পেলাই থোৱাত ৰাইজে বছৰ বছৰ ধৰি যাতায়াতৰ নামত এনেদৰে জীয়াতু ভোগকৰি থাকিব লগীয়া হৈছে বুলি ৰাইজে অভিযোগ কৰিছে ।অতি ব্যস্ত আৰু গুৰুত্বপূৰ্ণ হিচাপে চিহ্নিত হোৱা উক্ত পথটোৰ এনে দুৰৱস্থা হোৱাৰ পিছতো ঠিকাদাৰে নিৰ্মাণৰ কামত গাফিলতি কৰা কাৰ্যৰ ওপৰত লোক নিৰ্মাণ বিভাগ অথবা জিলা



প্ৰশাসনে কি কাৰণত আজিলৈ কোনো ব্যৱস্থা লোৱা নাই তাক লৈ ৰাইজে প্ৰশ্ন কৰিছে ।স্মৰ্তব্য যে, স্থানীয় বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বাঁহজানীৰ চান্দকুছিত থকা ঘৰৰ সমীপৰে যোৱা অতি ব্যস্ত লোকনিৰ্মাণ পথটোৰ এনে বিধ্বস্ত ৰূপ আৰু ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত ভূগি থকা দুৰ্দশাৰ সকলো কথা দেখি-শুনিও বিধায়ক তথা মন্ত্ৰী গৰাকীৰ নিৰৱ ভূমিকাক লৈ ৰাইজ ক্ষোভিত হৈ পৰিছে ।সেয়েহে অতি সোনকালে পথটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি দীৰ্ঘদিনীয়া যাতায়াতৰ সমস্যা দূৰ কৰিবলৈ ৰাইজৰ লগতে বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থা,অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বাঁহজানী আঞ্চলিক সমিতি,বৃহত্তৰ বাঁহজানী সন্মিলিত ঐক্যমঞ্চ,বাঁহজানী আঞ্চলিক সাংস্কৃতিক সমন্বয় গোষ্ঠী,বৃহত্তৰ বাঁহজানী নাগৰিক মঞ্চকে ধৰি কেইবাটাও দল-সংগঠনে স্থানীয় বিধায়কৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে।

# শ্ৰীশ্ৰী নিত্যানন্দ দেৱৰ তিৰোভাৱ তিথি আৰু ভাওনা সমাৰোহ

**গণ বাৰ্তা, শিৱসাগৰ, ২৫ জুন ঃ** শিৱসাগৰৰ কাঠপাৰ সন্মিলিত যুৱ সমাজৰ উদ্যোগত শ্ৰীশ্ৰী নিত্যানন্দ দেৱ থান পৰিচালনা সমিতি আৰু বানমুখ-পাণবেচাবাসী ৰাইজৰ সহযোগত অলপতে শ্ৰীশ্ৰী নিত্যানন্দ দেৱ থান আৰু কাঠপাৰ ৰংগমঞ্চত অনুষ্ঠিত হয় শ্ৰীশ্ৰী নিত্যানন্দ দেৱ গুৰুজনাৰ ৩৭৫সংখ্যক তিৰোভাৱ তিথি আৰু ভাওনা সমাৰোহ। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা, ধৰ্মধ্বজা উত্তোলন, ভাগৱত স্থাপন, শোভাযাত্ৰা আদি কাৰ্যসূচী সূচাৰুৰূপে সম্পন্ন হয়। ভাওনা সমাৰোহত কাঠপাৰ যুৱক-যুৱতীসকলৰ দ্বাৰা 'কংস বধ', বানমুখৰ অব্জনাভ সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা 'দক্ষ যজ্ঞ', পাতৰ গাঁৱৰ পাৰিজাত নাট্য গোষ্ঠীৰ দ্বাৰা 'গজকেতু উপাখ্যান, ধৃতৰাষ্ট্ৰৰ দ্বিগবিজয়', ত্ৰিনেত্ৰ সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা 'শ্ৰীশ্ৰী ভাগৱত দৰ্শন', মটক গোহাঁই গাঁৱৰ চক্ৰপাণি নাট্যগোষ্ঠীৰ দ্বাৰা 'সাৱিত্ৰী সত্যৱান', ২নং কাঠপাৰৰ হৃষীকেশ নাট্যগোষ্ঠীৰ দ্বাৰা 'ৰাম বিজয়' আৰু বানমুখৰ অব্জনাভ সাংস্কৃতিক গোষ্ঠীৰ শিশুসকলে অভিনয় কৰা 'একলব্যৰ গুৰু দক্ষিণা' প্ৰদৰ্শন হয়। শেষৰ দিনা অনুষ্ঠিত 'একলব্যৰ গুৰু দক্ষিণা' ভাওনাত শিশুসকলৰ অভিনয়ৰ প্ৰতি আকৃষ্ট হৈ শ্ৰীশ্ৰী নিত্যানন্দ দেৱ থানৰ নামঘৰীয়া পংকজ দত্তই শিশুসকললৈ এক আৰ্থিক অনুদান আগবঢ়ায়।

# মিনু লহকৰ ভূঞাৰ মৃত্যুত সৰ্থেবাৰীত শোকৰ ছাঁ



**গণ বাৰ্তা, চেঙা, ২৫ জুন ঃ** সৰ্থেবাৰীৰ পুৰন্দৰ লহকৰ আৰু ভোগ্যশ্বৰী লহকৰৰ কনিষ্ঠ কন্যা তথা ভূপেন্দ্ৰনাথ ভূঞাৰ সহধৰ্মিণী মিনু লহকৰ ভূঞাৰ যোৱা ১৪ জুনত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৭ বছৰ। কৰ্মসূত্ৰে গুৱাহাটীৰ ফটাশিলৰ বাসিন্দা হৈ পৰা মিনু লহকৰ ভূঞাৰ মৃত্যুত সৰ্থেবাৰীৰ লগতে ফটাশিল আমবাৰীত শোকৰ ছাঁ পৰে। ১৯৯৩ চনত মিনু লহকৰ সৰ্থেবাৰীৰ বাসিন্দা ভূপেন্দ্ৰ নাথ ভূঞাৰ লগত বিবাহপাশত আবদ্ধ হয়। মিনু লহকৰ ভূঞাই বিবাহৰ পিছত অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি শিক্ষাৰ লগত জড়িত হৈ পৰে। তেওঁ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানত ব্যস্ত হৈ পৰে। তদুপৰি তেওঁ মৃত্যুৰ সময়লৈকে ভূমানন্দপুৰ বিষ্ণু নামঘৰৰ লগত জড়িত হৈ থকাৰ লগতে তেওঁ বিভিন্ন উন্নয়নমূলক সামাজিক কাম-কাজ, নাৰী শিক্ষাৰ উন্নতিৰ কামত নিজকে ব্ৰতী কৰি ৰাখিছিল। দীৰ্ঘদিন ধৰি তেওঁ মধুমেহ ৰোগত ভুগি আছিল। বহিঃৰাজ্যৰ এখন চিকিৎসালয়ত চিকিৎসধীন হৈ যোৱা ১৪ জুনত তেখেত ইহ সংসাৰত এৰি যায়। শিক্ষক স্বামীৰ লগতে গুৱাহাটী আই আই টিত কৰ্মৰত পুত্ৰ মানসজ্যোতি ভূঞা আৰু হায়দৰাবাদত কৰ্মৰত কন্যা অংকিতা ভূঞাক এৰি যায়।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক কলা শাখাৰ চূড়ান্ত পৰীক্ষাত বাহনা মহাবিদালয়ৰ মাধুৰীমা বৰুৱাৰ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান

**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট,২৫ জুন ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সদ্যঘোষিত স্নাতক কলা শাখাৰ চূড়ান্ত পৰীক্ষাত যোৰহাটৰ বাহনা মহাবিদালয়ৰ মাধুৰীমা বৰুৱাই ইংৰাজী বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। একে বিভাগৰে প্ৰাৰ্থনা বৰুৱাই প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান লাভ কৰিছে। আনহাতে, শিক্ষা বিভাগত অৰ্পিতা শইকীয়াই প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, বুৰঞ্জী বিভাগৰ গাৰ্গী শৰ্মাই প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান, বৃষ্টি বৰাই অষ্টম স্থান লাভ কৰিছে। সামগ্ৰিকভাৱে মহাবিদ্যালয়ৰ ৭৭ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। স্মৰ্তব্য, ১৯৬৬ চনত গ্ৰামাঞ্চলত প্ৰতিষ্ঠা হোৱা বাহনা মহাবিদ্যালয়ে নাকৰ তৃতীয় চক্ৰৰ মূল্যায়নত এ-প্লাছ গ্ৰেড লাভ কৰিছিল। মহাবিদ্যালয়ৰ সফলতাত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু সংশ্লিষ্ট সকলোকে অধ্যক্ষ ড° চুম্বিত চলিহাই ধন্যবাদ জনাইছে।



# সজাগতা সভা

**গণ বাৰ্তা, পশ্চিম যোৰহাট, ২৫ জুন ঃ** দেশ আৰু ৰাজ্যৰ মহিলাসকলক সবলীকৰণ কৰাৰ লগতে বিভিন্ন সা-সুবিধা প্ৰদানৰ উদ্দেশ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বহু আঁচনি গ্ৰহণ কৰি ৰূপায়ণ কৰি আছে। সেই আঁচনিবোৰৰ সম্পৰ্কত জনসাধাৰণক অৱগত কৰাৰ উদ্দেশ্যে এশদিনীয়া বিশেষ সজাগতা সভা সমাজ কল্যাণ বিভাগৰ উদ্যোগত স্বাস্থ্য বিভাগৰ লগতে অন্যান্য অনুষ্ঠানৰ জৰিয়তে অনুষ্ঠিত কৰিবলৈ দেশৰ প্ৰতিখন জিলালৈকে কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশনা দিছে। সেই নিৰ্দেশনা অনুযায়ী কালিৰে পৰা আৰম্ভ হোৱা এশদিনৰ বিশেষ সজাগতা সভা যোৰহাট জিলা সমাজ কল্যাণ বিভাগে পৰ্বতীয়া উপস্বাস্থ্য কেন্দ্ৰত যোৰহাট জিলা ভিত্তিত আৰম্ভ কৰে। জিলা সমাজ কল্যাণ বিভাগৰ মিছন সমন্বয়ক সংযুক্তা ভূঞা, জিলা প্ৰকল্প সহায়ক ৰফিকা চুলতানা, জিলা কাৰ্যক্ৰম সমন্বয়ক তন্ময় আচাৰ্য, লিংগ বিশেষজ্ঞ পায়েল বৰবৰা, নীতাশ্ৰী দত্তৰ লগতে উত্তৰ-পশ্চিম যোৰহাট সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া মনোৰমা বৰদলৈ আৰু পৰ্বতীয়া স্বাস্থ্যউপ কেন্দ্ৰৰ ডাক্তৰ দীননাথ মিলিয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰা আৰু সুৰক্ষা দিয়াৰ বাবে দেশ আৰু ৰাজ্যত ৰূপায়ণ কৰি থকা আঁচনিসমূহৰ সম্পৰ্কত ব্যাখ্যা কৰাৰ লগতে এই আঁচনিসমূহ লাভ কৰিবলৈ কৰা আবেদনৰ প্ৰক্ৰিয়া আৰু সংলগ্ন কৰি দিবলগীয়া নথি-পত্ৰৰ সম্পৰ্কত অৱগত কৰাৰ উপৰি প্ৰতিখন আঁচনিৰ বাবে চৰকাৰৰ ট'লফ্ৰি নম্বৰো ৰাজহুৱাকৈ অৱগত কৰে। মুখ্য সেৱিকা সুমিত্ৰা চুতীয়াই আঁতধৰা সভাখনত ভাতেমৰা আৰু পৰ্বতীয়া ৰাজহ গাঁৱৰ চৰকাৰী গাঁওপ্ৰধানৰ লগতে পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, স্থানীয় বহুসংখ্যক, অঙ্গনৱাড়ী কৰ্মী, সহায়িকা, আশাকৰ্মী, স্থানীয় লোক, স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# আলোপতিচৰত ভয়ংকৰ পথ দুৰ্ঘটনা ঃ আহত ৩

**গণ বাৰ্তা, নগৰবেৰা, ২৫ জুন ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতি চৰ আৰক্ষী থানাৰ অন্তৰ্গত আলোপতিত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুখন বাইকৰ মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত তিনিজন লোক আহত হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে । জানিব পৰা মতে দুৰ্ঘটনাত আহত ৰবিউল হাছান, ছাদ্দাম হুছেইন আৰু জেচমিনা খাতুনক স্থানীয় লোকে ততাতয়াকৈ আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও চিকিৎসকে ৰবিউল হাছান আৰু ছাদ্দাম হুছেইনৰ অৱস্থা সংকট জনক দেখি জিএমচিএইচলৈ প্ৰেৰণ কৰে। ঘটনাৰ খবৰ পাই ঘটনাস্থলীত বহু লোকৰ সমাগম ঘটাত স্থানীয় লোকে আলোপতিচৰ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ এটি দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে দুৰ্ঘটনাত পতিত হোৱা বাইক দুখন জব্দ কৰি থানালৈ লৈ যায় ।দুৰ্ঘটনাত পতিত হোৱা বাইক দুখনৰ নম্বৰ ক্ৰমে এএছ ১৫ পি ৫০০৮ আৰু এএছ ২৫ পি ০৪০৩।এই ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**গণ বাৰ্তা, চিনামৰা, ২৫ জুন ঃ** যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশনখনি ১৫১নং পৰ্বতীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হৈ যায়। যোৱা ২২ জুনত হেজাৰী শাখাৰ উদ্যোগত দিনযোৱাকৈ অনুষ্ঠিত হোৱা উক্ত সন্মিলনীৰ লগত সংগতি ৰাখি পুৱা ৯ বজাত যোৰহাট খণ্ডৰ অন্তৰ্গত প্ৰতিখন শাখাৰ সভাপতিসকলে নিজ নিজ শাখাৰ পতাকা উত্তোলন কৰে। খণ্ড প্ৰাথমিকৰ উপদেষ্টা প্ৰাঞ্জল বৰাই স্মৃতি তৰ্পণ মুকলি কৰাৰ পাছতে যোৰহাট শিক্ষা খণ্ডৰ ১৪ খন শাখাৰ ৭০গৰাকী প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত হোৱা প্ৰতিনিধি আৰু বিষয় বাছনি সভাত সম্পাদক চন্দন জ্যোতি শৰ্মাই বিগত কাৰ্যকালৰ সম্পাদকীয় আৰু আয়-ব্যয়ৰ প্ৰতিবেদন পাঠ কৰে। উক্ত অনুষ্ঠানতে পুৰণা সমিতিখনে পদত্যাগ কৰাৰ পাছতে বিগত সমিতিৰ সভাপতি পুণ্যেশ্বৰ বৰা আৰু সম্পাদক চন্দন জ্যোতি শৰ্মাক পুনৰ সভাপতি আৰু সম্পাদকৰূপে নিৰ্বাচিত কৰি এখন শক্তিশালী সমিতি গঠন কৰা হয়। বিষয় বাছনি সভাৰ পিছতে মধ্য যোৰহাট শিক্ষাখণ্ডৰ সভাপতি ৰমেন শৰ্মাই উদ্বোধন কৰা তথা পুণ্যেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত যোৰহাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মনিশ ঠাকুৰে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। হেজাৰী শাখাৰ শিক্ষয়িত্ৰীসকলে এটি সমবেত গীতেৰে শুভাৰম্ভণি কৰা উক্ত সভাতে শিক্ষক বিনয় শইকীয়াৰ সম্পাদনাত তথা ঋণুমী ভাগৱতী, আকাশবন্তী বৰা আৰু ৰমেন সোণোৱালৰ সহযোগিতাত প্ৰকাশ কৰা হাতেলিখা আলোচনী "জ্ঞানাঞ্জন" উন্মোচন কৰে যোৰহাট জিলা সন্মিলনীৰ সম্পাদক অনুপম গগৈয়ে। বিশিষ্ট অতিথি মনিশ ঠাকুৰকে প্ৰমুখ্য কৰি অনুপম গগৈ, অনিল হাজৰিকা, ত্ৰিদিব বৰুৱা আৰু যাদৱ নেওগে বক্তৃতা প্ৰদান কৰা সভাত ১৫১নং পৰ্বতীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি বিষ্ণুপুৰ মজদুৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বৰ্ণালী সুষমা দেৱী আৰু লহপহীয়া বাগিচা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী অনন্যা বৰুৱাই কেইবাটিও গীত-মাত পৰিৱেশন কৰে।

# দৰঙৰ গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী

**ষ্টাফ ৰিপ'ৰ্টাৰ, মঙলদৈ, ২৫ জুন ঃ** দৰংজিলাৰ মঙলদৈ নগৰৰ নিকটৱৰ্তী হাজৰিকাপাৰাৰ গান্ধীস্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী সমাৰোহ খনি অহা ২৯, ৩০ নৱেম্বৰ আৰু ১ ডিচেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। ১৯৪৮ চনত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ স্মৃতিত স্থাপিত জিলা খনৰ পুৰণি অথচ বৃহত্তৰ অঞ্চলটিৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান খনিৰ ৭৫ বছৰীয়া বৰ্ণিল ইতিহাস ৰোমন্থনৰ বাবে আয়োজিত মহাৰজত জয়ন্তী উদযাপনৰ বাবে ইতিমধ্যে ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীক সভাপতি, প্ৰাক্তন ছাত্ৰ নৱ কুমাৰ ডেকাক কাৰ্য্যকৰী সভাপতি, বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক হৰেন কলিতাক সাধাৰণ সম্পাদক, প্ৰাক্তন ছাত্ৰ নব কুমাৰ শৰ্মা আৰু প্ৰাক্তন ছাত্ৰ টঙ্কেশ্বৰ শইকীয়াক যুটীয়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে । ইয়াৰ উপৰিও প্ৰাক্তন ছাত্ৰ দেবেন্দ্ৰ চন্দ্ৰ ডেকাক সভাপতি,প্ৰাক্তন ছাত্ৰ পৰন কুমাৰ কলিতাক সম্পাদক হিচাপে লৈ প্ৰাক্তন ছাত্ৰ ছাত্ৰী সতীৰ্থ সন্মিলন উপসমিতি, প্ৰাক্তন ছাত্ৰ, মাধৱ শৰ্মাক সভাপতি, প্ৰাক্তন ছাত্ৰ ড° ৰিবলু ডেকাক মুখ্য সম্পাদক আৰু প্ৰাক্তন ছাত্ৰ বিচিত্ৰ কুমাৰ মেধী আৰু বিদ্যালয়খনৰ শিক্ষয়িত্ৰী অৰ্চনা নন্দিতা শৰ্মাক যুটীয়া সহকাৰী সম্পাদক হিচাপে লৈ স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি গঠন কৰা হৈছে । প্ৰাক্তন ছাত্ৰ তাৰিণী চহৰীয়াক সভাপতি, তদুপৰি প্ৰাক্তন ছাত্ৰ বীৰেশ্বৰ হাজৰিকাক সম্পাদক হিচাপে লৈ বিত্তীয় সমিতি খন গঠন কৰা হৈছে। সৰ্বমুঠ বাইছ খন উপসমিতি গঠনৰে মহাৰজত জয়ন্তীৰ উদযাপনৰ প্ৰতিটো কাৰ্যসূচী সফল ৰূপায়নৰ বাবে কৰ্মসূচী হাতত লোৱা হৈছে বুলি কাৰ্যকৰী সভাপতি নৱ কুমাৰ ডেকাই জনাইছে। প্ৰস্তুতি পূৰ্ণাংগৰূপ দিয়াৰ বাবে বিদ্যালয় প্ৰাঙ্গনত উদযাপনৰ সমিতিৰ কাৰ্য্যকৰী সভাপতি নৱ কুমাৰ ডেকাৰ সভাপতিত্বত অলপতে এখন বিশেষ ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সৰ্বসন্মত ভাৱে বাকী থকা বাৰখন উপসমিতি গঠন কৰাৰ লগতে উপ সমিতিৰ সভাপতি, সম্পাদক আৰু সদস্য সকলক নিৰ্বাচিত কৰা হয়। উল্লেখযোগ্য যে বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমানলৈ সমগ্ৰ ইতিহাস ধৰি ৰখাৰ প্ৰচেষ্টাৰে এখন তথ্য সমৃদ্ধ স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে ৰাজ্য খনৰ বিভিন্ন প্ৰান্তত কৰ্মৰত প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ পৰা বিদ্যালয়ৰ স্মৃতি বিজৰিত লিখনি পঠিয়াবলৈ আহ্বান জনোৱা হৈছে। লিখনিসমূহ ৩১ জুলাইৰ ভিতৰত সমিতিৰ ঠিকনাত পঠিয়াবলৈ অনুৰোধ জনাইছে। ইয়াৰ উপৰি ৰাজ্যখনৰ ভিন্ন প্ৰান্তত থকা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী সকলক মহাৰজত জয়ন্তী উদযাপন সমিতি অথবা বিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# মানুহে মানুহৰ বাবে গ্ৰুপৰ সৌজন্যত ৰাভা দিৱস পালন

**গণ বাৰ্তা, লেখাপানী, ২৫ জুন ঃ** সমাজৰহিতে বিভিন্ন ধৰণৰ প্ৰগতি আৰু উন্নতিৰ কথা চিন্তা কৰি পথাৰ শিল্পী লোহিত গগৈৰ নেতৃত্বত প্ৰতিষ্ঠা হৈছিল মানুহে মানুহৰ বাবে নামৰ এটা গ্ৰুপ । তিনিটা বছৰ অতিক্ৰম কৰা মানুহে মানুহৰ বাবে গ্ৰুপে অসমৰ বিভিন্ন প্ৰান্তত অৰ্থনৈতিকভাৱে দুৰ্বল লোকক শিক্ষা, স্বাস্থ্য, বাসস্থান, কৰ্মসংস্থাপন, গছপুলি ৰোপণ ইত্যাদিৰে সহায়ৰ হাত আগবঢ়াই আহিছে। উক্ত গ্ৰুপটোত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে বহিঃৰাষ্ট্ৰ আৰু বহিঃৰাজ্যত বহুতো সমাজকৰ্মী জড়িত হৈ প্ৰতিমাহে নিম্নতম এশ টকাকৈ অনুদান আগবঢ়াই মানুহে মানুহৰ বাবে নামৰ বেচৰকাৰী অনুষ্ঠানটিয়ে সমাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। দেওবাৰে মানুহে মানুহৰ বাবে গ্ৰুপৰ উদ্যোগত আৰু কেনিয়া গাঁৱৰ ৰাইজৰ সহযোগত তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত কেনিয়া গাঁৱৰ ৰাজহুৱা মঞ্চত ক'লা গুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন আৰু সম্বৰ্ধনা অনুষ্ঠান লগতে বৃক্ষ ৰোপণ আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰে । উক্ত অনুষ্ঠানটিৰ লগত সংগতি ৰাখি অসমৰ জনপ্ৰিয় প্ৰকৃতি প্ৰেমী তথা শিৱসাগৰ সোনাৰীৰ ব্যক্তি অনুপ পাটকাই নামৰ ব্যক্তি গৰাকীক মানুহে মানুহৰ বাবে গ্ৰুপৰ সদস্য সকলে 'সেউজ কোঁৱৰ' উপাধিৰে বিভূষিত কৰে। অনুপ পাটকাই ডাঙৰীয়াই ইতিমধ্যে শিৱসাগৰ অঞ্চলৰ বহুতো গাঁৱত প্ৰায় লক্ষাধিক মূল্যৱান গছ নিজা প্ৰচেষ্টাৰে ৰোপণ কৰি প্ৰকৃতি সুন্দৰ কৰি তোলাৰ বাবে মানুহে মানুহৰ বাবে গ্ৰুপে আপ্লুত হৈ এই উপাধি প্ৰদান কৰে। পথাৰ শিল্পী লোহিত গগৈয়ে আঁত ধৰা সভাখনত উপস্থিত থাকে বিশিষ্ট কবি, সাহিত্যিক ড° ৰঞ্জিত দত্ত , অৱসৰপ্ৰাপ্ত অতিৰিক্ত জিলা উপায়ুক্ত যোগেশ দাস, মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ৰ সঞ্চালক সুশান্ত দত্ত, মানুহে মানুহৰ বাবে গ্ৰুপৰ কাৰ্যকৰী সভাপতি শৈলেন বৰুৱা, সম্পাদক ক্ৰমে— সঞ্জীৱ কুমাৰ ফুকন, পৰমা ফুকন, সূৰ্য বৰগোহাঁই, শিল্পী মাধৱ ৰঞ্জন আদি কৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# কালাতলীৰ দাসপাৰাত ড্ৰাগছবিৰোধী সজাগতা সভা



**গণ বাৰ্তা, সোণতলী, ২৫ জুনঃ** ছয়গাঁও সমষ্টিৰ অন্তৰ্গত দাসপাৰাত কালি ড্ৰাগছবিৰোধী এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে ছয়গাঁও, বকো সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী, কালাতলী, সোণতলী, চাম্পুপাৰা, জোবশিমুলী আদি অঞ্চলত সম্প্ৰতি ব্যাপক হাৰত অবৈধ মদ, জুৱা, ভাং, তীৰ, ড্ৰাগছ আদি অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাইছে। সমষ্টিৰ উল্লেখিত অঞ্চলৰ বিভিন্ন হাট-বজাৰ, তিনিআলি নাইবা চাৰিআলি চ'কত একাংশ ধুৰন্ধৰ ব্যৱসায়ীয়ে নিৰ্বিঘ্নে চলাই গৈছে অবৈধ বেহাসমূহ। ইয়াৰোপৰি অবৈধ তীৰখেলৰ কবলত পৰিছে গ্ৰামাঞ্চলৰ বিদ্যালয় তথা মহাবিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী-শিক্ষক, ঠেলাচালক তথা দিন-হাজিৰা কৰা লোকসকল। অতি কম সময়ৰ ভিতৰতে অধিক লাভৱান হোৱাৰ আশাত অবৈধ তীৰখেলৰ লগত জড়িত হৈ বহুলোক সৰ্বস্বান্ত হৈ পৰাত তেওঁলোকৰ পৰিয়ালৰ মাজত অমানিশা নামি আহিছে। ইয়াৰোপৰি গ্ৰামাঞ্চলত ক্ৰমান্বয়ে অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে মদ, ড্ৰাগ্ছ আৰু গাঞ্জা সেৱনকাৰীৰ সংখ্যা। সমাজৰ একাংশ বয়োজ্যেষ্ঠ ব্যক্তিৰ পৰা আৰম্ভ কৰি যুৱ-প্ৰজন্ম তথা একাংশ শিক্ষকে নিৰ্বিঘ্নে মদ সেৱন কৰি গ্ৰামাঞ্চলৰ সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰামতে দাসপাৰাত ২৩ জুনত ড্ৰাগ্ছবিৰোধী এখন সজাগতা সভা অনুষ্ঠিত কৰে। নৈমুদ্দিনৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গাঁওপ্ৰধান মহিৰুদ্দিনে। সভাত ৰবিউল হুছেইন, চান মামুদ, জহিৰুদ্দিন, ছামিদুল ইছলাম, ছবুৰ উদ্দিন, মিজানুৰ ৰহমানে ড্ৰাগ্ছ, মদ, ভাং আদি নিষিদ্ধ সামগ্ৰীৰ ভয়াৱহতা সম্পৰ্কে মতামত আগবঢ়ায়। ইপিনে সভাত স্থানীয় ফাৰ্মাচীসকলকো ড্ৰাগ্ছ ইনজেকচন বিক্ৰী নকৰিবলৈ সতৰ্ক কৰা হয়। আনহাতে উক্ত সভাত মিজানুৰ ৰহমানক সভাপতি আৰু ছবুৰ উদ্দিনক সম্পাদক হিচাপে লৈ ২১ জনীয়া সদস্যৰে এখন ড্ৰাগ্ছবিৰোধী সমিতি গঠন কৰা হয়।

# বাক্সাৰ আনন্দবজাৰত আমছুৰ তীব্ৰ প্ৰতিবাদ ঃ তিনি নেতাক গ্ৰেপ্তাৰ

**গণ বাৰ্তা, শালবাৰী, ২৫ জুনঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত আনন্দ বজাৰত বাঁ'ঃ জিলা আমছুৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। নগাঁওৰ জিলাৰ লাওখোৱা অভয়াৰণ্যত বনবিভাগৰ নিৰ্বিচাৰে কৰা গুলিচালনাত একে ঘৰৰ দুই ভাতৃ নিহত হোৱাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ প্ৰতিমূৰ্তি দাহ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত শালবাৰী থানাৰ আৰক্ষীয়ে বাধা প্ৰদান কৰে। আৰু প্ৰতিবাদস্থলীৰ পৰা সংগঠনটোৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ছাইফুল ইছলাম খান, বাঁ'ঃ জিলা আমছুৰ সভাপতি আব্দুল ৰহিম, সাধাৰণ সম্পাদক নুৰ নবি মুল্লাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আৰক্ষী থানালৈ লৈ যায়। আৰক্ষীৰ এই কাণ্ডত তীব্ৰ গৰিহণা দিয়ে



সংগঠনটো নেতা সকলে। আৰু এয়া বিজেপি চৰকাৰৰ ব্যৰ্থতাৰ প্ৰমান দিয়ে বুলি সমালোচনা কৰি অনতি পলমে নগাঁও কাণ্ডৰ এক তদন্ত কৰি দুখিক উচিত শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়।

# হাজোৰ পাখামেলাত তীব্ৰ যান-জঁটে যমৰ যাতনা ভোগাইছে পথচাৰীক

**গণ বাৰ্তা বিশেষ হাজো,২৫ জুনঃ** তীৰ্থ নগৰী হাজোৰ ব্যৱসায় বাণিজ্যৰ মূল কেন্দ্ৰ স্থল পাখামেলা চ'কত ই-ৰিক্সাৰ লগতে যথে মধে সৰু বৰ গাড়ীসমূহ পাৰ্কিং কৰাৰ ফলত সাধাৰণ পথচাৰীকে ধৰি বজাৰ সমাৰ কৰিবলৈ অহা লোকসকলে ভীষণ সমস্যাত ভুগিব লগা হৈছে। হাজো-নলবাৰী, হাজো-ৰামদিয়া পথৰ মুল চ'কটোতে ই-ৰিক্সা,টেম্প' মটৰ চাইকেল সমূহ মূল পথত পাৰ্কিং কৰি পথচোৰা একপ্ৰকাৰ বন্ধ কৰি থয়। ইয়াৰ লগতে পথত থকা একাংশ শাক পাচলিৰ দোকানৰ বাবেও হৈছে ভীষণ সমস্যা।এই পথটোৰে যদি সংকটজনক ৰোগী এজনকো এম্বুলেন্সত চিকিৎসালয়লৈ নিব লগা হয় তেন্তে কেতিয়াবা যান জঁট দূৰ কৰিহে যাব লগা হয়। উল্লেখ্য যে এই পথটোৰেই হৈছে হয়গ্ৰীৱ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰ দৰ্শন কৰিবলৈ যোৱা একমাত্ৰ পথ। আনহাতে, এই গুৰুত্বপূৰ্ণ অঞ্চলত এটা স্থায়ী ট্ৰেফিক পইণ্ট নথকাৰ ফলত সঘনে সংঘটিত হৈ আহিছে সৰু বৰ পথ দুৰ্ঘটনা। স্থানীয় ৰাইজে দাবী জনাইছে যদিও এইক্ষেত্ৰত কানখাৰ নাই বিভাগ কিম্বা জনপ্ৰতিনিধিৰ। আনহাতে এই অঞ্চলৰ বাট পথ সমূহৰ ফুটপথ সমূহটো একাংশ ব্যৱসায়ী লোকে ফল মূল তামোল পাণৰ দোকান স্থাপন কৰি একপ্ৰকাৰ পথটো ঠেক কৰি তুলিছে। ব্যৱসায়ী সকলে পদ পথত নিজৰ দোকানৰ সামগ্ৰী সমূহ থৈ দিয়াৰ ফলটো ফুট পাথৰে খোজকাঢ়ি যোৱা লোক সকলে যথেষ্ট সমস্যাৰ সন্মুখীন হবলগীয়াত পৰে।এনেদৰে ব্যৱসায়ী লোক সকলে পদপথ আবৰি ৰখাৰ ফলত পথচাৰী সকলে ভীষণ সমস্যাত ভুগিব লগা হৈছে। অতি শীঘ্ৰে বৃহত্তৰ হাজো অঞ্চলৰ অতিকৈ ব্যস্ত গুৰুত্বপূৰ্ণ ব্যৱসায়ীক প্ৰাণকেন্দ্ৰ পাখামেলা চ'কত অঞ্চলটোৰ ৰাইজৰ সুবিধা হোৱাকৈ এক স্থায়ী সমাধান বিচাৰিছে জিলা প্ৰশাসনৰওচৰত আবেদন জনাইছে সৰ্বসাধাৰণ ৰাইজে।বিশেষকৈ ই ৰিক্সা চালক সকলৰ একাংশই নীতি বহিৰ্ভূত ভাবে জধে মধে ৰিক্সা চলাই আৰব্ধ কৰি ৰখা পাখামেলা চ'কত এক সুষ্ঠ পৰিৱেশ গঢ়ি তুলি পথচাৰী সকলৰ সমস্যা সমাধান কৰাৰ বাবে ৰাইজে আহ্বান জনাইছে।

# মন্দিয়াত ট্ৰাকৰ তলত বাইক ঃ কথমপি প্ৰাণৰক্ষা পতি-পত্নীৰ

**গণ বাৰ্তা, মন্দিয়া,২৫ জুনঃ** বৰপেটা জিলাৰ মন্দিয়া আৰক্ষী চকীৰ অন্তৰ্গত মন্দিয়া বজাৰত এজন স্থানীয় সৰবৰহী যুৱক আৰু যুৱকজনৰ পত্নী এক দুৰ্ঘটনাত পতিত হৈ কথমপি মৃত্যুমুখৰ পৰা ঘূৰি আহে। ঘটনাৰ বিৱৰণী অনুসৰি দিনৰ ১১.৩০ বজাত মন্দিয়া পুৰণি বাছ ষ্টেণ্ডত (মন্দিয়া প্ৰেছ ক্লাবৰ সন্মুখৰ) লোকনিৰ্মাণ পথৰ দুয়োকাষে ই-ৰিক্সা ৰখাই থোৱাত পথৰ মাজেদি এখন ট্ৰাক গৈ থকা অৱস্থাত এখন বাইক সন্মুখত পৰে। সৌভাগ্যক্ৰমে পত্নীক লৈ বজাৰলৈ আহি থকা বাইক আৰোহী, স্থানীয় সৰবৰহী যুৱকজনে পত্নীসহ জঁপিয়াই দিয়াত বাইক খন ট্ৰাকৰ ভিতৰত সোমাই পৰে যদিও বাইক আৰোহী দুয়ো পতি-পত্নীৰ কথমপি প্ৰাণৰক্ষা পৰে। দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতেই অঞ্চলব্যাপী তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে মন্দিয়া বজাৰ সংলগ্ন ভেলেঙী নদীৰ ওপৰত থকা দলংখন অতি ঠেক হোৱাৰ ফলত প্ৰতিদিনেই তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। যাৰ ফলত স্কুলীয়া ছাত্ৰ-ছাত্ৰী, চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী, ব্যৱসায়ী, সৰ্বসাধাৰণ ৰাইজে চৰম দুৰ্ভোগ ভুগিব লগা হয়। মন্দিয়া দলঙৰ পৰা ছামচুল মাৰ্কেটলৈ,পুৰণি বাছ আস্থানৰ পৰা ষ্টেট বেংকলৈ পথৰ দুয়োকাষে ৰখাই থোৱা ই-ৰিক্সাই চলাচলৰ ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজক যমৰ যাতনা ভোগাই আহিছে। একেদৰে হাৰ্ডৱেৰ, পাইকাৰী, গেলামাল আদিৰ সন্মুখত ৰখাই ট্ৰাক, মালবাহী ভানৰ পৰা সামগ্ৰী উঠা-নমা কৰাত সাধাৰণ লোক যাতায়াত কৰাত চৰম দুৰ্ভোগ ভোগাৰ লগতে প্ৰায়েই দুৰ্ঘটনা সংঘটিত হয়। সোমবাৰে হাটৰ দিনা মন্দিয়া বজাৰত শ শ ই-ৰিক্সাৰ দৌৰাত্ম্যত বয়-বস্তু কিনা-বেচা কৰিবলৈ অহা ব্যৱসায়ী,সৰ্বসাধাৰণ ৰাইজে ত্ৰাহি মধুসূদন সুঁৱৰিব লাগে। এইক্ষেত্ৰত মন্দিয়া আৰক্ষী চকীৰ আৰক্ষীয়ে সৰ্বসাধাৰণ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত ভূগি থকা দুৰ্ভোগৰ প্ৰতি কোনোধৰণৰ দৃষ্টিগোচৰ নকৰে বুলি সৰ্বসাধাৰণ ভুক্তভোগী ৰাইজে অভিযোগ উত্থাপন কৰি আহিছে।স্মৰ্তব্য যে পূৰ্বতে সোমবাৰে হাটৰ দিনা ভেলেঙী দলঙৰ দুয়োপাৰে আৰু পুৰণি বাছ আস্থানত আৰক্ষীৰ লোকে যান-জঁট নিয়ন্ত্ৰণ কৰিছিল যদিও সম্প্ৰতি সেয়া বন্ধ হৈ পৰিছে। অৱশ্যে মাজে-সময়ে গাড়ী-মটৰ, বাইকৰ পৰা জৰিমনা আদায়ৰ বাবে চাইৰেন বজাই মন্দিয়া আৰক্ষী বজাৰত উপস্থিত হোৱাটো পৰিলক্ষিত হয়। স্থানীয় প্ৰশাসনৰ বৰমূৰীয়া সকলেও মন্দিয়া বজাৰৰ জ্বলন্ত সমস্যা সমাধানৰ প্ৰতি নিৰ্লিপ্ত ভূমিকা প্ৰদৰ্শন কৰি অহাত ভুক্তভোগী সৰ্বসাধাৰণ ৰাইজ ক্ষোভিত হৈ পৰিছে। অতিশীঘ্ৰে মন্দিয়া বজাৰৰ জ্বলন্ত যানজঁটৰ সমস্যা সমাধান কৰি অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজক চৰম দুৰ্ভোগৰ পৰা ৰক্ষা কৰিবলৈ ভুক্তভোগী ৰাইজে স্থানীয় প্ৰশাসনৰ বৰমূৰীয়াক দাবী জনোৱাৰ লগতে বৰপেটা জিলা আয়ুক্তৰো দৃষ্টি আকৰ্ষণ কৰিছে।

## অসম সাহিত্য সভাৰ অসমতত্ত্ব গৱেষণা সংস্থানৰ দ্বাৰা প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট,২৫ জুনঃ** অসম সাহিত্য সভাৰ বিদ্যায়তনিক কেন্দ্ৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ডম্বেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানে সভাৰ এগৰাকী প্ৰাক্তন সভাপতি,অসমৰ প্ৰথিতযশা সাহিত্যিক হিতেশ ডেকাৰ জন্ম শতবৰ্ষ উপলক্ষ্যে স্নাতক পৰ্যায়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে । প্ৰবন্ধৰ বিষয়ঃ 'হিতেশ ডেকাৰ উপন্যাসত সমাজ জীৱনৰ প্ৰতিফলন'। প্ৰবন্ধসমূহ দুহেজাৰ শব্দৰ ভিতৰত লিখা হ'ব লাগিব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰবন্ধসমূহ বগা কাগজৰ এপিঠত পৰিষ্কাৰ হাতৰ আখৰেৰে লিখি ৩১ জুলাই,২০২৪ খ্ৰীষ্টাব্দৰ ভিতৰত পোৱাকৈ এই ঠিকনালৈ পঠিয়াব পাৰিবঃ ডম্বৰুশ্ৰী হাজৰিকা,সমন্বয়ক,প্ৰাচ্যবিদ্যাৰ্ণৱ ডম্বেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান,অসম সাহিত্য সভা,দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱন,যোৰহাট-৭৮৫০০১,(ভ্ৰাম্যভাষঃ ৯৫৫৪৪ ০০২৪৪) ; নাইবা ৰামধেনু ফ্লেটৰ ১৪ পইণ্টত ডি.টি.পি.কৰি এই ঠিকনালৈ ই-মেইল কৰিব পাৰিবঃ digantakumar.m@gmail.com । সংস্থানৰ পঞ্জীয়ক ড°অদিতি বেজবৰুৱাই এক সংবাদ-বিজ্ঞপ্তিৰ জৰিয়তে এই কথা জানিবলৈ দিছে।

# বিষ্ণুপ্ৰিয়াৰ উদ্যোগত জাঁজীত ৰাভা দিৱস সম্পন্ন

**গণ বাৰ্তা, আমগুৰি, ২৫ জুনঃ** অসমীয়া জন জীৱনৰ আবেগ বিষ্ণু প্ৰসাদ ৰাভাৰ সোঁৱৰনত জাঁজী জামুগুৰিৰ নাট্য মন্দিৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে বিষ্ণুপ্ৰিয়া সাংস্কৃতিক গোষ্ঠীয়ে পালন কৰে ৰাভা দিৱস। প্ৰথম দিনা পুৱা বিভিন্ন কাৰ্য্যসূচীৰ অন্তত দিনৰ ১১ বজাৰ পৰা দুটা শাখাত অনুষ্ঠিত হয় চিত্ৰাংকণ প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাত প্ৰায় চাৰি কুৰি প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা ৰাভা সংগীত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উদ্বোধক কবি স্তম্ভলেখক মদন মোহন পাগবন্ধা, সাংস্কৃতিক কৰ্মী দেৱ বিকাশ দত্ত, বিপ্ৰ গগৈ, প্ৰতিম গগৈ, জৰাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী জিনুমা গগৈ, ভগামুখ তামুলীগাঁও এম ই স্কুলৰ শিক্ষক সঞ্জীৱ শইকীয়াকে ধৰি বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত উদ্বোধক মদন মোহন পাগবন্ধাই জনপ্ৰিয় কবি জোনালী ডেকাৰ তমোহৰদেউ কবিতাৰ পংকিৰে ভাষণ আৰম্ভ কৰি বিষ্ণুপ্ৰসাদ ৰাভাৰ শৈক্ষিক, ৰাজনৈতিক , সাংস্কৃতিক দিশৰ জাতীয়তাবাদৰ ধাৰা সম্পৰ্কে আলোচনা কৰাৰ লগতে ছাত্ৰ ছাত্ৰী সকলক ৰাভাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আগুৱাই যোৱাৰ আহ্বান জনায়। আজিৰ ৰাভা সংগীত প্ৰতিযোগিতাত প্ৰায় ৭০ জন ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চিত্ৰাংকণ প্ৰতিযোগিতাৰ নিম্ন শাখাত অন্তৰীক্ষ প্ৰীয়ম দত্ত প্ৰথম, কৃষ্ণেন্দু দত্ত দ্বিতীয়, নিবিড় মৰম গগৈ আৰু, নব্যাশ্ৰী গগৈ তৃতীয়, আয়ু পলে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। চিত্ৰাংকণৰ প্ৰতিযোগিতাৰ উচ্চ শাখাত যোৰহাটৰ ঋষিকেশ দাস প্ৰথম, আদ্যানদীপ গগৈ দ্বিতীয়, সৌম্যা সায়ন্তিনী সন্দিকৈ তৃতীয়, শ্ৰাৱনী গগৈয়ে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। ৰাভা সংগীত প্ৰতিযোগিতাৰ মৌ শাখাত দেবলীনা দেউৰী প্ৰথম, আৰাধ্য পাত্ৰ দ্বিতীয়, তনয়া হাজৰিকা আৰু কৃষ্ণেন্দু দত্ত তৃতীয় , প্ৰিঞ্চিপ্ৰিয়া সন্দিকৈ সুকৃতি সংস্কৃতা সন্দিকৈ, নব্যাশ্ৰী গগৈয়ে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে।ৰাভা সংগীত প্ৰতিযোগিতাৰ নিম্ন শাখাত শিল্পী বুঢ়াগোহাঁই প্ৰথম অনুৰাগী ফুকন আৰু আইৰিন গগৈ দ্বিতীয়, আৰ্যনীল দুৱৰা আৰু কৃত্তিকা প্ৰিয়দৰ্শিনি তৃতীয়, প্ৰদীপ্ত গগৈ, আকাংক্ষা টায়ে , সৃজন প্ৰতীম চাংমাইয়ে বিচাৰকৰ বিশেষ বঁটা লাভ কৰাৰ লগতে ৰাভা সংগীত প্ৰতিযোগিতাৰ উচ্চ শাখাত ডিয়া টাই প্ৰথম, উদয়ণ বৰা দ্বিতীয় : জয়ন আৰু আৰাধনা দাস তৃতীয় স্থান লাভ কৰে। দ্বিতীয় দিনা অনুষ্ঠিত হোৱা নৃত্য প্ৰতিযোগিতাৰ দলীয় নৃত্যত আমি নৃত্যাঞ্জলী ডান্স একাডেমী প্ৰথম, নৃত্যম ডান্স একাডেমী দ্বিতীয়, টিলাই টিলাই ডাল গ্ৰুপে তৃতীয় স্থান লাভ কৰে। নৃত্যৰ নিম্ন শাখা প্ৰথম স্থান অভিজ্ঞান শৰ্মা, দ্বিতীয় স্থান বিস্মিতা দত্ত, তৃতীয় স্থান কৃষ্টিনা গগৈ আৰু আৰাধ্যা নন্দিনী ফুকন, দিশা বৰা, আৰাধ্য দত্ত, অনুষ্কা বৰুৱা, নিমিষা বৰাই বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। নৃত্যৰ উচ্চ শাখাত প্ৰথম অংকিত শইকীয়া, দ্বিতীয় উজ্জয়িনী অলংকৃতা গগৈ,তৃতীয় অনুষ্কা নেওঁগ আৰু শিৱানী দত্তই বিশেষ বঁটা লাভ কৰে। অনুষ্ঠানটোৰ অন্যতম আকৰ্ষণীয় সকলো প্ৰতিযোগিৰ বাবে মুকলি ভাওনাৰ সংলাপ প্ৰতিযোগিতাত প্ৰথম পাপুলী গোস্বামী শৰ্মা, ত্ৰিদিশা বৰঠাকুৰ দ্বিতীয়, অন্বেষা মহন্তই তৃতীয় আৰু উপাসনা কলিতাই বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। আনহাতেদিবিষ্ণুপ্ৰিয়া সাংস্কৃতিক গোষ্ঠীৰ অন্তৰ্গত সংলাপ প্ৰতিযোগিতাত অঞ্জলি গগৈ শৰ্মা প্ৰথম, চুমি শইকীয়া দ্বিতীয়, অনিমা বুঢ়াগোঁহাই তৃতীয় আৰু মল্লিকা বৰুৱাই বিচাৰকৰ বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে নৱ গঠিত বিষ্ণুপ্ৰিয়া সাংস্কৃতিক গোষ্ঠীৰ ৰাভা দিৱসৰ কাৰ্যসূচীত সহযোগিতা আগবঢ়োৱাৰ সমূহ ৰাইজক সংবাদ মাধ্যমৰ জৰিয়তে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে অনুষ্ঠান তোৰ সভানেত্ৰী জুৰি গগৈ শইকীয়া আৰু সম্পাদিকা পূৰ্ণিমা ফুকন বৰুৱাই।

# তেজপুৰত আৰক্ষীৰ অভিযানত উদ্ধাৰ নকল ভীমশক্তি

**ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ, ২৫ জুনঃ** সুযোগ্য অসমীয়া উদ্যোগীৰ নিজাববীয়া উদ্ভাৱনেৰে উৎপাদন কৰা শিশু খাদ্যৰ ওপৰতো এতিয়া চকু পৰিল অসৎ বণিয়াৰ । ৰাজ্যখনৰ সৰ্বসাধাৰণ গ্ৰাহকৰ মাজত ক্ৰমান্বয়ে চাহিদা বৃদ্ধি পোৱা শিশুখাদ্য 'ভীমশক্তি'ৰ নামত এতিয়া বজাৰত সুলভ হৈ পৰিছে নকল ভীমশক্তি । উল্লেখ্য যে, যোৱা প্ৰায় ২০বছৰ ধৰি মাজুলীৰ প্ৰদীপ বৰা নামৰ উদ্যোমী লোকজনে নিজস্ব পৰিকল্পনাসহ ভীমকলৰ পৰা প্ৰস্তুত কৰা 'ভীমশক্তি' শীৰ্ষক ব্ৰেণ্ডৰ শিশুৰ বাবে উপযোগী স্বাস্থ্যসন্মত খাদ্যই বিশেষভাৱে সমাদৃত হোৱাৰ পাছত সম্প্ৰতি এখন বৃহৎ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে । যাৰবাবেই এতিয়া এই 'ভীমশক্তি'ৰ ওপৰত চকু পৰিল অসৎ চক্ৰৰ । অসৎ ব্যৱসায়ী চক্ৰই অধিক মুনাফা লাভৰ উদ্দেশ্যে বজাৰত নকল ভীমশক্তি বজাৰত মেলি দিয়াৰ সন্দৰ্ভত লাভ কৰা তথ্যৰ আধাৰত আজি 'ভীমশক্তি'ৰ প্ৰকৃত স্বত্বাধিকাৰী প্ৰদীপ বৰাই স্থানীয় পৰুৱাস্থিত 'এমএছ স্বস্তিকশ্ৰী ভাণ্ডাৰ' নামৰ এখন ঔষধৰ পাইকাৰী প্ৰতিষ্ঠানত গ্ৰাহকৰ ৰূপত উপস্থিত হয় আৰু নকল ভীমশক্তিৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ বিষয়টো হাতেলোটে ধৰা পেলায় । সেইমৰ্মে প্ৰদীপ বৰাৰ অভিযোগৰ ভিত্তিত আজি তেজপুৰ আৰক্ষীয়ে স্থানীয় মহাভৈৰৱ আৰক্ষীৰ সহযোগত উক্ত ঔষধৰ পাইকাৰী দোকানখনত আৰক্ষীৰদলে অভিযান চলাই বৃহৎ পৰিমাণৰ নকল ভীমশক্তি উদ্ধাৰ কৰিবলৈ সক্ষম হয় । আৰক্ষীয়ে এই নকল ভীমশক্তিখিনি জব্দ কৰাৰ লগতে এই নকল ব্যৱসায়ৰে জড়িত থকাৰ অভিযোগত উক্ত ঔষধ বিক্ৰী প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী শক্তিভূষণ দে' নামৰ যুৱকজনকো আটক কৰে। প্ৰণিধানযোগ্য যে , প্ৰদীপ বৰাৰ দ্বাৰা উৎপাদিত 'ভীমশক্তি' আৰু নকল 'ভীমশক্তি'ৰ টেমা দেখাত প্ৰায় একেই । যাৰবাবে তাৎক্ষণিক দৃষ্টিত সৰ্বসাধাৰণতে গ্ৰাহকে ভুল কৰাৰ যথেষ্ট সম্ভাৱনা আছে । বৰাৰ প্ৰতিষ্ঠানটোয়ে প্ৰস্তুত কৰা শিশুখাদ্যটোৰ টেমাটোত অসমীয়াত লিখা 'ভীমশক্তি'ৰ আগত ইংৰাজীত লিখা আছে পপুলাৰ বুলি। আনহাতে, নকল টেমাটোত অসমীয়াতে লিখা 'ভীমশক্তি'ৰ আগত ইংৰাজীত অস্পষ্টকৈ লিখা আছে স্বস্তিক বুলি। উত্থাপিত অভিযোগ অনুসৰি, ধৃত শক্তিভূষণ দে' নামৰ যুৱকজনে বিগত ৪-৫ বছৰ ধৰি নকল ভীমশক্তিৰ ৰমৰমীয়া ব্যৱসায় গঢ়ি তুলিছিল । লক্ষ্যণীয় যে ধৃত যুৱকজনে আজি সাংবাদিকৰ আগত প্ৰদীপ বৰাৰ প্ৰকৃত ভীমশক্তিৰ বিপৰীতে তেওঁৰ এয়া সুকীয়া ভীমশক্তি বুলি পতিয়ন নিয়াবলৈ অপচেষ্টা কৰে। আনহাতে, মাজুলীৰ প্ৰদীপ বৰাই আজি স্থানীয় সাংবাদিকৰ আগত কয় যে ২০০৩তে বহুত অবৰ্ণনীয় কষ্টৰ মাজেৰে তেওঁৰ দ্বাৰা প্ৰস্তুত কৰা 'ভীমশক্তি'য়ে সম্প্ৰতি ৰাজ্যত যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বৰাই তেওঁৰ প্ৰতিষ্ঠানৰ 'ভীমশক্তি'ৰ টেমা খুলি এয়া ভীমকলৰ পৰা প্ৰস্তুত কৰা আনটো তথা নকল ভীমশক্তিৰ টেমা খুলি এয়া দোকানৰ পচা পৰিমলৰ চাউলৰে প্ৰস্তুত কৰা বুলি দাবী কৰে। একাংশ অসাধু চক্ৰই এনে নিম্নমানৰ নকল শিশুখাদ্য প্ৰস্তুত কৰি বজাৰত ৰমৰমীয়া ব্যৱসায় চলাই থকা সন্দৰ্ভত সৰ্বসাধাৰণ গ্ৰাহকক সজাগ হ'বলৈয়ো আহ্বান জনায় প্ৰদীপ বৰাই। শিশুখাদ্যক লৈ উত্থাপিত অভিযোগৰ পাছত তেজপুৰ আৰক্ষীয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ উক্ত বিপুল পৰিমাণৰ নকল ভীমশক্তি জব্দ কৰাৰ পাছত ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

## লামডিঙত ড্ৰাগছসহ দুই জন যুৱক আটক



**গণ বাৰ্তা, লামডিং, ২৫ জুনঃ** লামডিঙ আৰক্ষীৰ ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে। লামডিং আৰক্ষী গোপন সূত্ৰৰ পম খেদি লামডিং থানাৰ ভাৰপ্ৰাপ্ত চন্দন জ্যোতি বৰাৰ নেতৃত্বত আকৌ আজি দিনৰ ভাগত বিবেকানন্দ পল্লী এলেকাৰ পৰা হাতে লতে ড্ৰাগছ সহ দুইজন যুৱকক আটক কৰে।আটকাধিন যুৱক জনৰ নাম শোম শঙ্কৰ চৌধুৰী বিবেকানন্দ পল্লিৰ বাসিন্দা আৰু ছোটন দাস লামডিং কালিবাৰি অঞ্চলৰ তুলা পত্তিৰ বাসিন্দা বুলি জানিব পৰা গৈছে।যুৱক দুই জনৰ পৰা দুইটা পাষ্টিক কণ্টাইনাৰ পৰা প্ৰায় ১৩ গ্ৰাম সন্দেহ যুক্ত হেৰইন জব্দ কৰে লামডিং আৰক্ষী।বহুদিন ধৰি যুৱক কেইজনে লামডিঙত ড্ৰাগছ সৰবৰাহ আৰু সেৱন কৰি আহিছে।বৰ্তমান গ্ৰেপ্তাৰ কৰা যুৱক দুজনক শঙ্কৰদেৱ নগৰ আদালতলৈ প্ৰেৰণ কৰা হৈছে।

# বঢ়মপুৰ সমষ্টিৰ উপ-জিলাৰ সদৰ কাৰ্যালয় বঢ়মপুৰত স্থাপনৰ দাবী নাগৰিক সভাৰ

**গণ বাৰ্তা, পুৰণিগুদাম, ২৫ জুনঃ** ৰাজ্য চৰকাৰে ঘোষণা কৰা উপ-জিলাক লৈ বৃহত্তৰ বঢ়মপুৰত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ উপ-জিলাৰ সদৰ কাৰ্যালয় স্থাপনক লৈ এতিয়া সাধাৰণ জনতাৰ মাজত সৃষ্টি হৈছে কল্পনা-জল্পনা। বঢ়মপুৰ উপ-জিলাৰ সদৰ কাৰ্যালয় কামপুৰত স্থাপন কৰাৰ কথা চৰ্চালৈ অহাৰ পিছতে এতিয়া বৃহত্তৰ বঢ়মপুৰৰ অঞ্চলে-অঞ্চলে নাগৰিক সভা অনুষ্ঠিত কৰি ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে। চৰকাৰী পক্ষৰ এই সিদ্ধান্তৰ বিৰুদ্ধে বামুণী আঞ্চলিক খেলপথাৰ প্ৰেক্ষাগৃহত অলপতে এখন নাগৰিক সভা অনুষ্ঠিত কৰা হয়। সমাজসেৱক ৰবিন কুমাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত অঞ্চলটোৰ ভালেসংখ্যক সমাজ সচেতন ব্যক্তি উপস্থিত থকাৰ লগতে পুৰণিগুদাম নাগৰিক মঞ্চৰ সভানেত্ৰী মৌচুমী শৰ্মা, নগাঁও নাগৰিক সভাৰ সম্পাদক বিৰিঞ্চি বৰা, বঢ়মপুৰ বাৰেগএঞা সমাজৰ সভাপতি দয়াৰাম কলিতা, বঢ়মপুৰ নাগৰিক সভাৰ সম্পাদক ৰাতুল ভূএঞা, সমাজসেৱক ৰঞ্জিত বৰাকে আদি কৰি বঢ়মপুৰ আৰু পুৰণিগুদামৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত সভাই সৰ্বসন্মতিক্ৰমে সমাজকৰ্মী ৰবিন কুমাৰক সভাপতি আৰু অজয় পাটৰক সম্পাদক হিচাপে লৈ এক শক্তিশালী নাগৰিক সভা গঠন কৰে। সভাই সহঃসম্পাদক হিচাপে জয় কুমাৰ হৰ আৰু মজিবুৰ ৰহমানক নিৰ্বাচন কৰে।

## প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**গণ বাৰ্তা বিশেষ, ধুবুৰী, ২৫ জুনঃ** ধুবুৰীৰ পঞ্জাব এণ্ড সিন্দ বেংকৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পঞ্জাব এণ্ড সিন্দ বেংকৰ ধুবুৰী ব্ৰাঞ্চত পুৱাৰ ভাগত গুৰুনানকৰ ওচৰত মেনেজাৰৰ লগতে ব্ৰাঞ্চৰ কৰ্মচাৰীসকলে প্ৰাৰ্থনা কৰে। ইয়াৰ পিছত দিনজোৰা বহুকেইটা কাৰ্যসূচী কৰা দেখা যায়। বেংকৰ গ্ৰাহকসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে বেংকৰ গ্ৰাহকসকলক বিভিন্ন ধৰণৰ খোৱা বস্তু বিতৰণ কৰে। বেংকৰ গ্ৰাহকসকলে পঞ্জাব এণ্ড সিন্দ বেংকৰ সুবিধাসমূহৰ বিষয়ে বিভিন্ন প্ৰশংসা কৰে আৰু সমূহ ধুবুৰীবাসী ৰাইজক এই বেংকৰ সুবিধা লোৱাৰ বাবে আহ্বান জনায়। শেষত বেংকৰ মেনেজাৰে পঞ্জাব এণ্ড সিন্দ বেংকৰ বিভিন্ন ধৰণৰ সুবিধাৰ বিষয়ে মন্তব্য প্ৰকাশ কৰে।

# মৈৰাবাৰীত 'আন্তৰিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান' সম্পন্ন

**গণ বাৰ্তা, লাহৰীঘাট, ২৫ জুনঃ** আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে মৈৰাবাৰীত সামাজিক সেৱা ছ'চাইটীৰ উদ্যোগত ষ্টুডেণ্ট কেডেট কৰ্পছ (এছচিচি), অসমৰ তত্ত্বাৱধানত মৈৰাবাৰী ফ্ৰেণ্ডছ গ্ৰুপ ছ'চাইটী, বহুমুখী সেউজ বিপ্লৱী মঞ্চ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত 'আন্তৰিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান' সফলতাৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটোৰ আগবেলাৰ কাৰ্যসূচী অনুসৰি স্কুলীয়া ছাত্ৰ-ছাত্ৰীক লৈ যোগাসন কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে পুৱা ১১ বজাত কুইজ প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। কুইজ মাষ্টাৰ মুহাম্মাদ আফজালৰ পৰিচালনাত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত চেম্পিয়ন হয় ৰেডিয়েণ্ট গ্ল'বেল স্কুলৰ তাকিয়া তামান্না আৰু আদিয়ান শ্বিহাবৰ দল আৰু ৰানাৰ্ছ-আপ হয় বৰথল দলৈগাঁও উঃ মাঃ বিদ্যালয়ৰ জাকিয়া ফাহমিদা আৰু আতহাৰ আল হাদীৰ দল। আনফালে, উদীয়মান চিত্ৰশিল্পী শ্বৰিফা আকতাৰাৰ পৰিচালনাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত চেম্পিয়ন হয় বৰথল দলৈগাঁও উঃ মাঃ বিদ্যালয়ৰ ছাত্ৰী জাছিকা ফাৰনাছ, ৰানাৰ্ছ-আপ হয় ৰেইনব' আৰ্ট স্কুলৰ ছাত্ৰী ৰেজুৱানা চুলতানা আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে বৰথল দলৈগাঁও উঃ মাঃ বিদ্যালয়ৰ ছাত্ৰী জেবা হায়াতে। বিয়লি ২ বজাৰ পৰা এছচিচি, অসমৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইনৰ সঞ্চালনাত অনুষ্ঠিত 'আন্তৰিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান'ত মৰিগাঁও জিলা ভিত্তিত জিলাখনৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক ২০২৪ বৰ্ষৰ বাবে ৪০গৰাকীৰো অধিক সন্মানীয় ব্যক্তিক ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজ সেৱক আব্দুল গফুৰ, অৱসৰপ্ৰাপ্ত শিক্ষক তথা মৈৰাবাৰী জ্যেষ্ঠ নাগৰিক মঞ্চৰ প্ৰাক্তন সভাপতি আব্দুল কুদ্দুছ, মৈৰাবাৰী ছিনিয়ৰ মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত অধীক্ষক তথা সমাজ সেৱক জালাল উদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া তথা বিশিষ্ট সমাজ সেৱক নুৰুল ইছলাম আৰু মৰিগাঁও জিলা ৱাৰিঅ'ৰ্ছৰ সভানেত্ৰী মিছিৰা বেগমক সমাজ সেৱা বঁটা, মৈৰাবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ চন্দ্ৰ নাথ, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অংশুমান দাস, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া আবুল কাসেম, সোণাই আইএছ একাডেমীৰ অধ্যক্ষ নুৰুল আমিন, দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ইব্ৰাহীম আলী, মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক কমৰুল ইছলাম, আবু বক্কৰ ছিদ্দিক, মৈৰাবাৰী এম ই মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিফজুৰ ৰহমান খানক শিক্ষা ৰত্ন বঁটা, দোৰাং খাইতি এম ই স্কুলৰ প্ৰধান শিক্ষক মকবুল হুছেইন আৰু মৈৰাবাৰীৰ স্মাৰ্ট কচিং ইন্সষ্টিটিউটৰ সঞ্চালক ৰাবুল ইবনে এ আহাদক শিক্ষা সাৰথি বঁটা, মৈৰাবাৰীৰ জ্যেষ্ঠ সাংবাদিক ছামছুল আলম, বদৰুজ জামান আকতাৰ, ভূৰাগাঁৱৰ জ্যেষ্ঠ সাংবাদিক প্ৰণৱ গোস্বামী, বিষ্ণু ডেকা, মায়ঙৰ নজৰুল ইছলাম আৰু মৰিগাঁও সদৰৰ ৰাতুল ডেকাক 'জাগ্ৰত প্ৰহৰী বঁটা', বিশিষ্ট কবি-লেখক বাহাৰুল উলুম চৌধুৰী আৰু কবি-লেখক তথা 'বাটৰ কবিতা'ৰ সমন্বয়ক খাইৰুল ইছলামক সাহিত্য সৌৰভ বঁটা, মৈৰাবাৰী আৰক্ষী নিৰেশৰ আৰক্ষী পৰিদৰ্শক পংকজ দাসৰ লগতে আন দুগৰাকী আৰক্ষী ক্ৰমে ৰাজীৱ দেউৰী, উদ্দিপ্ত শৰ্মাক জনসেৱা বঁটা, দৰিদ্ৰতা নেওচি উচ্চ শিক্ষিত হোৱা মৈৰাবাৰীৰ যুৱক ড° আবু বক্কৰ ছিদ্দিকক আদৰ্শ ছাত্ৰ সন্মান বঁটা, ৰাজু ডেকা, ৰাজুমণি ভূএঞা, অলিমন নিশ্বা, আব্দুল মতিন, জোবেদ আলী, এমদাদুল ইছলামক কৃষক সন্মান বঁটা, জিতু বৰদলৈক ক্ৰীড়া সন্মান বঁটা, কণ্ঠশিল্পী ৰুণু বেগমক প্ৰেৰণা বঁটা, নেকিবুল ইছলাম, জাকিৰ হুছেইন, তছলিম আৰিফ হুছেইনক কৰ্মোদ্যমী বঁটা, মোস্তাফিৰ আলম, ছাহল ইবনে ৰহমত, নূৰ হুছেইনক এছচিচি বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱজ্যোতি নাথ, লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিকাশ চেত্ৰী, মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, এছচিচি, অসমৰ সাধাৰণ সম্পাদক সঞ্জয় শৰ্মা, সহঃ সম্পাদক মৃণালকান্তি দাস, ৰাজ্যিক সম্পাদিকা আফিউন নেহাৰ, মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰিয়াজুল হক, অধ্যাপক বাহাৰুল ইছলাম, ড° ময়িদুল ইছলাম, বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কুদ্দুছ, মৈৰাবাৰী টাউন মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আকতাৰ হুছেইনৰ লগতে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। এছচিচিৰ এনে পদক্ষেপক মৰিগাঁৱৰ সৰ্বস্তৰৰ ৰাইজে আন্তৰিকতাৰে শলাগ লয়।



# টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলত ভাৰত, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা, আফগানিস্তান




**এণ্টিগুৱা, ২৫ জুন ঃ** টি-২০ বিশ্বকাপ ২০২৪ৰ ৫২ সংখ্যক খেলত আফগানিস্তান দলে বাংলাদেশৰ বিৰুদ্ধে এক ৰোমাঞ্চকৰ জয় লাভ কৰিছে। ইয়াৰ সৈতে, দলটোৱে প্ৰথমবাৰৰ বাবে টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে ভাৰত, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ দলসমূহে ছেমি ফাইনেলত প্ৰৱেশ কৰিছিল। একে সময়তে, অন্তিম চাৰিটা দল নিশ্চিত হোৱাৰ পিছত, ছেমি ফাইনেল মেচৰ সম্পূৰ্ণ সময়সূচী প্ৰকাশ কৰা হৈছে। ভাৰতীয় সময় অনুসৰি প্ৰতিযোগিতাখনৰ প্ৰথমখন ছেমি ফাইনেল খেল ২৭ জুনত পুৱা ৬ বজাত আৰম্ভ হ'ব। টছটো ইয়াৰ আধা ঘণ্টা আগতে হ'ব। খেলখন ত্ৰিনিদাদৰ ব্ৰায়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। প্ৰথমখন ছেমি ফাইনেলত চুপাৰ ৮ৰ গ্ৰুপ-১ৰ পৰা যোগ্যতা অৰ্জন কৰা আফগানিস্তান দলটোৱে গ্ৰুপ-২ত শীৰ্ষস্থান দখল কৰা দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি প্ৰতিযোগিতাখনৰ দ্বিতীয়খন ছেমি ফাইনেল খেল ২৭ জুন, বুধবাৰে নিশা ৮ বজাত আৰম্ভ হ'ব। টছটো ইয়াৰ আধা ঘণ্টা আগতে হ'ব। খেলখন গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

## কোপা আমেৰিকাত ব্ৰাজিলৰে ড্ৰ' মেচ খেলিলে কোষ্টাৰিকাই

**ইংগুলউড , ২৫ জুন ঃ** কোষ্টা ৰিকাই কোপা আমেৰিকা ফুটবলৰ প্ৰথমখন খেলত ব্ৰাজিলৰে গ'লবিহীন ড্ৰ' মেচ খেলে। নবাৰৰ চেম্পিয়ন ব্ৰাজিলে গ'ল দিনলৈ চেষ্টা কৰে যদিও বিফল হয়।

# ইউএছ অ'পেনত ভাৰতক নেতৃত্ব তৃষা জলি-গায়ত্ৰী গোপীচান্দৰ

**নতুন দিল্লী, ২৫ জুন ঃ** পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰা খেলুৱৈসকলৰ অনুপস্থিতিত আজিৰে পৰা আমেৰিকাত আৰম্ভ হোৱা ইউএছ অ'পেন বিডব্লিউএফ ৱৰ্ল্ড টুৰ বেডমিণ্টন টুৰ্ণামেণ্টত কমনৱেলথ গেমছৰ ব্ৰঞ্জ পদক বিজয়ী তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দে ভাৰতীয় প্ৰত্যাহ্বানৰ নেতৃত্ব দিছে। মে'-জুনত ছিংগাপুৰ অ'পেন চুপাৰ ৭৫০ টুৰ্ণামেণ্টত ৰানাৰ্ছ আপ হোৱা বিশ্বৰ ২৪ নম্বৰ ত্ৰিশা আৰু গায়ত্ৰীয়ে চুপাৰ ৩০০ টুৰ্ণামেণ্টত দ্বিতীয় স্থান লাভ কৰিছে। ট্ৰিশা আৰু গায়ত্ৰীয়ে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বাইৰ পিছত পোনপটীয়াকৈ স্থান লাভ কৰিছে, য'ত তেওঁলোকে চেই পেই শেন আৰু হাং এন-জুৰ অবাছাই চীনা টাইপেই যুটিৰ মুখামুখি হ'ব। জাপানৰ বিশ্বৰ ১০ নম্বৰ ৰিন ইৰানাগা আৰু কেই নাকানিছি শীৰ্ষস্থানত আছে। অলিম্পিকলৈ এমাহৰো কম সময় বাকী থকাঅৱস্থাত পেৰিছলৈ যোৱা ভাৰতীয় শ্বাটলাৰ পি ভি সিন্ধু, এইচ এছ প্ৰণয়, লক্ষ্য সেন, সাতৱিকচাইৰাজ ৰাঙ্কিৰেড্ডী আৰু চিৰাগ চেট্টী আৰু মহিলাৰ দ্বৈত দল অশ্বিনী পোনাপ্পা আৰু তানিশা ক্ৰেষ্টোৰ মহিলা দ্বৈত দলটোৱে প্ৰতিযোগিতাখনত নাখেলাৰ সিদ্ধান্ত লৈছে। পুৰুষৰ ছিংগলছত, অষ্টম শ্ৰেণীৰ প্ৰিয়াংশু ৰাজাৱত ড্ৰ'ত শীৰ্ষ ভাৰতীয় আৰু চেক গণৰাজ্যৰ ইয়ান লোদাৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব।





## ইউৰোপীয় ফুটবল চেম্পিয়নশ্বিপত ইতিহাস ৰচিলে লুকা মড্ৰিকে

**লীপাজিগ (জাৰ্মানী), ২৫ জুন ঃ** দিন বাগৰাৰ লগে লগে ইউৰোপীয়ান চেম্পিয়নশ্বিপৰ প্ৰতিখন মেচ আকৰ্ষণীয় হৈ পৰিছে। প্ৰতিটো দলে দুৰ্দান্ত প্ৰদৰ্শনেৰে নিজ দলত জয়ী কৰাবলৈ আপ্ৰাণ চেষ্টা চলাইছে। ইয়াৰ মাজতে কালি অনুষ্ঠিত হোৱা এখন মেচত সম্ভৱতঃ কেৰিয়াৰৰ অন্তিম টুৰ্ণামেণ্ট খেলি থকা ক্ৰোৱেছিয়াৰ লুকা মড্ৰিকে ইটালীৰ বিৰুদ্ধে গ'ল কৰি ইউৰোপীয় ফুটবল চেম্পিয়নশ্বিপত গ'ল কৰা আটাইতকৈ জ্যেষ্ঠ খেলুৱৈ হিচাপে পৰিগণিত হয়। দৰ্শকে তেওঁক থিয় হৈ প্ৰশংসা কৰে আৰু তেওঁ প্লেয়াৰ অফ দ্য মেচ বঁটাও লাভ কৰে। ষ্টপেজ টাইমৰ অষ্টম মিনিটত ইটালীৰ মাতিয়া জাকানিয়ে গ'ল কৰে। এইটোৱে ক্ৰোৱেছিয়াৰ বাবে নকআউট পৰ্যায়ত উপনীত হোৱাটো কঠিন কৰি তুলে। এতিয়া তেওঁলোকে আন খেলৰ ফলাফল সপক্ষে অহাৰ বাবে প্ৰাৰ্থনা কৰিব লাগিব। ৩৮ বছৰ আৰু ২৮৯ দিনৰ মড্ৰিকে ৫৫ মিনিটত ৰিবাউণ্ডত গ'ল কৰে। পূৰ্বৱৰ্তী অভিলেখটো অষ্ট্ৰিয়াৰ ইভিকা ভাষ্টিকৰ হাতত আছিল, যিয়ে পোলেণ্ডৰ বিৰুদ্ধে ইউৰো ২০০৮ ত গ'ল কৰিছিল যেতিয়া তেওঁৰ বয়স ৩৮ বছৰ আৰু ২৫৭ দিন আছিল। ২০০৬ চনত ক্ৰোৱেছিয়াৰ হৈ আত্মপ্ৰকাশ কৰা মড্ৰিকে ১৭৮ খন মেচ খেলিছে। তেওঁ ২০১৮ চনত বেলন ডি'অৰ বঁটাও লাভ কৰিছিল।

## ৰাষ্ট্ৰীয় দলৰ সাফল্যক লৈ আনন্দত আত্মহাৰা আফগানিস্তান



**কাবুল, ২৫ জুন ঃ** টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলত উপনীত হোৱা আফগানিস্তান ক্ৰিকেট দলৰ এই সাফল্যক লৈ আনন্দত আত্মহাৰা সমগ্ৰ দেশ। আফানিস্তানৰ জনতাই ৰাজপথলৈ ওলাই আহি তেওঁলোকৰ ৰাষ্ট্ৰীয় দলৰ সাফল্যৰ আন্দন উদ্‌যাপন কৰে। বাংলাদেশৰ বিৰুদ্ধে বৰষুণত বাধাপ্ৰাপ্ত চুপাৰ ৮ পৰ্যায়ৰ খেলখনত আফগানিস্তানে আঠ ৰানত জয়লাভ কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ সৈতে, তেওঁলোকে অষ্ট্ৰেলিয়াৰ দৰে এটা শীৰ্ষ দলক প্ৰতিযোগিতাৰ পৰা বাহিৰ কৰে। ইয়াৰ পূৰ্বে, তেওঁলোকে গ্ৰুপ পৰ্যায়ত নিউজীলেণ্ডক পৰাস্ত কৰিছিল। নবীনুল হকে মুস্তাফিজুৰ ৰহমানক এলবিডব্লিউ আউট কৰাৰ লগে লগে বহু সংখ্যক ক্ৰিকেট অনুৰাগী খোষ্ট, পাকটিয়া আৰু কাবুলত একত্ৰিত হ'বলৈ আৰম্ভ কৰে। আফগানিস্তান ক্ৰিকেট ব'ৰ্ডে এই চহৰসমূহৰ ফটো এ'ত আপলোড কৰিছে। য'ত শিৰোনাম দিয়া হয়, 'চাওক সফলতাৰ অৰ্থ আমাৰ বাবে কি।' আন এখন পোষ্টাৰত হাজাৰ হাজাৰ অনুৰাগীক ৰাস্তাত, তেওঁলোকৰ ঘৰৰ বেলকনিত আৰু দোকানৰ ছাদত উদ্‌যাপন কৰা দেখা যায়।

# ক্ৰিকেট ইতিহাসত অভিলেখেৰে টি-২০ বিশ্বকাপৰ ছেমিত আফগানিস্তান

## কাইলৈ ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাৰে মুখামুখি আফগানিস্তানৰ

**কিংগষ্টন, ২৫ জুন ঃ** ক্ৰিকেট ইতিহাসত সোণালী অধ্যায় লিখিলে আফগানিস্তানে। বিফলতাৰ পৰা সফলতাৰ যাত্ৰা আৰম্ভ কৰি আফগানিস্তানে টি-২০ বিশ্বকাপ চুপাৰ ৮ পৰ্যায়ৰ আজিৰ খেলখনত ডাকৱৰ্থ-লুইছ পদ্ধতিৰ জৰিয়তে বাংলাদেশক আঠ উইকেটত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে



ছেমি ফাইনেলত প্ৰৱেশ কৰে। ১৮ সংখ্যক অভাৰৰ চতুৰ্থ বলত নবীনুল হকে তাস্কিন আহমেদৰ উইকেট লোৱাৰ সৈতে ষ্টেডিয়ামত উপস্থিত থকা তেওঁৰ সতীৰ্থ আৰু সমৰ্থকসকল আনন্দত উচুপি উঠে। আনকি ক্ৰিকেট বিশেষজ্ঞসকলেও এই সাফল্য অনুমান কৰিব পৰা নাছিল, যাৰ ফলত ক্ৰিকেট অনুৰাগীসকল কেৰিবিয়ান মাটিৰ পৰা কাবুললৈ আৱেগিক হৈ পৰে। ৰাজনৈতিক অস্থিৰতা, যুদ্ধৰ ধ্বংসৰ সন্মুখীন হোৱা দেশৰ এনে এটা দলে এই কৃতিত্ব লাভ কৰে, যাৰ অনুশীলনৰ বাবে নিজা খেলপথাৰ নাই। এই ৰোমাঞ্চকৰ খেলখনত গতিবোৰ মুহূৰ্তৰ বাবে সলনি হৈ পৰে, কিন্তু শেষত নায়ক হয় ৰাচিদ খান। যিয়ে এই বিজয়ৰ সৈতে অষ্ট্ৰেলিয়াৰ দৰে কিংবদন্তিৰ প্ৰতিযোগিতাৰ দুৱাৰ বন্ধ কৰে। ২৭ জুনত ছেমি ফাইনেলত আফগানিস্তানে দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব আৰু ভাৰতে ইংলেণ্ডৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে বাংলাদেশৰ বলাৰসকলে ভাল প্ৰদৰ্শন কৰি আফগানিস্তানক পাঁচ উইকেটত ১১৫ ৰানত অলআউট কৰে। লেগ স্পিনাৰ ৰিশাদ হোছেইনে ২৬ ৰানত তিনিটা উইকেট দখল কৰে। সুন্দৰ ফৰ্মত থকা অপেনাৰ ৰহমানুল্লাহ গুৰবাজেও মুক্তভাৱে খেলিব নোৱাৰে আৰু ৫৫ টা বল খেলি ৪৩ ৰান সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত আফগানিস্তানে বাংলাদেশক ১৭.৫ অভাৰত ১০৫ ৰানত অলআউট কৰে। ৰছিদ খানে ২৩ ৰানত ৪ টা উইকেট দখল কৰে আৰু দ্ৰুত বলাৰ নবীনুল হকে ২৬ ৰানত ৪ টা উইকেট দখল কৰে। লিটন দাসে (৫৪ নট আউট) বাংলাদেশৰ হৈ অকলে যুঁজ দিয়ে। বৰষুণৰ কাৰণে খেলখন কেইবাবাৰো স্থগিত হয়। আফগানিস্তানে এতিয়ালৈকে বেটিং আৰু বলিংত তেওঁলোকৰ আৰম্ভণি যুটিৰ আধাৰত জিকিছে আৰু আজিও একেই দেখা যায়। গুৰবাজ আৰু ইব্ৰাহিম জাদৰানে ৫৯ ৰানৰ অংশীদাৰীত্ব কৰে, আনহাতে ফজলহক ফাৰুকী আৰু নবীনুলে নতুন বলৰ সৈতে উইকেট দখল কৰে।

# পেৰিছ অলিম্পিকলৈ যোগ্যতা ভাৰতৰ পুৰুষ-মহিলা আৰ্চাৰী দলৰ

**নতুন দিল্লী, ২৫ জুন ঃ** ১২ বছৰৰ ভিতৰত প্ৰথমবাৰৰ বাবে ভাৰতে অলিম্পিকলৈ সম্পূৰ্ণ ছয় জনীয়া দল প্ৰেৰণ কৰিব, যি পেৰিছ অলিম্পিকত পাঁচোটা শ্ৰেণীতে অংশগ্ৰহণ কৰিবলৈ সক্ষম হ'ব। ভাৰতে সোমবাৰে শেহতীয়া বিশ্ব আৰ্চাৰী ৰেংকিঙৰ আধাৰত পেৰিছ অলিম্পিকৰ বাবে আৰ্চাৰীত পুৰুষ আৰু মহিলা দলৰ কোটা সুৰক্ষিত কৰে।এনেদৰে ভাৰতে পেৰিছত পাঁচোটা পদক প্ৰতিযোগিতাত (পুৰুষ আৰু মহিলা দল, ব্যক্তিগত আৰু মিশ্ৰিত শ্ৰেণী) অংশগ্ৰহণ কৰিবলৈ যোগ্য হ'ব। পুৰুষ আৰু মহিলা দুয়োটা শ্ৰেণীতে অৰ্হতা অৰ্জন কৰাত ব্যৰ্থ হোৱা দেশসমূহৰ ৰেংকিঙত শীৰ্ষ স্থান লাভ কৰি ভাৰতে দলৰ কোটা সুৰক্ষিত কৰে। শেষবাৰৰ বাবে ভাৰতে ২০১২ চনৰ লণ্ডন অলিম্পিকলৈ ছয় জনীয়া আৰ্চাৰী দল প্ৰেৰণ কৰিছিল, যিয়ে চাৰিটা শ্ৰেণীত অংশগ্ৰহণ কৰিছিল। মিশ্ৰিত দলৰ প্ৰতিযোগিতাসমূহ কেৱল টকিঅ' অলিম্পিকৰ সময়ত আৰম্ভ হৈছে। ভাৰতে কেতিয়াও আৰ্চাৰীত অলিম্পিক পদক জিকিব পৰা নাই। পুৰুষ শাখাৰ ৰেংকিঙৰ আধাৰত, ভাৰত আৰু চীনে কোটা সুৰক্ষিত কৰে, আনহাতে মহিলা শাখাত ভাৰতৰ পিছত কোটা লাভ কৰা ইণ্ডোনেছিয়া দ্বিতীয়খন দেশ আছিল। অলিম্পিকত ১২ খন দেশে দলৰ প্ৰতিযোগিতাত আৰু পাঁচখন মিশ্ৰিত প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰিব। তিনি পৰ্যায়ৰ অলিম্পিক কোৱালিফায়াৰৰ বাহিৰত শেষ কৰা শীৰ্ষ দুখন ৰাষ্ট্ৰক প্ৰথমবাৰৰ বাবে দলৰ কোটা প্ৰদান কৰা হৈছে।




# ভাৰতীয় হেণ্ডবল দলত অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ ছাত্ৰ জোন দেউৰী

**গুৱাহাটী, ২৫ জুন ঃ** চলিত বৰ্ষৰ ২৭জুনৰ পৰা বাংলাদেশৰ ঢাকাত অনুষ্ঠিত হবলগীয়া ইণ্ডো - বাংলাদেশ হেণ্ডবল চেম্পিয়নশ্বিপ ২০২৪ত ভাৰতীয় মূল দলত অসম ডাউন টাউন বিশ্ব বিদ্যালয়ৰ ছাত্ৰ তথা প্ৰতিভাবান খেলুৱৈ জোন দেউৰীয়ে খেলিবলৈ নিৰ্বাচিত হৈছে। লখিমপুৰ জিলাৰ মাজৰ চাপৰি দেউৰী গাঁৱৰ পিতৃ অধিৰাজ দেউৰী আৰু মাতৃ পুতলা দেউৰীৰ সন্তান জোন দেউৰীৰ এই সফলতাৰ পিছতে অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ সমূহ পৰিয়াল উৎফুল্ল হৈ পৰিছে।অহা ২৭জুনত খেলুৱৈগৰাকীয়ে বাংলাদেশলৈ



ৰাওনা হব বুলি জানিবলৈ দিছে অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিষয়া মৃগাংক জ্যোতি ডেকাই।

# বিশ্ব দৰবাৰত পুনৰ উজলিল অসম সন্তান হৃদয় হাজৰিকা

**গণ বাৰ্তা, ডিব্ৰুগড, ২৫ জুন ঃ** স্পেইনত আৰঅ'পি ৰেংকিং, লাভ কৰি ইনড'ৰত অনুষ্ঠিত ইণ্ডিয়ান অ'পেনপ্ৰতিযোগিতাত এজন উদীয়মান খেলুৱৈয়ে লাভ কৰিলে সোণৰ পদক ।চলিত বৰ্ষৰ মে' মাহত শ্বুটিং প্ৰতিযোগিতাত ৰাজ্যলৈ এই সন্মান কঢ়িয়াই আনিলে হৃদয় হাজৰিকাই। উল্লেখ্য যে ইয়াৰ পূৰ্বে আজাৰবাইজানৰ বাকু চহৰত অনুষ্ঠিত আইএছএছএফ শ্বুটিং বিশ্বকাপৰ ১০ মিটাৰ এয়াৰ ৰাইফলৰ পুৰুষৰ শাখাত অসমৰ শ্বুটাৰ হৃদয় হাজৰিকাই ৰূপৰ পদক জয় কৰিবলৈ সক্ষম হৈছে। আনহাতে, ২০১৮ চনৰ জুন মাহত জাৰ্মানীত অনুষ্ঠিত আইএছএছএফ জুনিয়ৰ বিশ্বকাপত অংশগ্ৰহণ কৰি হৃদয় হাজৰিকাই তেওঁ ব্যক্তিগতভাৱে সোণৰ পদক লাভ কৰে আৰু দলীয়ভাৱে দিব্যাংশু আৰু চাহু মানেইৰ সৈতে খেলি নতুন বিশ্ব অভিলেখ গঢ়ি ১৮৭৫.৩ নম্বৰসহ সোণৰ পদক লাভ কৰিছিল। ২০২৩ চনৰ মে' মাহত আজাৰবাইজানৰ বাকু চহৰত অনুষ্ঠিত আইএছএছএফ শ্বুটিং বিশ্বকাপৰ ১০ মিটাৰ এয়াৰ ৰাইফলৰ পুৰুষৰ শাখাত তেওঁ ৰূপৰ পদক অৰ্জন কৰে। এই ইভেন্টত ভাৰতৰ হৈ অংশগ্ৰহণ কৰা হৃদয়ে ২৫১.৯ পইণ্টেৰে দ্বিতীয় স্থানত কৰিবলৈ সক্ষম হৈছিল। বৰ্তমানলৈ এশৰো অধিক খেলত দেশৰ হৈ প্ৰতিনিধিত্ব কৰিছে হৃদয় হাজৰিকাই। ইফালে চলিত বৰ্ষপ মে' মাহত ইনড'ৰ অ'পেনত অংশগ্ৰহণ



কৰি ডিব্ৰুগড়ত উপস্থিত হোৱাৰ পাছতে সংবাদ মাধ্যমত নিজৰ মন্তব্য আগবঢ়ায় হৃদয় হাজৰিকাই। হৃদয় হাজৰিকা নাৰায়ণপুৰ নিৱাসী তথা মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত পঞ্জীয়ক শৰৎ হাজৰিকা আৰু ইভা হাজৰিকাৰ একমাত্ৰ পুত্ৰ।

## আফগানৰ ছেমি ফাইনেলৰ যাত্ৰাৰ পৰা স্বদেশৰ যুৱ খেলুৱৈসকল অনুপ্ৰাণিত হ'ব ঃ ৰাছিদ খান

**কিংগষ্টন, ২৫ জুন ঃ** আফগানিস্তানৰ অধিনায়ক ৰাছিদ খানে বিশ্বাস কৰে যে নিউজীলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ দৰে দলক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰাটো এক বৃহৎ সাফল্য, যি স্বদেশৰ যুৱ খেলুৱৈসকলক ইয়াৰ পৰা অনুপ্ৰাণিত হ'ব। ২০১৭ চনত আইচিচিৰ সম্পূৰ্ণ সদস্য হোৱা আফগানিস্তানে ইয়াত বাংলাদেশক পৰাস্ত কৰি আৰু প্ৰথমবাৰৰ বাবে টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰি ইতিহাস ৰচনা কৰে। খেলখনৰ পিছত সংবাদমেলত ৰাছিদে কয়, "মই ভাবো ছেমি ফাইনেলত প্ৰৱেশৰ যাত্ৰাই দেশ উঠি অহা যুৱক-যুৱতীসকলক যথেষ্ট অনুপ্ৰেৰণা যোগাব। আফগানিস্তান দলটোৱে প্ৰথমবাৰৰ বাবে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।আমি এইটো অনুৰ্ধ-১৯ পৰ্যায়ত কৰিছো কিন্তু এই স্তৰত আমি আগতে এইটো কৰিবলৈ সক্ষম হোৱা নাই। দৰাচলতে, আমি প্ৰথমবাৰৰ বাবে চুপাৰ এইটত প্ৰৱেশ কৰিছোঁ আৰু তাৰ পিছত ছেমিফাইনেলত উপনীত হৈছোঁ।" বাংলাদেশৰ বিৰুদ্ধে জয়ৰ পিছত ঘৰুৱা স্থানত আফগানিস্তানৰ ঐতিহাসিক জয় উদ্‌যাপন কৰা অনুৰাগীসকলৰ ফটো আৰু ভিডিঅ' ছচিয়েল মিডিয়াত ভাইৰেল হৈপৰিছে।




# আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটক বিদায় জনালে ডেভিদ ৱাৰ্ণাৰে

**মেলবৰ্ন, ২৫ জুন ঃ** অষ্ট্ৰেলিয়ান ক্ৰিকেট দলৰ কিংবদন্তি অ'পেনাৰ ডেভিদ ৱাৰ্ণাৰে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটক বিদায় জনাইছে। টি-২০ বিশ্বকাপ ২০২৪ আৰম্ভ হোৱাৰ আগতে, তাৰকা ক্ৰিকেটাৰজনে তেওঁৰ কেৰিয়াৰ সম্পৰ্কে এটা ডাঙৰ ঘোষণা কৰিছিল। তেওঁ কৈছিল যে চলিত প্ৰতিযোগিতাখন তেওঁৰ ক্ৰিকেট কেৰিয়াৰৰ অন্তিম প্ৰতিযোগিতা হ'ব পাৰে। এতিয়া যেতিয়া কেংগাৰু দলটো 'ছেমি ফাইনেল'ৰ দৌৰৰ পৰা বাহিৰ হৈছে, তেওঁক লৈ এটা খবৰ প্ৰকাশ পাইছে। ক্ৰিকেট অষ্ট্ৰেলিয়াই ৱাৰ্ণাৰৰ অৱসৰক এটা যুগৰ সমাপ্তি বুলি বৰ্ণনা কৰিছে। ইয়াৰ পিছত, ছ'চিয়েল মিডিয়াত ৱাৰ্ণাৰৰ পুৰণি ছবি ভাইৰেল হৈছে। কিংবদন্তী খেলুৱৈজনৰ অৱসৰত ক্ৰিকেট প্ৰেমীসকল হতাশ হৈছে। অৱশ্যে, প্ৰতিবেদন অনুসৰি, ৱাৰ্ণাৰৰ ইচ্ছা হৈছে চেম্পিয়নছট্ৰফী ২০২৫ত অংশগ্ৰহণ কৰা। সেইকাৰণে তেওঁ ক্ৰিকেট অষ্ট্ৰেলিয়াৰ সন্মুখত সন্মানীয় প্ৰতিযোগিতালৈ উভতি অহাৰ বিকল্প ৰাখিছে। ৱাৰ্ণাৰে স্পষ্টকৈ কয় যে যদি দলটোক তেওঁৰ সেৱাৰ প্ৰয়োজন হয়, তেন্তে তেওঁ নিশ্চিতভাৱে সেৱা আগবঢ়াবলৈ সাজু আছে। ডেভিদ ৱাৰ্ণাৰে অষ্ট্ৰেলিয়াৰ হৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মুঠ ৩৮৩খন খেল খেলিবলৈ সক্ষম হৈছিল। ইফালে, তেওঁ ৪৭৪ টা ইনিংছত ১৮৯৯৫ ৰান সংগ্ৰহ কৰে। তেওঁৰ বলিংত তেওঁ কেংগাৰু দলৰ হৈ টেষ্ট ক্ৰিকেটৰ ১৯টা ইনিংছত ৪ টা সফলতা অৰ্জন কৰিছিল। ডেভিদ ৱাৰ্ণাৰে তেওঁৰ টেষ্ট কেৰিয়াৰত মুঠ



১১২খন টেষ্ট মেচ খেলিছিল। ইফালে, তেওঁ ২০৫ টা ইনিংছত ৪৪.৬ গড়ে ৮৭৮৬ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। টেষ্ট ফৰ্মেটত, তেওঁৰ ৩টা দ্বিশতক, ২৬ টা শতক আৰু ৩৭টা শতক আছে। তেওঁৰ এদিনীয়া কেৰিয়াৰৰ বিষয়ে ক'বলৈ গ'লে, তেওঁ অষ্ট্ৰেলিয়াৰ হৈ মুঠ ১৬১খন এদিনীয়া খেলিবলৈ সক্ষম হৈছিল। এই সময়ছোৱাত, তেওঁ ১৫৯ ইনিংছত ৪৫.০১ গড়ে ৬৯৩২ ৰান সংগ্ৰহ কৰিছিল। এদিনীয়া ফৰ্মেটত, তেওঁৰ নামত ২২ টা শতক আৰু ৩৩ টা অৰ্ধ-শতক আছে।

প্ৰসংগ ঃ শিৱসাগৰৰ গণপ্ৰহাৰৰ ঘটনা

# নাবালকসহ ৯জনক জে'ললৈ প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৫ জুন ঃ** সভ্য সমাজক লজ্জানত কৰি সমগ্ৰ অসম কঁপাই কালি শিৱসাগৰ নগৰৰ ন-পাম গাঁৱত সংঘটিত গণপ্ৰহাৰত এজন লোকৰ মৃত্যু হোৱাৰ লগতে এজন গুৰুতৰভাৱে আহত হোৱা ঘটনাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। কালি মৰণোত্তৰ পৰীক্ষাৰ পাছত গণপ্ৰহাৰত মৃত্যু হোৱা ৰাজেশ চৌহান ওৰফে পালু গোৱালাৰ মৃতদেহ ন-পাম গাঁৱত নিশা চমজাই দিয়াৰ পাছত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। স্থানীয় লোকে গণপ্ৰহাৰত জড়িত সকলো অভিযুক্তক গ্ৰেপ্তাৰ নকৰালৈকে মৃতদেহ চমজি ল'বলৈ অস্বীকাৰ কৰিছিল যদিও অৱশেষত শিৱসাগৰ আৰক্ষীৰ উচ্চপদস্থ বিষয়াই সকলো অভিযুক্তক কৰায়ত্ত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ পাছত স্থানীয় ৰাইজৰ লগতে পৰিয়ালে মৃতদেহ চমজি লয়। নিহত পালুৰ অন্ত্যেষ্টিক্ৰিয়া কালি ফুকন নগৰ শ্মশানত সম্পন্ন হোৱাৰ কথা আছিল যদিও মৃত পালুৰ ককায়েক আজি বেংগালুৰুৰ পৰা আহি পোৱাৰ পাছত অন্ত্যেষ্টিক্ৰিয়া স্থানীয় শ্মশানত সম্পন্ন কৰিব বুলি পৰিয়ালৰ তৰফৰ পৰা জানিব পৰা গৈছে। আনহাতে, শিৱসাগৰ আৰক্ষীয়ে কালি তৎপৰতাৰে গণপ্ৰহাৰত জড়িত বগলী, মাইনা কৰ্মকাৰ, লাডেন, শংকৰ কৰ্মকাৰ, জয়ৰাম মণ্ডল, টিকু গোৱালা, টংকেশ্বৰ দাস, সুমিত দত্ত, কৰণ ৰুহীদাস, সুনীল বিশ্বাস, ৰাজু মাঝি, সুনীল গোৱালাক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে আজি জনু, পিকু আৰু মণ্টু নামৰ তিনিজন লোকক আটক কৰিছে। ঘটনা সংঘটিত হোৱাৰ সময়ত বিভিন্ন লোকে ৰেকৰ্ড কৰা ভিডিঅ' ফুটেজৰ ভিত্তিত আৰক্ষীয়ে অভিযুক্তসকলক আটক কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰখাৰ লগতে সোধা-পোছা কৰি পোৱা নামৰ ভিত্তিতো আন বহুকেইজন লোকৰ সন্ধান অব্যাহত ৰাখিছে। ইয়াৰ ভিতৰত অভিযুক্ত দুগৰাকী মহিলা বৰ্তমান পলাতক বুলি জানিব পৰা গৈছে। শিৱসাগৰ আৰক্ষীয়ে আজি গণপ্ৰহাৰৰ ঘটনাৰ সৈতে জড়িত সকলো অভিযুক্তৰ শিৱসাগৰ অসামৰিক চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰি সন্ধিয়া আদালতত হাজিৰ কৰিছে। আদালতে প্ৰাথমিক শুনানিৰ পাছত জে'ললৈ প্ৰেৰণ কৰাসকলৰ ভিতৰত আছে এটি নাবালক। উক্ত নাবালকটিক যোৰহাটৰ শিশু আশ্ৰয় গৃহলৈ প্ৰেৰণ কৰাৰ বিপৰীতে শিৱসাগৰ জে'ললৈ প্ৰেৰণ কৰে ক্ৰমে— টংকেশ্বৰ দাস (৫০) টিংকু গোৱালা (২৫), অভিজিত মিৰ্ধা (১৯), সুশীল বিশ্বাস (৫৫), পিংকু কৰ্মকাৰ (২৭), জানু কৰ্মকাৰ (২১), মন্টু গোৱালা (৩৫) আৰু ৰাজু মালাকাৰ (৫০)ক। আনহাতে, আদালতে তিনি দিনৰ আৰক্ষীৰ জিম্মাত দিয়ে ক্ৰমে দীপাংকৰ কৰ্মকাৰ, জয়ৰাম মণ্ডল আৰু বাবু দত্তক। উল্লেখ্য যে কালি পুৱা শিৱসাগৰ নগৰৰ ১০নং ৱাৰ্ডৰ ন-পাম গাঁৱত এটা ম'বাইল আৰু এযোৰ চেণ্ডেল জয়ৰাম মণ্ডলৰ ঘৰৰ পৰা চুৰি কৰাৰ সন্দেহত গাঁৱৰ একাংশ লোকে একেখন গাঁৱৰে ৰাজেশ চৌহান ওৰফে পালু কৰ্মকাৰ তথা দাদু ওৰাঙক বৰ্বৰোচিতভাৱে মাৰধৰ কৰে। দুয়োজন দিন হাজিৰা কৰা লোকক গছত কাপোৰৰ ৰছী আৰু চাইকেলৰ টিউবেৰে বান্ধি বাঁহৰ লাঠি, গজালযুক্ত কাঠ আদিৰে প্ৰহাৰ কৰাৰ লগতে চোৰাত পাট লগাই, ভোট জলকীয়া সানি দিয়ে। ইমানতে ক্ষান্ত নাথাকি গণপ্ৰহাৰত জড়িত পশুতুল্য লোকে দুয়োকে আঁঠু কঢ়াই গাঁৱৰ ৰাস্তাত খোজ কঢ়োৱাৰ লগতে শৰীৰৰ বিভিন্ন অংশত গভীৰ প্ৰহাৰ কৰে। পুৱা প্ৰায় ৫ বজাৰ পৰা ৯ মান বজালৈ কৰা এনে দীঘলীয়া সামূহিক অত্যাচাৰৰ ফলত পালু আৰু দাদু গুৰুতৰভাৱে আহত হয়। অৱশেষত কোনোলোকে আৰক্ষীক দিয়া খবৰৰ ভিত্তিত দুয়োজন আহতক আৰক্ষীয়ে উদ্ধাৰ কৰি শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা লাভ কৰাৰ পাছতে ৰাজেশ চৌহান ওৰফে পালু গোৱালাৰ মৃত্যু হয়। আনহাতে আহত দাদু ওৰাঙৰ বৰ্তমানৰ অৱস্থা সুস্থিৰ বুলি শিৱসাগৰ অসামৰিক চিকিৎসালয় কৰ্তৃপক্ষৰ পৰা জানিব পৰা গৈছে। শিৱসাগৰ আৰক্ষীয়ে কালিয়ে ঘটনা সন্দৰ্ভত পালু গোৱালাৰ মাতৃ পাৰ্বতী চৌহানে শিৱসাগৰ সদৰ থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত ৭৩/২০২৪ নং এক গোচৰ পঞ্জীয়ন কৰি ভাৰতীয় দণ্ডাবিধিৰ ১৪৭/১৪৮/৩৪২/৩২৫/ ৩০৭/৩০২ ধাৰাৰ অধীনত অনুসন্ধান অব্যাহত ৰাখি উপৰোক্ত লোককেইজনক গ্ৰেপ্তাৰ কৰিছে। আনহাতে কালি সংঘটিত নাৰকীয় ঘটনাক লৈ জনসমাজত অব্যাহত আছে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ। চুৰি কাৰ্যত জড়িত হ'ল বুলিয়ে এইদৰে সামূহিক অত্যাচাৰ কৰি হত্যা কৰাৰ মানসিকতাক বিভিন্নজনে গৰিহণা দিয়াৰ লগতে গণপ্ৰহাৰৰ ঘটনাত অভিযুক্তসকলৰ কঠোৰ শাস্তি দাবী কৰিছে। আনহাতে, শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত হোৱাৰ পাছতো শৈক্ষিক-সামাজিক-আৰ্থিকভাৱে পিছপৰা ন-পাম গাঁৱৰ প্ৰতি প্ৰশাসনে অধিক গুৰুত্ব প্ৰদান কৰি অঞ্চলটোলৈ সুস্থ পৰিৱেশ কঢ়িয়াই অনাৰ পোষকতা কৰিছে।

পিআইবি, গুৱাহাটীৰ উদ্যোগত তিনি নতুন ফৌজদাৰী আইন সম্পৰ্কে সংবাদ মাধ্যমৰ বাবে কৰ্মশালা সম্পন্ন

# নতুন আইনকেইখন কাৰ্যকৰীকৰণৰ বাবে অসম আৰক্ষী সম্পূৰ্ণৰূপে সাজু ঃ ডিজিপি

## এই তিনি আইনে শাস্তিতকৈ ন্যায় প্ৰদানত গুৰুত্ব আৰোপ কৰিব আৰু ইয়াৰ লক্ষ্য হৈছে ক্ষিপ্ৰ ন্যায় প্ৰদান ঃ এডিজিপি, চিআইডি, অসম




**গুৱাহাটী, ২৫ জুন ঃ** তিনি নতুন ফৌজদাৰী আইন সম্পৰ্কে সংবাদ মাধ্যমক সজাগ কৰি তোলাৰ লক্ষ্যৰে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনস্থ প্ৰেছ ইনফৰ্মেচন ব্যুৰ', গুৱাহাটীয়ে অসম আৰক্ষীৰ সহযোগত আজি ইয়াত গুৱাহাটীৰ সংবাদ মাধ্যমৰ লোকসকলৰ বাবে এখনি মিডিয়া কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাৰ জৰিয়তে সাংবাদিকসকলক তিনি নতুন ফৌজদাৰী আইন ক্ৰমে—ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ভাৰতীয় ন্যায় সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম সম্পৰ্কে সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে। উল্লেখ্য যে আইন তিনিখন ১ জুলাই, ২০২৪ৰ পৰা কাৰ্যকৰী হ'ব। এই কৰ্মশালাত অসমৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙে মুখ্য অতিথি হিচাপে শোভা-বৰ্ধন কৰে। সংবাদ মাধ্যমক সম্বোধনেৰে তেওঁ কয় যে নতুন আইনকেইখনৰ ৰূপায়ণ এক উল্লেখযোগ্য মুহূৰ্ত আৰু আইনকেইখন কাৰ্যকৰীকৰণৰ বাবে অসম আৰক্ষী সম্পূৰ্ণৰূপে সাজু। ইতিমধ্যে অসম আৰক্ষীৰ প্ৰায় ২০০গৰাকী বিষয়াই ক্ৰিমিনেল ফৰেনছিক বিজ্ঞানৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে নতুন আইনসমূহৰ প্ৰযোজ্যতা তথা অপৰাধ আৰু ইয়াৰে জড়িত গোচৰসমূহৰ সৈতে মোকাবিলাকৰণৰ সময়ত বিষয়াসকলে কেনেদৰে নিৰীক্ষণ কৰিব লাগে, সেই সম্পৰ্কে তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। কেইমাহমানৰ ভিতৰতে ৫০০ৰো অধিক বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। সিঙে আৰু কয় যে এই ফৌজদাৰী আইনসমূহ পৰিৱৰ্তিত সময়ৰ প্ৰয়োজনীয়তা অনুসৰি আপডেট কৰা হৈছে। মুখ্য বক্তা হিচাপে চিআইডি, অসমৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই ফৌজদাৰী আইনসমূহৰ সংস্কাৰ সাধন আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে গভীৰ বিশ্লেষণ আগবঢ়ায়। গুপ্তাই নতুন ফৌজদাৰী আইন সন্দৰ্ভত প্ৰেজেনটেচন আগবঢ়াই এই তিনি আইনৰ সাল-সলনি সম্পৰ্কে আলোকপাত কৰে। উক্ত কৰ্মশালাত ভাষণ প্ৰদানেৰে গুপ্তাই কয় যে ফৌজদাৰী আইনকেইখনতব্যাপক সাল-সলনি ঘটোৱা হৈছে। এতিয়া মহিলা আৰু শিশুকে প্ৰমুখ্য কৰি ভুক্তভোগীৰ অধিকাৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ন্যায়িক ব্যৱস্থাত অধিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছে আৰু সামান্য অপৰাধৰ শাস্তি হিচাপে সমাজ সেৱাৰ প্ৰৱৰ্তন কৰা হৈছে বুলিও তেওঁ লগতে কয়। তেওঁ আৰু কয় যে এই তিনি আইনে শাস্তিতকৈ ন্যায় প্ৰদানত গুৰুত্ব আৰোপ কৰিব আৰু ইয়াৰ লক্ষ্য হৈছে ক্ষিপ্ৰ ন্যায় প্ৰদান। গুপ্তাই উল্লেখ কৰে যে এই আইনসমূহে ন্যায় প্ৰক্ৰিয়াক চাপমুক্ত কৰি তুলিব। ইয়াত ডিজিটেল প্ৰমাণক 'ফিজিকেল' প্ৰমাণৰ সমতুল্য কৰা হৈছে। তেওঁ আৰু কয় যে এতিয়া ভিডিঅ'ৰ ক্লাউড ষ্ট'ৰেজক এক প্ৰাথমিক প্ৰমাণ হিচাপে গণ্য কৰা হ'ব। ইয়াত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুদিৰিপাদে আদৰণী ভাষণ প্ৰদানেৰে ফৌজদাৰী ন্যায় ব্যৱস্থাৰ দৰ্শন আৰু দৃষ্টিভংগী কিদৰে সলনি হৈছে আৰু এতিয়া জনসাধাৰণৰ অৰ্থে ফৌজদাৰী ন্যায় ব্যৱস্থা কিদৰে অধিক সুলভ হৈ উঠিব, সেই বিষয়ে আলোচনা কৰে। তেওঁ চৌপাশে ঘটি থকা পৰিঘটনাসমূহ বুজিবলৈ আৰু বিবেচনা কৰিবলৈ সামগ্ৰিকভাৱে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত সাংবাদিকসকলে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোকপাত কৰে। তেওঁ সকলো অংশীদাৰৰ সৈতে চৰকাৰে গ্ৰহণ কৰা যথাযথ পৰামৰ্শমূলক প্ৰক্ৰিয়া সম্পৰ্কে ব্যক্ত কৰে। উল্লেখ্য যে এনে মিডিয়া কৰ্মশালাৰ উপৰি আইন আৰু ন্যায় মন্ত্ৰালয়ে ১৮ আৰু ১৯ মে'ত গুৱাহাটীত এখনি কৰ্মশালা অনুষ্ঠিত কৰিছিল। ভিন্ন সংবাদ মাধ্যমৰ সাংবাদিকসকলে অংশগ্ৰহণ কৰা এই কৰ্মশালাত মত-বিনিময় কাৰ্যসূচী আৰু নতুন আইনসমূহৰ ব্যৱহাৰিক প্ৰয়োগ সম্পৰ্কে স্পষ্টীকৰণ শিতান অনুষ্ঠিত হয়। পিআইবিৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেন নামচুৱে প্ৰশ্নোত্তৰ শিতানৰ আঁত ধৰে। এই কৰ্মশালাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, অসম আৰক্ষীৰ বিষয়াবৰ্গ আৰু বিভিন্ন সংবাদ গোষ্ঠীৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

# নগাঁও প্ৰেছ ক্লাবত মহেশ নাথৰ গ্ৰন্থ উন্মোচন

## সাহিত্য আৰু সংস্কৃতি এটা জাতিৰ দাপোণ ঃ ধৰণীধৰ বড়ো




**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৫ জুন ঃ** 'নগাঁৱে বহু সাহিত্য সৃষ্টি কৰাৰ লগতে বহু বৰেণ্য সাহিত্যিকৰ জন্ম দি আহিছে। ইয়াত বহু ভাল সাহিত্যিকৰ চৰ্চা হয়।' আজি নগাঁও প্ৰেছ ক্লাবৰ সভাগৃহত প্ৰকৃতিপ্ৰেমী তথা বনাঞ্চলিক বিষয়া মহেশ নাথৰ পাঁচখন গ্ৰন্থ উন্মোচনী সভাত ৰাজ্যখনৰ এগৰাকী সুদক্ষ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বন বিষয়া ধৰণীধৰ বড়োৱে এই মন্তব্য কৰি কয় যে সাহিত্য আৰু সংস্কৃতি এটা জাতিৰ দাপোণ। কবিতাৰ প্ৰসংগ উল্লেখ কৰি বড়োৱে কয়, কবিতাৰ গভীৰতাৰ বিষয়ে সাহিত্যিকসকলেহে উপলব্ধি কৰিব পাৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি আন এজন অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বন বিষয়া ড° অভিজিত ৰাভাই গ্ৰন্থকেইখনৰ লেখক মহেশ নাথৰ প্ৰকৃতিপ্ৰেমৰ প্ৰশংসা কৰি সাধাৰণতে বিভাগৰ লগত জড়িত বিষয়া- কৰ্মচাৰীৰ প্ৰকৃতিৰ লগত সম্পৰ্ক থাকে যদিও সাহিত্য চৰ্চাত কমসংখ্যকহে আগ্ৰহী হোৱা দেখা যায়। এইক্ষেত্ৰত বনাঞ্চলিক বিষয়া মহেশ নাথ ব্যতিক্ৰম। অনুষ্ঠানত অংশগ্ৰহণ কৰি নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই কয় যে একেটা অনুষ্ঠানত অৰণ্য বিষয়ক চাৰিখন গ্ৰন্থ উন্মোচন হোৱাটো এক বিৰল আৰু প্ৰেৰণাদায়ক কাম। গ্ৰন্থ সৃষ্টি হৈ আছে যদিও সম্প্ৰতি ইয়াৰ চাহিদা কমিছে। পাঠকে গ্ৰন্থক আদৰি ল'লে লেখকসকল বহু উৎসাহিত হ'ব বুলি বিধায়কগৰাকীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। নগাঁও কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে মহেশ নাথৰ সান্নিধ্য লাভ কৰাৰ বিষয়ে উল্লেখ কৰি কয় যে মহেশ নাথে নিজৰ কৰ্মময় জীৱনত প্ৰকৃতিক নিচেই ওচৰৰ পৰা সূক্ষ্মভাৱে অনুভৱ কৰাৰ সুবিধা পাইছে। ইয়েই তেওঁক প্ৰকৃতিৰ প্ৰতি আকৰ্ষিত কৰিছে আৰু অৰণ্য বিষয়ক গ্ৰন্থ প্ৰণয়নত অনুপ্ৰেৰণা যোগাইছে। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্তই কয় যে সাহিত্য সভাই সাহিত্য সৃষ্টিৰ এক পৰিৱেশ সৃষ্টি কৰে। ৰাজ্যিক বন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সঞ্চালক আকবৰ হুছেইনে কয় যে মহেশ নাথৰ জীৱ-জন্তু, গছ-বিৰিখৰ প্ৰতি বিৰল মৰম আছিল। জ্যেষ্ঠ সাংবাদিক শৈলেন শইকীয়াই আঁত ধৰা অনুষ্ঠানত মহেশ নাথৰ প্ৰকৃতি বিষয়ক গ্ৰন্থ চাৰিখন ক্ৰমে 'বৰণীয়া অৰণ্য', 'গহন বনৰ মালিতা', 'বিচ্ছুৰিত বন', 'অৰণ্যৰ দিনলিপি' আৰু তেওঁৰ ল'ৰালি কালৰ বিষয়ে লিখা আন এখন গ্ৰন্থৰ 'ল'ৰালিৰ সোণসেৰীয়া কথা' এই পাঁচখন গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট অতিথিসকলে। অনুষ্ঠানত সাহিত্যিক শিৱানন্দ কাকতি, নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত প্ৰশাসনীয় বিষয়া চন্দ্ৰমোহন কাকতি, মানৱ অধিকাৰ কৰ্মী লাচিত বৰদলৈ, মহিলা নেত্ৰী মামণি বৰা, ক্ৰান্তিকাল প্ৰকাশনৰ স্বত্বাধিকাৰ কৈলাস ৰাজখোৱাকে ধৰি ভালেসংখ্যক বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

# বিষ্ণু ৰাভা দিৱসত সমাজকৰ্মী বলেন ৰাজবংশীক দীনবন্ধু বঁটা প্ৰদান



**গণ বাৰ্তা, শুৱালকুছি, ২৫ জুন ঃ** মানৱ সেৱাই প্ৰকৃত ধৰ্ম। এই মহান বাণীকে সাৰোগত কৰি কামৰূপ জিলাৰ দদৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী দুখীয়াৰ দুখত দুখী আৰ্তজনৰ প্ৰতি সদায়ে সহানুভূতিশীল মনোভাৱৰ বিশাল হৃদয়ৰ পৰিচয় দিয়া ব্যক্তি বলেন ৰাজবংশী। প্ৰয়াত গণেশ ৰাজবংশী আৰু বৰদাবালা দাসৰ ঔৰসত জন্মলাভ কৰা বলেন ৰাজবংশী অসম আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ২নং পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাক নেতৃত্ব দিয়া ৰাজবংশীয়ে ছাত্ৰ অৱস্থাৰে পৰা সমাজৰ লগত থাকি ভয়াৱহ ক'ভিডৰ সময়তে নহয়, অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অতি দৰিদ্ৰ বা পিতৃ মাতৃহীন নিঠৰুৱা শিশুৰ প্ৰতি সদায় সদয় হোৱা খবৰ পোৱা মাত্ৰাকে সেই স্থানত উপস্থিত হৈ আৰ্থিক আৰু মানসিকভাৱে সহায় কৰি ভাল পোৱা বলেন ৰাজবংশীক এইবেলি গন্ধমৌ বিষ্ণুৰাভা সোঁৱৰণী সংঘ আৰু পুথিভঁৰাল সমিতিয়ে ৩৭ সংখ্যক বিষ্ণু ৰাভা দিৱসৰ সাংস্কৃতিক মঞ্চৰ জনাকীৰ্ণ অনুষ্ঠানত দীনবন্ধু বঁটা প্ৰদান কৰে। উক্ত সমিতিয়ে ১৯ আৰু ২০ জুনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দুখীয়া-নিচলাৰ নেতা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস অনুষ্ঠান ৰূপায়ণ কৰে। উক্ত অনুষ্ঠানত জনসেৱক বঁটা, কৃষক বন্ধু বঁটা জোনাকী বাটৰ দ্ৰষ্টা বঁটা আৰু দীনবন্ধু বঁটা প্ৰদান কৰে। দীনবন্ধু বঁটা গ্ৰহণ কৰি সমাজহিতৈষী বলেন ৰাজবংশীয়ে কয় যে সমাজৰ হিতৰ বাবে বঁটা বাহনৰ প্ৰয়োজন নাই। দৈনন্দিন জীৱনত অনেক কামৰ মাজেৰে আন্তৰিক সুখ লাভ কৰাৰ বাবে শক্তি সাৰ্থকৰে মানৱ সেৱা কৰি গৈছোঁ। তাৰ বাবে উক্ত অনুষ্ঠানে বঁটা দিয়াত কৃতজ্ঞতা জনাই অদূৰ ভৱিষ্যতে আৰু এনে কাম কৰাৰ উৎসাহ দিয়া বুলি ৰাজবংশীয়ে ব্যক্ত কৰে। ৰাভা দিৱসৰ নিশাৰ সাংস্কৃতিক মঞ্চত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ উপৰি জনপ্ৰিয় শিল্পীদ্বয় অখিল ভৈৰৱ আৰু চয়ানিকা দাসে।

# কাজিৰঙা বিশ্ববিদ্যালয়ত অভিনন্দন অনুষ্ঠান

**গণ বাৰ্তা, পশ্চিম যোৰহাট, ২৫ জুন ঃ** বৃহত্তৰ অসমীয়া জাতি-জনগোষ্ঠীৰ অন্যতম চাহ জনগোষ্ঠীৰ অংগ কালিন্দী সমাজৰ উন্নতিৰ অৰ্থে যোগাত্মক চিন্তাৰে ১৯৮৭চনৰ ৪ এপ্ৰিলত স্থাপিত সদৌ অসম কালিন্দী সমাজ কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সনিতিয়ে পৰিষদৰ যোৰহাট জিলা সমিতিৰ আতিথ্যত যোৰহাটৰ কাজিৰঙা বিশ্ববিদ্যালয় প্ৰাংগণত অহা ৩০ জুনত সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কালিন্দী সমাজৰ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাব। পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পিছত দহ বজাৰ পৰা পৰিষদৰ সভাপতি ৰঞ্জিত কালিন্দীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা সভাত মুখ্য অতিথিৰূপে যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দেৱব্ৰত শৰ্মা, বিশিষ্ট অতিথিৰূপে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছা, কাজিৰঙা বিশ্ববিদ্যালয়ৰ সঞ্চালক ৰেইনী খৈতান, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ভাৰপ্ৰাপ্ত সভাপতি টুপীধৰ মানকি, দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, আমন্ত্ৰিত অতিথিৰূপে অসম চাহ জনজাতি জাতীয় সন্মিলনীৰ সাধাৰণ সম্পাদক অৰুণ কাঁৱাৰ, আটছা কেন্দ্ৰীয় সমিতিৰ সভাপতি ধীৰাজ গোৱালা, কাজিৰঙা বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ প্ৰশাসনিক পৰিচালক ৰশ্মিৰেখা গোস্বামী, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰধান সম্পাদক সঞ্জীৱ কৈৰী, মাহেকীয়া সাহিত্য আলোচনী 'দিগদৰ্শন'ৰ সম্পাদক, সাংবাদিক পংকজ কুমাৰ দাসে অংশগ্ৰহণ কৰিব।



শিৱসাগৰত হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ কালজয়ী নাট 'পলৰীয়া প্ৰতিধ্বনি'ৰ এটি মুহূৰ্ত












ইউনিটী মিডিয়া এণ্ড ইনফ্ৰাষ্ট্ৰাক্চাৰ লিমিটেডৰ হৈ পৰিচালন সঞ্চালক ছাহজাহান তালুকদাৰৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত, ইক' প্ৰিণ্টিং প্ৰেছ, এ কে দেৱ ৰোড, কটাহবাৰী, গড়চুক, গুৱাহাটী-৭৮১০৩৫ত মুদ্ৰিত আৰু চেলিমা পাব্লিকেশ্যনচ্ (প্ৰাঃ) লিমিটেড, মালুগ্ৰাম, ঘনিয়ালা, শিলচৰ-৭৮৮০০২ ত প্ৰকাশিত ও মুদ্ৰিত। *(যিকোনো আইনী বিষয়সমূহ গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)*
কাৰ্যালয়ৰ ঠিকনা ঃ হাতীগাঁও চাৰিআলি, হাতীগাঁও, গুৱাহাটী-৭৮১ ০৩৮, ফোন ঃ ০৩৬১-২২২৪৪৮৮, ম'বাইল ঃ ৯৪০১১১৪৪৪৪ e-mail-ganaadhikar123@gmail.com মুখ্য সম্পাদক ঃ খবিৰ আহমেদ। সম্পাদক ঃ ড° জাকিৰ হুছেইন
Published and printed by Managing Director Shahjahan Talukdar on behalf of Unity Media And Infrustructure Limited. Published from Fazham Complex, Hatigaon Chariali, Guwahati-781038 and printed at Echo Printing Press, A. K Deb Road, Katabari, Garchuk, Guwahati - 781035, Phone : 0361-2224488, Mobile : 9401114444, e-mail-*ganaadhikar123@gmail.com* *Chief Editor : Khabir Ahmed* *Editor : Dr. Zakir Hussain*